# হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়

## ঊনবিংশ সংখ্যা

# আলোচনী

২০০৭-০৮ বৰ্ষ

সম্পাদক ঃ অনুজ কুমাৰ দত্ত

H.C.D.G. COLLEGE LIBRARY
No...................
Date..................
Nitaipukhuri, Sivasagar, Assam

উনবিংশ সংখ্যা ঃ
২০০৬-০৭-০৮ বৰ্ষ

# হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনী

## বাৰ্ষিক প্ৰকাশ

আন্তৰিক শ্ৰদ্ধা আৰু শুভেচ্ছাৰে........

প্ৰতি, শ্ৰদ্ধাৰে [illegible]

..............................................................................

..........................................লৈ

-সম্পাদক

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ আলোচনী ঃ ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত আৰু অনুজ কুমাৰ দত্তৰ দ্বাৰা সম্পাদিত। ঊনবিংশ সংখ্যাঃ ২০০৬-০৭-০৮ বৰ্ষ।

## সম্পাদনা সমিতি

**উপদেষ্টা ঃ**

শ্ৰীযুত সুধীৰ কুমাৰ দাস।
শ্ৰীযুক্তা ক্ষীৰপ্ৰভা গগৈ লাহন।

**সভাপতি ঃ**

শ্ৰীসঞ্জীৱ গোঁহাই।

**সম্পাদক ঃ**

অনুজ কুমাৰ দত্ত।

**সদস্য/সদস্যা ঃ**

মানস প্ৰতীম বৰবৰুৱা।
ভাস্কৰ দত্ত।
মৌচুমী ফুকন।
মুনমী দিহিঙ্গীয়া।
নিতুমণি দত্ত।

**বেটুপাত ঃ**

নিত্যা শইকীয়া।

**গ্ৰাফিক্‌চ আৰু পৰিকল্পনা ঃ**

সুৰেশ ফুকন।

**মুদ্ৰণ ঃ**

কাৰেং অফ্‌ছেট প্ৰেছ, মা শ্ৰীলক্ষ্মী মাৰ্কেট,
মৰাণহাট।

# শ্ৰদ্ধাঞ্জলি

যিসকলে নিস্বাৰ্থ প্ৰেমেৰে
দেশ আৰু জাতিৰ কাৰণে
আত্মাহুতি দিলে
বিগত বৰ্ষত
স্বনামধন্য যিসকল
শিল্পী-সাহিত্যিক, শিক্ষাবিদ, ৰাজনীতিবিদ
অকালতে
আমাৰ মাজৰ পৰা হেৰাই গৈছে...
যিসকল নিৰিহ ব্যক্তি
সন্ত্ৰাসবাদৰ হাতোৰাত বলি হ'ল
সেই সকলোলৈকে
আমাৰ প্ৰণিপাত শ্ৰদ্ধাঞ্জলি যাঁচিলো.....



ধ্ৰুৱ লাহন

# উচৰ্গা



চুকাফা সন্দিকৈ

আমাৰ শ্ৰদ্ধেয় শিক্ষাগুৰু প্ৰয়াত

স্বৰ্গীয় ডম্বৰুধৰ নেওগ

আৰু

ভুৱন দত্ত

আমাৰে সতীৰ্থ

স্বৰ্গীয় ধ্ৰুৱ লাহন

স্বৰ্গীয় চুকাফা সন্দিকৈ

এওঁলোকৰ হাততে

ঊনবিংশ সংখ্যাৰ

মহাবিদ্যালয়ৰ আলোচনীখন উচৰ্গা কৰিলোঁ

– সম্পাদক


बिजय कृष्णा हांडिक
Bijoy Krishna Handique

सत्यमेव जयते

रसायन एवं उर्वरक राज्य मंत्री
एवं खान राज्य मंत्री
भारत सरकार
शास्त्री भवन, नई दिल्ली-११०००१

MINISTER OF STATE FOR
CHEMICALS & FERTILIZERS AND
MINISTER OF STATE FOR MINES
GOVERNMENT OF INDIA
Shastri Bhavan, New Delhi-110001


## শুভেচ্ছা বাণী

নিতাইপুখুৰী হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ২০০৭-০৮ বৰ্ষৰ বছৰেকীয়া আলোচনীখন প্ৰকাশ কৰিবলৈ লোৱা বুলি জানি আনন্দিত হৈছোঁ। আলোচনীখনৰ বিভিন্ন লিখনিত বৰ্তমান ছাত্ৰ সমাজৰ মাজত সুস্থ শৈক্ষিক পৰিবেশ সৃষ্টিৰ জৰিয়তে বৌদ্ধিক, নৈতিক, আধ্যাত্মিক আদি দিশত বিকাশ সাধন হোৱাৰ এক স্পষ্ট প্ৰতিচ্ছবি প্ৰকাশ হোৱাটো আশা কৰিছোঁ।

মহাবিদ্যালয়খনৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক কৰ্মচাৰী সকললৈ আমাৰ তৰফৰ পৰা আন্তৰিক শুভ কামনা জ্ঞাপন কৰিছো।

(বিজয় কৃষ্ণ সন্দিকৈ)

# সন্ত্ৰাস মাথো সন্ত্ৰাস



বজাৰত বিস্ফোৰণ, স্কুলত বিস্ফোৰণ, হোটেলত আক্ৰমণ আদি ঘটনাবোৰ আজি সকলোৰে চকুৰ আগত। প্ৰতিটো মুহূৰ্ততে আজি নিৰীহৰ মৃত্যু। সন্ত্ৰাসবাদীৰ পৰা আৰম্ভ কৰি নিৰাপত্তাবাহিনীলৈকে দুয়োটাতে কেৱল থাটি থোৱা মানুহ বোৰৰেই মৃত্যু।

সাম্প্ৰতিক সময়ৰ প্ৰেক্ষাপটলৈ আমি দৃষ্টি নিৱদ্ধ কৰিলে দেখিবলৈ পাওঁ ভাৰতবৰ্ষই নহয়, সমগ্ৰ বিশ্বৰে শান্তিত হেঙাৰ হৈ উঠা সন্ত্ৰাসবাদৰ চৰ্চাই গুৰুত্বপূৰ্ণ স্থান পাই আহিছে। আজি বিশ্বৰ প্ৰতিটো প্ৰান্ততে শিশুৰে পৰা আৰম্ভ কৰি আবালবৃদ্ধলৈকে সকলোৰে মুখত এটাই শব্দ 'সন্ত্ৰাস আৰু সন্ত্ৰাসবাদী'।

বজাৰত বিস্ফোৰণ, স্কুলত বিস্ফোৰণ, হোটেলত আক্ৰমণ আদি ঘটনাবোৰ আজি সকলোৰে চকুৰ আগত। প্ৰতিটো মুহূৰ্ততে আজি নিৰীহৰ মৃত্যু। সন্ত্ৰাসবাদীৰ পৰা আৰম্ভ কৰি নিৰাপত্তাবাহিনীলৈকে দুয়োটাতে কেৱল থাটি থোৱা মানুহ বোৰৰেই মৃত্যু। কোনোবা সন্ত্ৰাসবাদীয়ে চৰকাৰৰ আগত নিজৰ স্থিতি, বীৰত্ব প্ৰদৰ্শন কৰিবলৈ এটা ভাটাৰ শ্ৰমিক, কমলা বেপাৰী, শাক-পাচলিৰ বেপাৰী প্ৰভৃতি সৰু বৰ মানুহবোৰক হত্যা কৰিছে। অন্যহাতেদি সন্ত্ৰাস দমনৰ বাবে ব্যৱহৃত নিৰাপত্তাৰক্ষীসকলেও মুখ্য অপৰাধী হত্যা কৰিব নোৱাৰি নিৰীহক উগ্ৰবাদী সজোৱালৈকে এই এবৰ্ছাড নাটকৰ দৃশ্য ক্ৰমাগতভাৱে ছবিৰ দৰে উজ্জ্বল হৈ আগবাঢ়ি আহিছে শীৰ্ষবিন্দুলৈকে কোনো Balance, level ৰ প্ৰয়োগ নকৰাকৈ Open air stage ত চলি থকা একন বাস্তৱ অথচ নিষ্ঠুৰ সামাজিক নাটকৰ দৃশ্যসমূহৰ ভাৰতৰ ভূ-স্বৰ্গত পৰা আৰম্ভ কৰি পূৰ্বোত্তৰ দেশৰ নিৰ্দিষ্ট নিৰ্দিষ্ট Stage বোৰত ধাৰাবাহিকভাৱে চলি আছে। এই নাটকৰে এটা দৃশ্যায়ণ চলিছিল উফৰ ৰাজ্যত যোৱা ৩০ অক্টোবৰ তাৰিখে গুৱাহাটীত। নাটৰ পৰিচালনাৰ দায়িত্বত আছিল ন-প্ৰশিক্ষিত হুজী আৰু ছিমি নামৰ দুজন সুদক্ষ পৰিচালকৰ। কমলা দোকানৰ কাষত ভয়ংকৰ বিস্ফোৰণে কপাহ তুলা উৰাই দিয়াৰ দৰে মানুহৰ মাংস-পিণ্ড, তেজ, বাৰুদৰ গোন্ধ, শাৰী শাৰীকৈ থকা গাড়ীৰ মাজতে থকা কোনোবা এখনৰ পৰা বিস্ফোৰণ ঘটি দাউ-দাউকৈ চকুৰ আগতে জ্বলি ক্ষন্তেকতে নোহোৱা হোৱা, প্ৰাণৰ মমতাত কোলাৰ কেঁচুৱা পেলাই থৈ দৌৰা মানুহজনী আৰু তাইৰ চিৎকাৰটো- ধোঁৱাৰসতে একাকাৰ হৈ নীলাতে ঠেকা খাই প্ৰতিধ্বনিত হোৱা ভয়াৰ্ত মানুহজাকৰ সেই হাহাকাৰতো, এটা আধাজ্বলা টায়াৰৰ কাষত পৰি থকা এখন চিন্ন হাত, নাতি দূৰত একোচা চুলি, এটা সুন্দৰ বিভ্ৰন্ত 'ইনষ্টেলেচন'।

কিযে ভয়ংকৰ সুন্দৰ এখন এবৰ্ছাড নাট! লক্ষ্যাধিক দৰ্শকে কেতিয়াবা হাঁহিছে। কেতিয়াবা পাগলৰ দৰে কান্দিছে। পৰিচালকদ্বয় সফল হৈছে তেওঁলোকৰ কৌশল আৰু উপস্থাপনৰ দক্ষতাত।

ঠিক এইদৰেই ধাৰাবাহিকভাৱে নিত্যচিহ্ন হৈ আহিছে মানৱীয় জীৱনৰ লেখ। এনে এখন বাস্তৱ নাটকৰ দৃশ্য আজিও সমগ্ৰ অসমবাসীয়ে পাহৰিব পৰা নাই। এতিয়াও বুকুৰ কঁপনিটো মাৰ যোৱা নাই গুৱাহাটীবাসীৰ। সকলোৱেই বুজি পাইছে ভাৰতৰ কোনো স্থানেই সন্ত্ৰাসবাদীৰ পৰা নিৰাপদ দূৰত্বত নহয়। এই চিৰন্তন অথচ নিষ্ঠুৰ সত্যটোক আজি মানুহে মৰ্মে উপলব্ধি কৰিছে। সেঁ সিদিনা ২৬ তাৰিখে ভাৰতৰ ব্যৱসায়িক নগৰী মুম্বইত জল পথেদি আহি ভাৰতৰ মুখ্যদ্বাৰ খ্যাত (গেটৱে অৱ ইণ্ডিয়া)দি আহি পাকিস্থান সমৰ্থিত ডেক্কান মুজাহিদ্দীন নামৰ সন্ত্ৰাসবাদীসকলে আহি যি ত্ৰাসৰ সৃষ্টি কৰিলে তাকে কোনো সচেতন ভাৰতীয়ই পাহৰিব নোৱাৰে। সমগ্ৰ ভাৰতবৰ্ষ আজি সন্ত্ৰাসবাদীৰ ভাবুকিত ত্ৰস্তমান। এই সন্দৰ্ভত দুয়োখন চুবুৰীয়া দেশ, পাকিস্থান আৰু ভাৰতবৰ্ষই আগন্তুক এখন সমৰৰ বাবে প্ৰস্তুত হৈছে। যাৰ বাবে আজি সমগ্ৰ বিশ্বই চিন্তিত হৈছে। ফিৰিঙতিৰ পৰাই থাণ্ডৱ দাহনৰ সৃষ্টি হৈ এখন বিশ্বযুদ্ধৰ

সূচনা হোৱাৰ আশংকাত। এনে এক সংকটময় পৰিস্থিতিয়ে দেশৰ শৈক্ষিক পৰিবেশ বিনষ্ট হোৱাৰে পৰা আৰম্ভ কৰি ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক সকলো দিশতে বাধাৰ সন্মুখীন।

**মহাবিদ্যালয়ৰ আলোচনীৰ সম্পৰ্কে একাষাৰ ঃ**

প্ৰতিভাই স্বীকৃতি বিচাৰে। প্ৰতিভাক স্বীকৃতি দিয়াটোত প্ৰয়োজন হয় এক উপযুক্ত মাধ্যমৰ। একোখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যিক দিশত সুপ্ত হৈ থকা প্ৰতিভা মুখপত্ৰই যথেষ্ট নহয়। তথাপিও ইও অন্যতম। সেয়েহে বহু দিনৰ সপোন, বহু দিনৰ আশা আৰু সাহিত্যৰ প্ৰতি থকা এক অকৃত্ৰিম তানে নিতাই পুথুৰী হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ তৰ্ক-সাহিত্য আৰু আলোচনী সম্পাদক হিচাপে দায়িত্ব ল'বলৈ বাধ্য কৰাইছিল। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল আমাৰ প্ৰতি থকা অকৃত্ৰিম মৰম, স্নেহ, আন্তৰিকতা তথা, সম্পাদকৰ দৰে গুৰুদায়িত্ব অৰ্পণ কৰি যাত্ৰা পথত আগবাঢ়িবলৈ সুযোগ দিয়াত আমি তেখেতসকলৰ ওচৰত চিৰকৃতজ্ঞ। আমাৰ আশা আমাৰ সপোন কিছু ভিন্ন, গতানুগতিকতাৰ বিপৰীতে অন্য এক যাত্ৰা। এই যাত্ৰাৰেই আগবাঢ়ি শিক্ষাগুৰুৰ আৰু ছাত্ৰ বন্ধুসকলৰ অকৃত্ৰিম প্ৰেৰণা আৰু সহযোগিতাত, আমাৰ ক্ষুদ্ৰ চিন্তাৰে মহাবিদ্যালয়ৰ ২০০৬-০৭-০৮ বৰ্ষৰ বাৰ্ষিক মুখপত্ৰখন আপোনালোকৰ হাতত তুলি দিবলৈ পাই নিজকে সৌভাগ্যবান বুলি ভাৱিছো। জ্ঞান আৰু অভিজ্ঞতাৰ ক্ষেত্ৰত আমি অপৰিপক্ক। জ্ঞানৰ সামান্য মূলধনেৰে আমি মহাবিদ্যালয়ৰ আলোচনীখন কিছু অগতানুগতিক কৰাৰ প্ৰয়াস কৰিছোঁ। এতিয়া প্ৰশ্ন হয় পাঠক তথা ছাত্ৰ বন্ধুসকলে আমাৰ এই সুক্ষ্ম চিন্তাৰ লগত একমত হ'ব পাৰিবনে? আমাৰ চেষ্টা সামান্য হ'লেও বশবৰ্তী হয়নে? মানৱ জীৱনেই হৈছে ত্ৰুটিপূৰ্ণ। আমি ব্যতিক্ৰমী নহয়। গতিকে অনিচ্ছাকৃতভাৱে আমাৰ পদক্ষেপ ভুল হৈ যোৱাটো স্বাভাৱিক। সেয়েহে আপোনালোকৰ গঠনমূলক আলোচনা আমাৰ বাবে- হৈ ৰ'ব আশীষ

পৰিশেষত, আমাৰ ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছো। আশা কৰিছোঁ উত্তৰ পুৰুষ সকলে নিতাই পুথুৰী হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ আলোচনীখন যাতে অধিক উন্নতি কৰে তাৰে অনুৰোধ। বিদায়ক্ষণত সকলোলৈকে সেৱা আৰু শ্ৰদ্ধা জনাই সম্পাদকীয় কলম সামৰিলো।

আন্তৰিকতাৰে.....

জয়তু হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়

জয়তু ছাত্ৰ একতা সভা

অনুজ কুমাৰ দত্ত






**মহাবিদ্যালয়ৰ অধ্যক্ষ**
**শ্ৰীযুত লোহিত কুমাৰ শইকীয়া**



**মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক**
**শ্ৰীযুত শিবা শৰ্মা**




মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু
ছাত্ৰ একতা সভাৰ একাংশ বিষয়ববীয়া



মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত অধ্যয়নৰত অৱস্থাত
ছাত্ৰ-ছাত্ৰীৰ একাংশ



মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ

## সম্পাদনা সমিতি

২০০৭-০৮ বৰ্ষ



সুধীৰ কুমাৰ দাস
ইংৰাজী বিভাগ
উপদেষ্টা

সঞ্জীৱ গোহাঁই
সভাপতি
আলোচনী-সম্পাদনা
সমিতি



ক্ষীৰপ্ৰভা গগৈ লাহন
অসমীয়া বিভাগ
উপদেষ্টা



মানস প্ৰতীম বৰ বৰুৱা
সদস্য



অনুজ কুমাৰ দত্ত
সম্পাদক



ভাস্কৰ দত্ত
সদস্য



মুনমী দিহিঙ্গীয়া
সদস্যা



নিতুমনি দত্ত
সদস্যা



মৌচুমী ফুকন
সদস্যা

# ২০০৭-০৮ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকল



পংকজ কোঁৱৰ
উপ-সভাপতি



মানস প্ৰতীম বৰবৰুৱা
সাধাৰণ সম্পাদক



প্ৰবাল গগৈ
সহঃ সাধাৰণ সম্পাদক



অনুজ কুমাৰ দত্ত
আলোচনী সম্পাদক



শংকৰ দত্ত
ক্ৰীড়া বিভাগৰ সম্পাদক



ভাস্কৰ দত্ত
সাংস্কৃতিক সম্পাদক



মিঠুন দত্ত
খেল বিভাগৰ সম্পাদক



পাৰ্থ গগৈ
সমাজসেৱা বিভাগৰ সম্পাদক



মুনমী দিহিঙ্গীয়া
ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা

নকুল দত্ত
ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক



সঞ্জয় দত্ত
বছৰৰ শ্ৰেষ্ঠ ভলীবল খেলুৱৈ

## কৃতজ্ঞতাৰ শৰাই

◎ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত লোহিত শইকীয়ালৈ.....

◎ আলোচনী বিভাগৰ উপদেষ্টা শ্ৰীযুত সুধীৰ কুমাৰ দাস আৰু শ্ৰীযুক্তা ক্ষীৰপ্ৰভা গগৈ লাহন বাইদেউলৈ.....

◎ শ্ৰীযুত সঞ্জীৱ গোহাঁই, সভাপতি ছাত্ৰ একতা সভাৰ ও আলোচনী সম্পাদনা সমিতি, মহাবিদ্যালয়ৰ সমূহ অধ্যাপক অধ্যাপিকা আৰু কৰ্মচাৰীবৃন্দলৈ.....

◎ নিতাই হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ আলোচনীৰ সমূহ, পঢ়ুৱৈ, গল্পকাৰ আৰু নিৰন্ধকাৰসকললৈ.....

◎ আলোচনী প্ৰকাশৰ যাত্ৰাপথত বিশেষভাৱে সহায় কৰা যদু দত্ত, ভাস্কৰদা, মানস, অংকণ, বিশ্বজিৎ গোহাঁই, ভৰেন গগৈলৈ.....

◎ শুভাকাংখী অগ্ৰজসকল ঃ দেৱজিৎদা, দ্বীপ, নিত্যা, সৌৰভ, ধ্ৰুৱ দত্ত, অতনু, মৃদুল, পদুমকুমাৰী বা পূবালীবা, শিখা, ডলীবা, পিংকিবা, লুহিত সন্দিকৈ, জুমনি বা, ভৈৰৱী বালৈ.....

◎ শুভাকাংখী বন্ধু-বান্ধৱী ঃ পৰস সোণোৱাল, দেৱানন্দ, মণ্টু, দুলাল, ভাস্কৰ, সুৰজিৎ, পলাস সন্দিকৈ, প্ৰৱিন, ভাস্কৰ গোহাঁই, ভৰত, নৱজ্যোতি, অৰুণ, অমৃত জালান, ৰিতু, নিতু মণি গগৈ, পিংকি, নিতুমণি, কাবেৰী, মুন্নী, শিখা, কল্যানী, নৱনীতা, ভানু বৰবৰুৱা, সুস্মিতা, কৰবি............

◎ শুভাকাংখী অনুজসকল ঃ ৰিমি, মৌচুমী, জাহ্নৱী, মিলানী, সংগীতা, দীপিকা, কৃষ্ণা, কবিতা, আগণা, গীতিমণি, ডলী, ৰীমা, মৰমী, প্ৰিয়াংকা, বেবী, পৰিস্মীতা, জেনী, জুনমণি, কৰবী, মনোজ, দিংকু, বুলবুল, নৱজিৎ, লক্ষী, পদুম।

◎ শুভাকাংখী ছাত্ৰ-ছাত্ৰীসকল ঃ যিসকলে অধীৰ আগ্ৰহৰে আলোচনীখন পঢ়িবলৈ বাট চাই আছে সেইসকললৈ......

◎ ক্ষমা প্ৰাৰ্থনাৰে ঃ যিসকল ছাত্ৰ-ছাত্ৰীৰ লেখনি প্ৰকাশ কৰিব নোৱাৰিলো।

◎ কাৰেং অফছেট প্ৰেছৰ স্বত্বাধিকাৰী ৰঞ্জন বৰুৱা আৰু সুৰেশ ফুকনৰ লগতে কৰ্মচাৰীবৃন্দ আৰু অক্ষৰ বিন্যাসৰ বাবে নিত্যা শইকীয়া...

এই সকলোটিলৈকে নিতাই মহাবিদ্যালয়ৰ ২০০৬-০৭-০৮ বৰ্ষৰ সম্পাদকৰ ফালৰ পৰা কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো।

- সম্পাদক

# সূচীপত্ৰ


**নিবন্ধ সম্ভাৰ ঃ**

- বিশ্ব দৰবাৰত প্ৰথম ভাৰতক চিনাকি কৰি দিয়া ভাৰতীয় ব্যক্তিজন ০ কল্যাণী বড়া/১২
- যুৱ-উচ্ছৃংখলতা ঃ ইয়াৰ কাৰণ আৰু প্ৰতিকাৰ ০ কাৱেৰী দত্ত/১৫
- বৰ্তমানৰ যুৱ-সমাজ বনাম আধুনিক সমাজ ব্যৱস্থা ০ প্ৰৱাল গগৈ/১৮
- সমাজ সংগঠনত ছাত্ৰৰ ভূমিকা ০ দেৱজিত চাংমাই/২৩
- চিন্তনীয় ঃ কলেজত যি পঢ়োৱা নহয় ০ গোপীনাথ চেতিয়া/২৬
- সাফল্যৰ দিশত ভাৰতৰ মহাকাশ বিজ্ঞান ০ দৰ্শন জ্যোতি বড়া/২৮
- সাম্প্ৰতিক কালত বৃত্তীয় শিক্ষাৰ প্ৰভাৱ ০ অংগনা চেলেং/৩২
- জীৱন ফুলনিৰ এপাহ গোলাপ 'বন্ধুত্ব' ০ চয়নিকা বড়া/৩৪
- আজিৰ যুৱ সমাজ ০ মণিকা গগৈ/৩৬

**গল্প সম্ভাৰ ঃ**

- এটা নতুন আশা ০ স্মৃতিৰেখা দত্ত/৩৮
- অনুতাপ ০ অনুজ কুমাৰ দত্ত/৪০
- উপহাৰ ০ পিংকি সন্দিকৈ/৪৮
- স্মৃতি হ'ব খোজা সেউজীয়াবোৰ ০ নিতুমণি দত্ত/৫১
- বিষাদৰ স্মৃতি ০ লিলি ফুলকোঁৱৰ/৫৪

**অনুভৱ কৰণি ঃ**

- বিহুৱ বতৰ ০ ভাস্কৰ দত্ত/৫৭ • নিসংগতা ০ ৰুণুমী বড়া/৫৮ • প্ৰতিবোধ ০ মানসজ্যোতি টায়ে/৫৮ • ভগ্ন হৃদয় ০ বৰ্ণালী ভৰালী/৬০ • তোমাৰ পৰাই ০ পৰিস্মিতা বৰা/৬০ • বিষাদৰ স্মৃতি ০ শিখা ফুল কোঁৱৰ/৬১ • কবিৰ অংগীকাৰ ০ ৰিকুমণি দত্ত/৬১ • সংগোপন ০ জোনালী ভৰালী/৬২
- ০ প্ৰতিবেদন/৬৩

**English Section :**

- Relevance of Sankardeva's Teachings in the Twenty-First Century ○ Tarun Gogoi 76
- Orwell's *1984:* A Political Novel. Sudhir Kr. Das/82
- Wak up ○ Hiren Handique 95 • Heralod to winter ○ Sangita Phukon/96
- ○ শেষ পৃষ্ঠা/৯৮


# নিবন্ধ শিতান



# প্ৰথম ভাৰতক চিনাকি কৰি দিয়া ভাৰতীয় ব্যক্তিজন

শ্ৰীমতী কল্যাণী বড়া
স্নাতক তৃতীয় বৰ্ষ

**মহান চিন্তাবিদ নবেল বিজেতা কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে সেয়ে কৈছিল,"যদি তুমি ভাৰতক জানিব খুজিছা,বিবেকানন্দৰ ৰচনা পঢ়া,তেওঁৰ ৰচনাত সকলো কথা ইতিবাচক। নেতিবাচক কোনো কথাই নাপাবা।**

সাম্প্ৰতিক সময়ত বাঢ়ি অহা অন্যায়,অত্যাচাৰ,অপ্ৰীতিকৰ ঘটনাৰাজিয়ে সকলোকে চিন্তান্বিত কৰি তুলিছে। পশ্চিমীয়া ধাৰণাৰ কবলত পৰা এই সময়ৰ সমাজে হেৰুৱাই পেলাইছে অতীতৰ ভাৰতীয় আধ্যাত্মিকতা মূল্যবোধসমূহ। সেয়ে প্ৰয়োজন আহি পৰিছে সকলোৰে স্বকীয়ভাৱে মূল্যবোধ সম্পন্ন হোৱাৰ। যিখন ভাৰতবৰ্ষত জন্ম হৈ হাজাৰ বছৰীয়া ঐতিহ্য,সভ্যতাৰ গৰাকী হোৱাৰ গৌৰৱ অনুভৱ কৰিব পাৰি। সেই ভাৰতবৰ্ষই হৈ পৰিছে সাম্প্ৰতিক সময়ৰ দুৰ্নীতিৰ লীলা ভূমি।

মহান চিন্তাবিদ নবেল বিজেতা কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে সেয়ে কৈছিল,"যদি তুমি ভাৰতক জানিব খুজিছা,বিবেকানন্দৰ ৰচনা পঢ়া,তেওঁৰ ৰচনাত সকলো কথা ইতিবাচক। নেতিবাচক কোনো কথাই নাপাবা। স্বামী বিবেকানন্দ আছিল এই সময়ৰ অতুলনীয় সংমিশ্ৰণ-

প্ৰাচীন আৰু নবীন তেওঁতেই মিলিত হৈছিল।
প্ৰাচ্য আৰু পাশ্চাত্য তেওঁতেই মিলিত হৈছিল।
ভাৱভিত্তিক আৰু প্ৰায়োগিক তেওঁতেই মিলিত হৈছিল
জাতীয়তা আৰু বিশ্বজনীনতা তেওঁতেই মিলিত হৈছিল।
বিজ্ঞান আৰু আধ্যাত্মিকতা তেওঁতেই মিলিত হৈছিল।



নিজৰ দেশখনক কেনেকৈ ভাল পাব লাগে,সন্মান কৰিব লাগে আৰু দেশৰ বাবে কেনেকৈ কাম কৰিব লাগে তাক স্বামীজীয়ে শিকাই থৈ গ'ল। তেওঁ সম্পূৰ্ণৰূপে বিশ্বাস কৰিছিল যে পশ্চিমীয়া ভোগবাদতকৈ বিশ্ববাসীক ভাৰতীয় আধ্যাত্মবাদৰ সম্পদৰ প্ৰয়োজন অধিক। কলিকতা উচ্চ ন্যায়লয়ৰ অধিবক্তা বিশ্বনাথ দত্ত আৰু তেওঁৰ ধৰ্মপ্ৰাণা পত্নী ভূৱনেশ্বৰী দেৱীৰ সন্তানৰূপে ১৮৬৩ চনৰ ১২ জানুৱাৰীত জন্ম গ্ৰহণ কৰা নৰেন্দ্ৰনাথ দত্ত বা নৰেন নামৰ যুৱক জনেই বিবেকানন্দ নামে প্ৰখ্যাত হৈছিল। শৈশৱৰে পৰা আধ্যাত্মিক দিশৰ প্ৰতি আগ্ৰহী এই যশস্বী পুৰুষজনে দৰ্শন,সংগীত আৰু ক্ৰীড়া আদি সকলো বিষয়তে পাৰ্গতালি দেখুৱাইছিল।

আধ্যাত্মিক পৰ্য্যায়ত পোন প্ৰথমে ভগৱানৰ অস্তিত্ব সম্পৰ্কে জানিবলৈ ব্ৰাহ্ম সমাজত অন্তভূৰ্ক্ত হৈছিল যদিও সম্পূৰ্ণভাৱে তেওঁ জানিব বিচৰা আধ্যাত্মিক প্ৰশ্নবোৰ কলিকতাৰ দক্ষিণেশ্বৰত ১৮৮১ চনত সাক্ষাত হোৱা সিদ্ধপুৰুষ শ্ৰীশ্ৰীৰামকৃষ্ণদেৱেহে দিব পাৰিছিল। গুণীয়ে গুণীৰ মোল বুজাৰ দৰে শ্ৰীৰাম কৃষ্ণদেৱেও উমান পাইছিল নৰেন্দ্ৰনাথৰ সুগভীৰ চিন্তাৰ স্ফুৰণ। পিতৃ বিয়োগৰ পাছত বহু কষ্ট আৰু আৰ্থিক সংকটৰ সন্মুখীন হোৱা নৰেন্দ্ৰনাথক নেতৃত্ব প্ৰদান কৰিছিল। ১৮৮৬ চনৰ আগষ্ট মাহত ৰামকৃ ষ্ণ ঠাকুৰৰ মৃত্যুৰ পিছত নৰেন্দ্ৰনাথে শিষ্য-ভ্ৰাতৃৰে সৈতে সন্যাস ব্ৰতৰ প্ৰতিজ্ঞা লৈছিল। লগে লগে আৰম্ভ কৰিছিল এক পৰিব্ৰজন জীৱন। ভাৰতৰ বিভিন্ন প্ৰান্তে তেওঁ উপস্থিত হৈ মৰ্মে মৰ্মে উপলব্ধি কৰিলে প্ৰাচীন ভাৰতৰ ঐতিহ্যবোৰ, ৰাজনৈতিক, সাংস্কৃতিক আৰু আধ্যাত্মিক সকলো ক্ষেত্ৰতে। তথাপি ভাৰতীয় জনগনৰ আৰু অতি দুখলগা যাতনা, দুখলগা যাতনা দুৰ্ভাগ্য নাইকিয়া কৰিবৰ বাবে নানা তীৰ্থ স্থান ভ্ৰমণ কৰিবলৈ ললে নিজৰ পৰিচয় গোপন কৰিবৰ বাবে নৰেন্দ্ৰনাথে বিভিন্ন নাম ললে যাতে ভাৰতৰ ঐতিহাসিক স্থান ভ্ৰমণ কৰিবলৈ লগে নিজৰ পৰিচয় গোপন কৰিবৰ বাবে নৰেন্দ্ৰনাথে বিভিন্ন নাম ললে যাতে ভাৰতৰ বিশালতাই তেওঁক গ্ৰাহ কৰি লব পাৰে। কন্যাকুমাৰীলৈ আহি ১৮৯২ চনৰ ২৫,২৬ আৰু ২৭ ডিচেম্বৰ তাৰিখৰ কেইদিন

আধ্যাত্মিক পৰ্য্যায়ত পোন প্ৰথমে ভগৱানৰ অস্তিত্ব সম্পৰ্কে জানিবলৈ ব্ৰাহ্ম সমাজত অন্তভূৰ্ক্ত হৈছিল যদিও সম্পূৰ্ণভাৱে তেওঁ জানিব বিচৰা আধ্যাত্মিক প্ৰশ্নবোৰ কলিকতাৰ দক্ষিণেশ্বৰত ১৮৮১ চনত সাক্ষাত হোৱা সিদ্ধপুৰুষ শ্ৰীশ্ৰীৰামকৃষ্ণদেৱেহে দিব পাৰিছিল।

ভাৰতৰ দক্ষিণ প্ৰান্তৰ সাগৰৰ মাজত অৱস্থিত শিলাখণ্ডত বহি ভাৰতবৰ্ষৰ অতীত , বৰ্তমান আৰু ভৱিষ্যৎ সম্পৰ্কে গভীৰ চিন্তাত নিমগ্ন হৈছিল। এই শিলাখণ্ডৰ ওপৰত বহিয়েই তেওঁ এখন ভাৰতবৰ্ষক নতুন ধৰণে আধ্যাত্মিককতাৰ ভেটিত নিৰ্মাণ কৰাৰ সিদ্ধান্ত লয়। ক্ষেত্ৰীৰ মহাৰাজৰ অনুৰোধত স্বামীজীয়ে বিবেকানন্দ নাম গ্ৰহন কৰে? ১৮৯৩ চনত আমেৰিকাৰ চিকাগোৰ বিশ্ব ধৰ্ম মহাসভাত প্ৰদান কৰা ভাষণ স্বামীজীৰ জীৱনৰ উল্লেখযোগ্য নিদৰ্শন, যি ভাষণৰ যোগেদি ভাৰতৰ সকলো ঐতিহ্য বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত হৈছিল।

জীৱনৰ মায়া, মোহ, কাম ক্ৰোধ দম্ভ, অহংকাৰ আদি ত্যাগ কৰি স্বামী বিবেকানন্দই তৈত্তিৰীয় উপনিষদৰ দৃষ্টিভংগী পাৰমাৰ্থিক বিষয় সাঙুৰি নলৈ পৰমতাত্বিক দৃষ্টিভংগী গ্ৰহণ কৰিছে। যত স্বামী বিবেকানন্দই পাইছিল নিশ্চয়তা আৰু আত্মাৰ প্ৰশান্তি। ব্ৰহ্মত্ব স্বামীজীৰ জীৱনত উল্লেখযোগ্য প্ৰাপ্তি,যাৰ ফলত তেওঁ ইন্দ্ৰিয় সমূহৰ দ্বাৰা মনৰ দাসত্বৰ পৰা মুক্তি পাইছিল। স্বামীজীয়ে ধৰ্মীয়, নিজৰ আত্মাৰ উপলব্ধি, ভগৱানৰ আৰ্শীবাদ প্ৰাপ্তিৰ পোন প্ৰথমে শিক্ষিত হব লাগিব বুলি মত পোষণ কৰিছিল। তেওঁ কৈছিল, " মানুহৰ ব্যক্তিত্বৰ ভিতৰত নিহিত হৈ থকা গুণসমূহ পৰিপূৰ্ণতা আনিবলৈ উপযুক্তভাৱে পৰিকল্পিত শিক্ষা ব্যৱস্থাৰ প্ৰয়োজন। যুৱ প্ৰজন্মক বিশেষ ধৰণে গুৰুত্ব প্ৰদান কৰা স্বামীজীয়ে তেওঁ আঁচনি ৰূপায়ন কৰিবলৈ আগবাঢ়ি অহা পুৰুষসকলৰ স্বভাৱত অন্তৰৰ পৰা অনুভৱৰ ক্ষমতা , প্ৰতিকাৰৰ সম্যক জ্ঞান সৎ উদ্দেশ্য পৰায়ণতা আৰু অদম্য ইচ্ছাশক্তি থকাটো বিচাৰিছিল। কেতিয়াও পশ্চিমীয়া বৈষয়িক সমৃদ্ধিৰ প্ৰতি মোহন্ধ নোহোৱা স্বামীজীয়ে দ্বিতীয় ইউৰোপ ভ্ৰমণৰ পৰা জ্ঞান হৈছিল যে প্ৰতিখন দেশৰ পৰস্পৰৰ সহযোগিতা অবিহনে উন্নয়ন অসম্ভৱ। ভাৰতবৰ্ষৰ সামাজিক আৰু আৰ্থিক প্ৰতিবন্ধকমূহ নাইকিয়া

কৰিলেহে উন্নতি সম্ভৱ। তেওঁ অন্যতম শিষ্য ভগিনী নিবেদিতাক কৈছিল, পশ্চিমৰ দেশৰ সামাজিক জীৱন হৈছে এক বিননি। উচুপনিত সি মাৰ যায়। কিন্তু ইয়াত ভাৰতত ওপৰে ওপৰে দেখাত সামাজিক জীৱন বিষন্ন আৰু বিমৰ্ষ কিন্তু তাৰ তলত লুকাই আছে আনন্দ আৰু উন্মুক্ত ভাৱনা।

স্বামীজীয়ে ১৯০২ চনৰ ৪ জুলাই তাৰিখে চিৰ শান্তিৰ কোলাত আশ্ৰয় লৈছিল। যদিও তেওঁ পাৰ্থিব শৰীৰ ত্যাগ কৰিলে, তথাপি তেওঁৰ আদৰ্শ তথা বিশ্ববাসীৰ আগত ভাৰতীয় আধ্যাত্মবাদৰ প্ৰতিষ্ঠাই পশ্চিমৰ হেজাৰ জনতাক ভাৰতক আৰু ভাৰতীয় সভ্যতাক ভাল পাবলৈ অনুপ্ৰেৰণা যোগোৱা ভাৱধাৰাই তেওঁক সকলোৰে মাজত চিৰনমস্য কৰি ৰাখিব ।



# যুৱ-উচ্ছৃংখলতা ঃ ইয়াৰ কাৰণ আৰু প্ৰতিকাৰ



কাবেৰী দত্ত
স্নাতক তৃতীয় বষ

**যুৱ মানসত কেৰোণ লাগিলেই সৃষ্টি হয় উচ্ছৃংখলতা। কোনো উঠি অহা ডেকা-গাভৰুৱে স্ব-ইচ্ছাই উচ্ছৃংখল আচৰণ প্ৰদৰ্শন নকৰে ইয়াৰ নেপথ্যত থাকে আন কিছু আনুসাংগিক বিষয়। সেয়েহে সুস্থ-যুৱ মানসিকতাৰ বিপৰীতে**

এখন দেশৰ সামগ্ৰিক উন্নয়ণৰ মূল চালিকা শক্তি হ'ল যুৱ সমাজ। সম্প্ৰতি এই যুৱ শক্তিক কেন্দ্ৰ কৰি সমাজত গা কৰি উঠা এটা প্ৰধান সমস্যা যুৱ-উচ্ছৃংখলতাই ভয়াবহ ৰূপ পৰিগ্ৰহণ কৰিছে। ঘাইকৈ ১৪/১৫ বছৰ বয়সৰ ২৫/৩০ বছৰৰ অনুৰ্দ্ধ অবিবাহিত যুৱক-যুৱতীৰে যুৱ-সমাজ গঠিত। পৰিবেশ, পৰিস্থিতিৰ প্ৰতিকূলতাত ইয়াৰে এচাম যুৱক-যুৱতীয়ে আত্ম-নিয়ন্ত্ৰণ হেৰুৱাই পেলোৱাৰ ফলতেই সৃষ্টি হয় যুৱ-উচ্ছৃংখলতা। ক্ৰমশঃ ই কৰ্কট ৰোগৰ দৰে ছানি ধৰি সমাজ, সংস্কৃতি, ৰাজনীতি সকলোতে হৈ পৰে এক সামাজিক ব্যাধি।

যুৱ মানসত কেৰোণ লাগিলেই সৃষ্টি হয় উচ্ছৃংখলতা। কোনো উঠি অহা ডেকা-গাভৰুৱে স্ব-ইচ্ছাই উচ্ছৃংখল আচৰণ প্ৰদৰ্শন নকৰে ইয়াৰ নেপথ্যত থাকে আন কিছু আনুসাংগিক বিষয়। সেয়েহে সুস্থ-যুৱ মানসিকতাৰ বিপৰীতে উচ্ছৃংখল মানসিকতাক আকোঁৱালি লোৱা বাবেই পোনচাতেই যুৱসমাজক জগৰীয়া কৰিলে অন্যায় কৰা হ'ব।

যুৱ সমাজৰ এচামে বিপথে যোৱাৰ মূল কাৰণ বিচাৰিবলৈ গ'লে পৰিয়াল,সমাজ, ৰাজ্য তথা দেশৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ কথা আহি পৰে। এটি সন্তানে শৈশৱৰে পৰা পৰিয়ালৰ সদস্যসকলক অনুকৰণ কৰে। পিতৃ-চাই- 'পুত্ৰ' অথবা মাক চাই 'জীয়েক' আদি প্ৰবচনে সন্তানে মাক দেউতাকক অনুকৰণ কৰাটোক বুজায়। সম্প্ৰতি যৌথ পৰিয়ালৰ সলনি একক পৰিয়ালৰ সীমাবদ্ধতাৰ মাজত এটি শিশুৱে শৈশৱৰেপৰা যৌৱনৰ দুৱাৰ-দলিত ভৰি দিয়ালৈকে যি শিক্ষা গ্ৰহণ কৰে সিয়েই হৈ পৰে ভৱিষ্যতৰ প্ৰাথমিক বুনিয়াদ।

বৰ্তমান গোলকীকৰণৰ যুগত মুক্ত অৰ্থনীতিৰ গয়না লৈ ভাৰতত প্ৰৱেশ কৰা পশ্চিমীয়া সংস্কৃতিয়ে গাঁও-ভূঁই, নগৰ-চহৰ সৰ্বত্ৰ গ্ৰাস কৰি আহিছে। এসময়ত ৰেডিঅ'টোকে বাপতি-সাহোন ৰূপে লৈ দেশৰ বা-বাতৰি সমজুৱাভাৱে লোৱাৰ দিন এতিয়া উকলিল। চি.ডি., ভি.চি.ডি.ৰ অবৈধ কেছেটৰ ৰমৰমীয়া ব্যৱসায় চলিল। জাতীয় উৎসৱ, বিহু, তিথি অন্যান্য উৎসৱ পাৰ্বণৰ নামত এচলু পানী দি ৰঙচঙীয়া পাশ্চাত্যৰ জীৱনাদৰ্শক আকোঁৱালি ল'বলৈ যেতিয়াই সমাজৰ অগ্ৰণী এচাম ওলাই আহিল তেতিয়া আৰু যুৱ সমাজলৈ বাকী থাকিল কি?

অনুশাসনহীনতাই যুৱ-সমাজত উচ্ছৃংখলাৰ বীজ ৰূপন কৰাত ইন্ধন যোগায়। অভিজাত পিতৃৰ ধনেৰে যেতিয়া যুৱ-সমাজৰে কোনো কোনোৱে বিলাসিতাপূৰ্ণ গাড়ী বাইকত উঠি হাতে হাতে ম'বাইল ফোন লৈ পঢ়াৰ নামত ইভটিজিং, ৰেগিং আদিৰে সহপাঠী বা অন্যান্য পথৰুৱাক মানসিকভাৱে ভাৰাক্ৰান্ত কৰে তেতিয়া সমাজৰ কেইজন আগবাঢ়ি আহে সিও বিচাৰ্যৰ বিষয়। 'দেশৰ ভৱিষ্যত যুৱ প্ৰজন্মৰ হাতত' বুলি ক'লেই নহ'ব বৰং তেওঁলোকক সঠিক দিক্ দৰ্শন কৰাটোহে হ'ব। অগ্ৰজসকলৰ প্ৰধান কৰ্তব্য। যোৱা দুটা দশকৰ পৰা যুৱ সমাজৰ মাজত সঘনাই উচ্ছৃংখলতাই খোপনি পোতাৰ মানসিকতা গঢ়ি উঠিছে যাক লৈ বৌদ্ধিক সমাজত এক আলোড়নৰ সৃষ্টি হৈছে। আজি সমাজৰ এডোখৰ নিৰাপদ ঠাই নাই য'ত 'যুৱ উচ্ছৃংখলতা' শব্দটোৱে খোপনি পোতা নাই। শিক্ষানুষ্ঠান, সাংস্কৃতিক মঞ্চত খেলপথাৰ, চিনেমা গৃহ আদিত আমোদ-প্ৰমোদৰ ঠাই সকলোতে চকুত পৰে এচাম যুৱক-যুৱতীৰ উচ্ছৃংখল আচৰণ, এয়া হৈছে সঁচাকৈয়ে উদ্বেগৰ কাৰণ। এনে ক্ষেত্ৰত প্ৰতিকাৰক হিচাপে প্ৰাথমিক শিক্ষা পৰ্যায়ৰ পৰা নিয়মানুৱৰ্তিতা, অনুশাসন, যোগৰ অভ্যাসেৰে সংযম আয়ত্ব কৰাৰ কৌশল শিকালে নিশ্চয় সুফল পোৱা যাব।

সম্প্ৰতি শিক্ষাগত অৰ্হতা থকা সত্বেও উপযুক্ত সংস্থাপনৰ অভাৱত দেখা দিয়া নিবনুৱা সমস্যাই যুৱ-প্ৰজন্মক হতাশাগ্ৰস্ত কৰি তুলিছে আমাৰ উচ্চ শিক্ষা পদ্ধতিত কেৱল পুথিগত পাঠ্যক্ৰম সন্নিবিষ্ট হোৱাৰ বাবে চাকৰিমুখী হোৱাৰ বাহিৰে হাতেকামে ধন উপাৰ্জন কৰা পথ বন্ধ। আনহাতে আমাৰ প্ৰচলিত উচ্চতৰ মাধ্যমিক, স্নাতক তথা স্নাতকোত্তৰ পাঠ্যক্ৰমৰ বিষয়বস্তু তথা পৰীক্ষা পদ্ধতি অন্যান্য প্ৰতিযোগিতামূলক পৰীক্ষাৰ উপযোগিকৈ প্ৰস্তুত নোহোৱাৰ বাবে বহু



মেধা যুৱক-যুৱতীয়ে পাপ্য কৰ্মসংস্থানৰ পৰা বঞ্চিত হৈ আহিছে। কলা-বাণিজ্য উচ্চতৰ মাধ্যমিক আৰু স্নাতক ডিগ্ৰী লাভ কৰা পিচত অন্যান্য কি কি পাঠ্যক্ৰম পঢ়িব পাৰি সেয়া সঠিকভাৱে নজনাৰ ফলত একেঘেয়ামি শিক্ষাকে গ্ৰহণ কৰিবলগীয়া হয়। ফলস্বৰূপে নিবনুৱাৰ শিক্ষিত সংখ্যা বাঢ়ে। স্নাতক বা স্নাতকোত্তৰ ডিগ্ৰী লোৱাৰ পাছতো চাকৰিবিহীন জীৱন এটা কটাবলৈ যাওঁতে দিনক দিনে বাঢ়ি গৈছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিয়ে এফালে এচাম যুৱক-যুৱতীয়ে সাফল্যৰ উচ্চতম শিখৰত আৰোহণ কৰা বিপৰীতে আন এচাম যুৱ-প্ৰজন্মই হাতত আধুনিক মাৰণাস্ত্ৰ লৈ নিজৰ তথা আনৰ জীৱনক লৈ হেতালি খেলিছে। আজি বোমা-বাৰুদৰ গোন্ধ সৰ্বত্ৰ সুলভ মানুহৰ মৃত্যু। সমাজত হত্যা-সন্ত্ৰাস কিম্বা হিংসা বৃদ্ধি হোৱাৰ ঘাই শিপাডাল চিনাক্ত কৰি উভালি পেলাব পাৰিলেহে যুৱ-প্ৰজন্ম ৰক্ষা কৰিব পাৰিব। যুৱ উচ্ছৃংখলতাৰ অন্য এক কাৰক হ'ল নিচাযুক্ত দ্ৰব্য। মদ, ভাং, কানি, ব্ৰাউন চুগাৰ, হিৰোইন আদি নিচাযুক্ত ড্ৰাগছ সেৱন কৰি আজি বহুতো উঠি অহা যুৱকে সমাজলৈ বিষ-বাষ্প কঢ়িয়াই অন্য সততে পৰিলক্ষিত হৈছে। ভোগসৰ্বস্ব বস্তুবাদী সমাজৰ স'তে ফেৰ মাৰিবলৈ গৈ এচাম যুৱক-যুৱতীয়ে সহজে বলি হ'ব লগা হয় এনে মাৰাত্মক ৰবিবিহৰ। এই ৰবিবিহ হাঁহি মুখে গলাধ কৰণ কৰি লাভ কৰা সাময়িক তৃপ্তিৰ পাৰ্শ্বক্ৰিয়া। কিন্তু ব্যক্তি তথা সমাজৰ বাবে অতি বিষময়। এনে নিচাযুক্ত দ্ৰব্যৰ পৰা যুৱ-সমাজক আঁতৰাই ৰাখিব নোৱাৰিলে সমাজলৈ আচিৰতে বিভিষীকা নামি অহাৰ সম্ভাৱনীয়তাক কোনেও নুই কৰিব নোৱাৰে। নাৰীৰ অশালীন সাজ-পোছাক পৰিধান, সস্তীয়া আলোচনী, চিনেমা, বাটে-ঘাতে, কাকতে পত্ৰই প্ৰকাশিত প্ৰদৰ্শিত দৃষ্টিকটু বিজ্ঞাপন আদিত যুৱ-সমাজৰ উচ্ছৃংখলতাৰ পৰোক্ষ কাৰক।

যুৱ উচ্ছৃংখলতাই ব্যক্তিগতভাৱে ক্ষতি কৰাৰ উপৰিও সমাজ, অৰ্থনীতি, ৰাজনীতি আদি সকলো দিশতে ঋণাত্মক প্ৰভাৱ পেলায়। এনে অশুভ আচৰণক ৰোধ কৰাৰ প্ৰথম উপায় হ'ল যুৱ শক্তিক সদা সৎ-কৰ্ম, সৎ-চিন্তাত প্ৰবৃত্ত কৰি ৰখা। ইয়াৰ বাবে প্ৰথমে নিজ বিবেকৰ দ্বাৰা পৰিচালিত হ'ব লাগিব। দ্বিতীয়তে পিতৃ-মাতৃ সমাজৰ অগ্ৰণী লোক শিক্ষক আৰু চৰকাৰো সদা সচেষ্ট হ'ব লাগিব।

কৰ্মহীনতাই মনলৈ আলস্য ভাৱ আনে। এনে ক্ষেত্ৰত কেৱল চাকৰিমুখী নহৈ শিল্প বাণিজ্যত মনোনিবেশ কৰিলে যুৱক-যুৱতীৰ হাতলৈ সৎ পথেৰে অৰ্জা ধনো আহিব পাৰে, অভাৱো আতৰিব কৰ্ম সংস্কৃতিয়ে যুৱ-সমাজক আগবঢ়াই নিয়া দায়িত্ব আজি সমাজৰ অনুষ্ঠান, প্ৰতিষ্ঠানৰ চৰকাৰৰ। সমাজৰ বুদ্ধিজীৱীসকলেও আগভাগ লৈ দেশ তথা জাতিৰ ভৱিষ্যৎ প্ৰজন্মক দিক্ দৰ্শন কৰাই উচ্ছৃংখলতা ৰোধ কৰিবলৈ ওলাই আহক। কিয়নো যুৱ মানসত এবাৰ উচ্ছৃংখলতাই খোপনি পোতিলে জাতি তথা দেশৰ অধঃপতন অনিবাৰ্য। □

# বৰ্তমানৰ যুৱসমাজ বনাম আধুনিক সমাজব্যৱস্থা

প্ৰবাল গগৈ
স্নাতক দ্বিতীয় বৰ্ষ

> আনহাতে এটা ল'ৰা বা এজনী ছোৱালীক শিশু কালৰে পৰা প্ৰতিটো দিশ, আচৰণ, ব্যৱহাৰ সুক্ষ্মভাৱে আলোচনা, নিৰীক্ষণ কৰা উচিত। কাৰণ এটা ল'ৰাৰ গাত থকা নানা ধৰণৰ বেমাৰ-আজাৰ, সুপ্ত হৈ থাকিব পাৰে। লগতে মগজুত বা দেহত থাকিব পাৰে অদ্ভুত কলা-কৌশল, শিক্ষা-অৰ্হতা, যিবোৰ ব্যৱহাৰৰ

উঠি অহা প্ৰজন্মক শুদ্ধভাৱে পৰিচালনা কৰাৰ দায়িত্ব সমাজখনৰ। সমাজ বুলি ক'লে আমাৰ প্ৰতিটো পৰিয়ালক বুজায়। এখন সমাজৰ শুদ্ধতা সেয়েহে পৰিয়ালৰ শুদ্ধতা-অশুদ্ধতাৰ ওপৰতে বেছিকৈ নিৰ্ভৰশীল। আনহাতে আজিৰ শিশু কালিলৈ দেশৰ নাগৰিক হৈ সমাজৰ কাম কৰিব পৰা হ'বগৈ আৰু দেশৰ বৰ্তমান, ভৱিষ্যতৰ বহুখিনি নিৰ্ভৰ কৰিব কেৱল সিহঁতৰ কাম-কাজ, বুদ্ধি-বৃত্তি, স্বভাৱ-চৰিত্ৰৰ ওপৰত। সেয়ে নাগৰিকজনে যাতে সমাজৰ হিত চিন্তা কৰে, অসৎ সকলক দমন কৰিব পাৰে তাৰ বাবে শিশুকালতেই উপযুক্ত ৰূপে গঢ়ি তোলা উচিত। অৰ্থাৎ সমাজ ব্যৱস্থা আৰু যুৱসমাজ এটা মুদ্ৰাৰ দুই পিঠিৰ লগত তুলনা কৰিব পাৰি। কাৰণ সমাজ ব্যৱস্থাৰ ওপৰত যুৱসমাজৰ প্ৰভাৱ আৰু যুৱসমাজৰ ওপৰত সমাজ ব্যৱস্থাৰ প্ৰভাৱ অপৰিসীম।

বৰ্তমান সমাজখনক এখন সুস্থ সমাজ বুলি গণ্য কৰিব নোৱাৰি। এখন সুস্থ সমাজ গঠনত যুৱসমাজৰ প্ৰভাৱ উল্লেখনীয়। ধৰাহওঁক আজিকালিৰ আমাৰ সমাজ ব্যৱস্থাত বিশেষকৈ সদায় খবৰ কাগজত দেখি থকা পাই থকা হত্যা, লুণ্ঠনৰাজ, ধৰ্ষণ, আত্মহত্যা, আদি ঘটি আছে। যিবিলাকে আমাৰ সমাজ ব্যৱস্থাত



এক বিশৃংখল পৰিস্থিতিৰ সৃষ্টি কৰি কাৰোবাৰ জীৱনত কলংক সানিছে। সেইজন যিকোনো হ'ব পাৰে। আপোনাৰ মা, দেউতা, ভাতৃ, ভগ্নী, খুড়ী, পেহী আদি। গতিকে ইয়াৰ বেদনা কিমান দুখজনক হ'ব এবাৰ ভাবি চাইচেনে নাই যি সেইসকলে কেৱল নিজৰ কথা চিন্তা কৰে। আনহাতে সেইসকল আচলতে হিংস্ৰ প্ৰকৃতিৰ; তেওঁলোক মানুহ নহয় একো একোজন ৰাক্ষসহে। সেই ৰাক্ষসলৈ এদিন আপুনিও ৰূপান্তৰিত হ'ব পাৰে। আপুনিয়েই আন এজনৰ ভাতৃ, ভগ্নী, মাক, দেউতাক অত্যাচাৰ, উৎপীড়ন চলাই হত্যা কৰিব পাৰে। আনহাতে আন এজনে আকৌ আপোনাৰ পিতৃ-পৰিবাৰকো হত্যা নকৰাকৈ উশাহ সলাব নোৱাৰে। মুঠতে এক যন্ত্ৰণাময়, বিশৃংখল পৰিস্থিতি। এক বিশৃংখল পৰিস্থিতিৰ পৰা হাত সাৰিবলৈ আপুনি-মইয়েই চেষ্টা কৰিব লাগিব, সংগ্ৰাম কৰিব লাগিব। অৰ্থাৎ বৰ্তমানৰ যুৱসমাজেই এইক্ষেত্ৰত বিভিন্ন ধৰণে জনসাধাৰণৰ মনত সচেতনতা সৃষ্টি কৰি এই কাৰ্যৰ প্ৰতিবাদ সাব্যস্ত কৰিব পাৰে। সেয়েহে এই উঠি অহা প্ৰজন্মক শিশুকালতেই উচিত, ন্যায়পূৰ্ণ শিক্ষা প্ৰদান কৰা উচিত আৰু এই ক্ষেত্ৰত অভিভাৱক তথা গোটেই সমাজেই গুৰুত্ব দিয়া উচিত। কাৰণ সেই সময়ত নিশিকালে বিপথে পৰিচালিত হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। উদাহৰণস্বৰূপে কোৱা হয় যে কুমলীয়া বাঁহ বেয়া বেঁকা বাঁহৰ হেঁচাত বেঁকা হৈ যায়। কুমলীয়া হৈ থাকোতেই যদি ইয়াক পোন কৰাৰ চেষ্টা কৰা নহয় ডাঙৰ হৈ আহিলে সেই চেষ্টা অনৰ্থক, বিফল হৈ পৰে। অৱশ্যে শিক্ষাৰ ক্ষেত্ৰত বিশেষকৈ চৰকাৰে গুৰুত্ব প্ৰদান কৰিব লাগে। দেশত শিক্ষিত নিবনুৱাৰ সংখ্যা যিমানে বৃদ্ধি হৈছে দেশৰ সমস্যা দিনক দিনে বৃদ্ধি হৈ গৈছে। যাৰ কাৰণেই আজি দেশত যুৱকসকলে নিজৰ ভাৰসাম্য হেৰুৱাই আত্মহত্যা কৰিছে। আন কিছুমানে আকৌ প্ৰতিশোধৰ জ্বালাত জ্বলি হাতত মৰণাস্ত্ৰ লৈ হত্যা কৰিবলৈ উদ্যত হৈছে। এইক্ষেত্ৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰা উচিত। এখন দেশৰ প্ৰতিটো শিশু ডাঙৰ হৈ অহাৰ লগে লগে সিহঁতে জীৱিকা-নিৰ্বাহৰ অৰ্থে যিকোনো কাম কৰিব পাৰে। সেয়েহে চৰকাৰে সিহঁতক উচিত বৃত্তিমূলক শিক্ষাৰে শিক্ষিত কৰি তুলিব লাগে। অন্তত নিজৰ পৰিয়াল পোহ-পাল দিব পৰাকৈ।

আনহাতে এটা ল'ৰা বা এজনী ছোৱালীক শিশু কালৰে পৰা প্ৰতিটো দিশ, আচৰণ, ব্যৱহাৰ সুক্ষ্মভাৱে আলোচনা, নিৰীক্ষণ কৰা উচিত। কাৰণ এটা ল'ৰাৰ গাত থকা নানা ধৰণৰ বেমাৰ-আজাৰ, সুপ্ত হৈ থাকিব পাৰে। লগতে মগজুত বা দেহত থাকিব পাৰে অদ্ভুত কলা-কৌশল, শিক্ষা-অৰ্হতা, যিবোৰ ব্যৱহাৰৰ প্ৰভাৱত বা উচিত নিৰীক্ষণৰ অভাৱত নাইকিয়া বা ধ্বংস হৈ যাব পাৰে। এইক্ষেত্ৰত সমাজৰ বিশেষকৈ মাতৃৰ তথা পৰিয়ালৰ প্ৰভাৱ গুৰুত্বপূৰ্ণ।

এটা ল'ৰাই বিশেষকৈ যেতিয়া ১৫ বছৰ অতিক্ৰম কৰে তেতিয়া যুৱাকালত পৰিণত হয়। সেই সময়ছোৱা অতি বিপদসংকুল। সাহিত্যিক সত্যনাথ বৰাদেৱে সেই সময়ছোৱাক 'দিন-ৰাতি'ৰ মাজৰ সময়ছোৱাৰ লগত তুলনা কৰিছে। কাৰণ সেই সময়ছোৱাত ল'ৰাজনে অধিক মানুহৰ লগ-

সংগ পায়। বিভিন্ন কথাবাৰ্তাও অংশগ্ৰহণ কৰিবলগীয়া হয়। সেইবোৰ শুনেও আৰু নিজে কয়ও। মানুহক সংগই ভাল কৰে আৰু সংগই বেয়াও কৰে সেয়েহে মাতৃ তথা অভিভাৱকে সদাই ল'ৰাটোক লক্ষ্য কৰা উচিত যে ল'ৰাজন কেনে ল'ৰাৰ প্ৰভাৱত পৰিছে, কি কৰিছে, ঘৰৰ পৰা ওলাওঁতে, সোমাওতে ল'ৰাটোক সুক্ষমভাৱে নিৰীক্ষণ কৰিব লাগে। আবেগৰ বশবতী হৈ মাকবোৰে প্ৰায়ে ল'ৰাৰ কোৱা প্ৰতিটো কথা ভুল বুলি জানিও মানি লয়। আচলতে এখন সুস্থ সমাজ, উচিত যুৱক, পুত্ৰ পাবলৈ হ'লে সেইখিনি কৰিবই লাগিব। বেয়া সংগত পৰা যেন দেখিলেই অতি কৌশলেৰে তাৰপৰা আঁতৰাই আনিব লাগিব। সেইদৰে এজনী ছোৱালীৰ ক্ষেত্ৰত ছোৱালীজনীৰ আচাৰ-ব্যৱহাৰ, পিন্ধন-উৰণৰ প্ৰতি স'ততে দৃষ্টি ৰখা প্ৰয়োজনীয়।

আজিকালিৰ যুগ বৈজ্ঞানিকৰ যুগ। টি.ভি., চি.ডি., ইণ্টাৰনেট আদিৰ বহুল প্ৰচাৰৰ হেতু যুৱকসকলে ইয়াৰ দ্বাৰা পশ্চিমীয়া সংস্কৃতিৰ আচাৰ ব্যৱহাৰৰ লগত পৰিচিত হ'ল। ফলত পশ্চিমীয়া সংস্কৃতিৰ অনুকৰণকে আধুনিক জীৱন বুলি মানি লৈ তাৰ তালে তালে মিলিবলৈ যত্নপৰ হ'ল। যেনে ধৰক ম'বাইলৰ লগতে সঘনে লাগি থকা, চি.ডি., টি.ভি.ত অশ্লীল চিত্ৰ চাবলৈ কৰা হাবিয়াসে অসুস্থ বাতাবৰণ যুৱসমাজৰ মাজত সৃষ্টি হৈছে। কিছুমানে সেই অশ্লীল চিত্ৰ প্ৰদৰ্শনতো নিজক অৰ্পন কৰিছে। যিবিলাকে এই চিত্ৰবিলাক প্ৰদৰ্শনত উদ্‌গনি জনাইছে জনসাধাৰণে তেওঁলোকক কঠোৰ শাস্তিৰ দাবী কৰিব লাগে। কৰিলেও কি হ'ব। বৰমূৰীয়া ৰাজনৈতিকসকলে ক্ষমতাৰ লোভত এইবিলাকক সংৰক্ষিত কৰি ৰাখে। আচলতে যি কি নহওক তেনে বাতাবৰণ সৃষ্টিত মাক-বাপেকৰ সিংহভাগ উল্লেখনীয়। কিয়নো নিজৰ ল'ৰা-ছোৱালীৰ মনৰ ইচ্ছা পূৰণ কৰাটো প্ৰতিজন মাক-বাপেকৰ প্ৰথম দায়িত্ব আৰু কৰ্তব্য আৰু সেই দায়িত্বক পালন কৰিবলৈ যাওঁতেই ল'ৰা-ছোৱালীয়ে মাক দেউতাকৰ অজ্ঞাতসাৰে এই কাম কৰে। সেয়েহে এই অসুস্থ মানসিকতা প্ৰতিৰোধত মাক-বাপেকে যত্নপৰ হোৱা উচিত। যাতে এই অসুস্থ মানসিকতাৰ পৰা যুৱসমাজ তথা গোটেই সমাজখনেই ৰক্ষা পৰে। যুৱসমাজ আৰু বৰ্তমানৰ সমাজব্যৱস্থা পৰস্পৰ নিৰ্ভৰশীল কাৰণ যুৱসমাজৰ ধ্বংসই গোটেই সমাজখনৰে ধ্বংস আৰু যুৱসমাজক ধ্বংসৰ পৰা ৰক্ষা কৰাটো সমাজব্যৱস্থাৰো কাম্য হোৱা উচিত। ধৰাহওঁক এটা ল'ৰাক নিজৰ মাক-বাপেকে ঘৰতহে চোৰা-চিতা কৰিব পাৰে। কিন্তু ঘৰৰ বাহিৰত কৰা কাৰ্যৰ বাবে সমাজৰ অন্যান্য লোকেও ভূমিকা লোৱা প্ৰয়োজনীয়। অৱশ্যে আজিকালি প্ৰায়ে দেখা গৈছে যুৱকসমাজে যিজনে দোষ দেখুৱাই দিয়ে সেইজনকহে ওলোটাই সমালোচনা কৰে। গতিকে এনেকুৱা যাতে নহয় তাৰ বাবেই প্ৰথমাৱস্থাৰ পৰাই অৰ্থাৎ ল'ৰাটোক শৈশৱ কালতেই উচিত শিক্ষা, সংগ প্ৰদান কৰা উচিত।

এটা শিশু কোনফালে ধাৱিত হয় সেইটো পৰিলক্ষিত হয় যুৱাকালতহে, সেয়েহে যুৱাকাল



হোৱালৈকে ল'ৰাটোক অলপ বেছিকৈ নিৰীক্ষণ কৰা প্ৰয়োজন। বুজা হোৱাৰ পাছত ল'ৰাটোৱে ভালদৰে পঢ়ি ভৱিষ্যতে সমাজত সুপ্ৰতিষ্ঠিত কৰাৰ লক্ষই অলপ বেছিকৈ নিৰীক্ষণ কৰা প্ৰয়োজন। বুজা হোৱাৰ পাছত ল'ৰাটোৱে ভালদৰে পঢ়ি ভৱিষ্যতে সমাজত সু-প্ৰতিষ্ঠিত কৰাৰ লক্ষ্যই হ'ল পিতৃ-মাতৃৰ প্ৰধান কৰ্তব্য বা কাম্য। কিন্তু অনেক সময়ত সেইটো হৈনুঠে। কাৰণ সেই বাটটো অনেক কণ্টকময়। সেই কণ্টকময় ৰাস্তা পাৰ হৈ যাওঁতে ভালদৰে যাব লাগে। আজি সেইবাবে সমগ্ৰ বিশ্বতে যুৱসমাজৰ মানসিক বিপৰ্যয় এটা প্ৰধান সমস্যাৰূপে ঠিয় দিছে। তাকে দেখি আমাৰ যুৱসমাজৰ ভুলখিনি সময়মতে ভাঙিব নোৱাৰে তেনেহ'লে আমাৰ নিচিনা এটা বৃহৎ জাতিৰ বা সমাজৰ উন্নতি কেতিয়াও সম্ভৱ নহয়। এই মানসিক বিপৰ্যয় সুক্ষ্মভাৱে নিৰীক্ষণ কৰিলে অভিভাৱক তথা সমাজখনকে দায়ী যেন লাগে। উদাহৰণস্বৰূপে আজিৰ সমাজে নিজকে প্ৰতিষ্ঠিত হিচাপে দেখুৱাবলৈ পঢ়াৰ ক্ষেত্ৰত নামী-দামী স্কুলত, প্ৰতিটো বিষয়ত অধিক মাচুলেৰে টিউচন দিয়াই ল'ৰাটোক বা ছোৱালীজনীক যান্ত্ৰিক কৰি পেলাইছে। লাহ-বিলাসৰ ক্ষেত্ৰটো সততে দেখা যায় ম'বাইলৰ প্ৰভাৱ। কোনে কিমান দামী ম'বাইল ল'ব পাৰে তাৰ প্ৰতিযোগিতা চলিছে। ল'ৰাটোৰ মন ভাল লগাবলৈ প্ৰয়োজনাধিক হাত খৰচ, মটৰ চাইকেল, ম'বাইল আনি দিলে আৰু বতাহৰ বেগেৰে মটৰ চাইকেল চলাই ধূলি উৰুৱাই হাতত ম'বাইল লৈ ওলাই গৈছে। এজন বৃদ্ধৰ গাৰ কাষেদি অথবা এটি স্কুলীয়া শিশুৰ কাষেদি। গাত লাগিলেই এটা দূৰ্ঘটনা। উহ! কি পৰিস্থিতি। এই দৰে সন্তানটোক গম নোপোৱাকৈয়ে লাহ-বিলাহপূৰ্ণ জীৱন আৰু উচ্ছৃংখল মানসিকতাৰ ফলে ঠেলি দিয়া হৈছে। এই অসুস্থ মানসিকতাৰ ফলস্বৰূপে প্ৰয়োজনতকৈ অধিক বা প্ৰয়োজনতকৈ কম হাত খৰচ পোৱা আজিৰ যুৱকসকলৰ জীৱন দুৰ্বোধ্য হৈ পৰিছে। কাৰণ যিসকল অভিভাৱকে সন্তানত অধিক হাত-খৰচ, মটৰ চাইকেল, ম'বাইল দিব পৰা নাই সেইসকল আৰু বতাহৰ বেগেৰে চাইকেল চলাই যোৱাজনৰ মাজত আকাশ-পাতাল পাৰ্থক্য আহি পৰিছে। এই ব্যৱধানৰ প্ৰভাৱ লাহে লাহে গোটেই

যাতে এই অসুস্থ মানসিকতাৰ পৰা যুৱসমাজ তথা গোটেই সমাজখনেই ৰক্ষা পৰে। যুৱসমাজ আৰু বৰ্তমানৰ সমাজব্যৱস্থা পৰস্পৰ নিৰ্ভৰশীল কাৰণ যুৱসমাজৰ ধ্বংসই গোটেই সমাজখনৰে ধ্বংস আৰু যুৱসমাজক ধ্বংসৰ পৰা ৰক্ষা কৰাটো সমাজব্যৱস্থাৰো কাম্য হোৱা উচিত। ধৰাহওঁক এটা ল'ৰাক নিজৰ মাক-বাপেকে ঘৰতহে চোৰা-

সমাজতে পৰিবলৈ ধৰিছে। কোনোবাই বাপেকৰ লগৰজনৰ আগতেই চিগাৰেটৰ ধোঁৱা উৰুৱাই সন্মান হানি কৰিছে। ফলত শ্ৰদ্ধা, ভক্তি, সন্মান আমাৰ সমাজৰ পৰা নাইকিয়া হৈছে।

আনহাতে কিছুমান আকৌ ম'বাইল, মটৰ-চাইকেলৰ অভাৱ অনুভৱ কৰি দুৰ্বোধ্য জীৱন কটাব নোৱাৰি হাতত আগ্নেয়াস্ত্ৰ লৈ ওলাই গৈছে অচিনাকি ঠাইলৈ। ফলত সমাজৰ হত্যা, লুণ্ঠন, ধৰ্ষণ, অবিৰাম গতিত বৃদ্ধি পাবলৈ ধৰিছে। এই সন্ত্ৰাসবাদৰ দৰে ভয়ংকৰ সমস্যাবোৰ সমাধানত আজিৰ সমাজেই চেষ্টা কৰা উচিত। এই সমাজৰে যুৱকসকলৰ মাজৰ পৰা অপ্ৰয়োজনীয় প্ৰতিযোগিতা, অসুস্থ বাতাবৰণৰ সমাধানত সমাজৰ প্ৰয়োজনীয়তা অতিকৈ দৰকাৰী। কাৰণ এই প্ৰতিযোগিতা অসুস্থ বাতাবৰণ সৃষ্টি অভিভাৱক তথা সমাজেহে কৰে। অৱশ্যে স্বামী বিবেকানন্দৰ আৰ্হিত গঠন কৰা ৰামকৃষ্ণ মিছন সংঘই এক প্ৰচেষ্টা হাতত লৈছে যে দেশৰ যুৱসমাজে পশ্চিমীয়া সংস্কৃতিৰ অনুকৰণ নকৰি দেশীয় ভাৱধাৰৰ ওপৰত গঢ়ি উঠে। এইটো এটা উল্লেখনীয় পদক্ষেপ। এইদৰেই এখন সমাজে যদি নিজৰ সমস্যা সমাধানত অগ্ৰণী ভূমিকা নলয় তেন্তে এই বিভিন্ন সমস্যাবোৰে সমাজ জীৱন কলুষিত কৰি তোলাৰ লগতে সাতাম পুৰুষীয়া ঐক্য সংহতি বিনষ্ট কৰি জাতিৰ ভবিষ্যৎ অন্ধকাৰ হ'ব। □

"সুকুমাৰ কলা আমাৰ জীৱনৰ বাহিৰ ভাগৰ শ্ৰেষ্ঠ সম্পদ। ইয়েই মানুহৰ জীৱনত সৌন্দৰ্য প্ৰয়োগ কৰাৰ আটাইতকৈ শ্ৰেষ্ঠ উপায় আৰু মানুহৰ জীৱনৰ আনন্দ ইয়াৰ যোগেদিয়েই বেছিকৈ ল'ব পাৰি।

-জ্যোতিপ্ৰসাদ আগৰৱলা"



# সমাজ সংগঠনত ছাত্ৰৰ ভূমিকা

দেৱজিৎ চাংমাই
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

ছাত্ৰৰ দুচকুত আছে তীব্ৰ উজ্জ্বল দৃষ্টি আৰু বুকুত দিগন্ত প্ৰসাৰী কল্পনাৰ ৰঙীণ ছবি। লক্ষ্য সাধনত ছাত্ৰৰ প্ৰবল আগ্ৰহ আছে। জানিবলৈ ব্যগ্ৰ চাবলৈ উগ্ৰীৱ, উৎকণ্ঠা, জ্ঞান লাভৰ তৃষ্ণা অন্ধ সন্ধিৎসু সমাজৰ সদাজাগ্ৰত প্ৰহৰী।

ছাত্ৰ সমাজত দেশ আৰু জাতিৰ এটা প্ৰধান শক্তি। বৰ্তমানৰ ছাত্ৰ সমাজে অতীতৰ কেৱল বিদ্যালয়ৰ চাৰিবেৰৰ মাজতে আবদ্ধ নেথাকি দেশ আৰু সমাজৰ বিভিন্ন উন্নয়নমূলক কামত আত্মনিয়োগ কৰা দেখা যায়।

ছাত্ৰসকলে সমাজ সংগঠনৰ ক্ষেত্ৰত বিভিন্ন কাৰ্যসূচী হাতত লোৱাৰ উদাহৰণ উল্লেখ কৰিব পাৰি। প্ৰতিজন ছাত্ৰই সমাজসেৱা আৰু সমাজ সংগঠনৰ কাৰণে হাতত লোৱা প্ৰধানতম কাৰ্যপদ্ধতি হ'ল খেল ধেমালি ব্যায়াম সমাজসেৱা সাংস্কৃতিক অনুষ্ঠান পতা, শিক্ষামূলক ভ্ৰমণ, হাতৰ কাম, গৃহবিজ্ঞান ইত্যাদি।

সকলো ছাত্ৰই সকলোধৰণৰ কাম বা কাৰ্য সম্পাদন কৰিব নোৱাৰে। গতিকে ছাত্ৰই নিজৰ ৰুচি-অভিৰুচি, প্ৰকৃতি আৰু সামৰ্থ্যৰ প্ৰতি লক্ষ্য ৰাখিহে সমাজ সংগঠনৰ কাৰ্যসূচীত নিজকে জৰিত কৰি ৰাখে।

চিন্তাবিদসকলে ক'ব বিচাৰে যে এটা জীৱন দৰ্শন বা আদৰ্শইহে মানুহক সমাজ সেৱাত প্ৰবৃত কৰে। সকলো ছাত্ৰ যে সমাজ সংগঠনৰ কাৰ্যসূচীৰে প্ৰতি আগ্ৰহী সেইটো ন-দি ক'ব নোৱাৰি। বিশেষকৈ ছাত্ৰৰ সামাজিক কামত

মনোনিবেশ কৰাৰ এটা বয়স আছে। ১৬ বছৰৰ পৰা ২১ বছৰৰ ভিতৰত প্ৰায় ছাত্ৰই সামাজিক কামৰ প্ৰতি আগ্ৰহী। সেই সময়ত ছাত্ৰ আবেগ প্ৰৱণ হয়। সেই সময়তেই ছাত্ৰই পৰোপকাৰিতা আৰু ত্যাগৰ প্ৰতি আকৃষ্ট হয়। উক্ত বয়সতেই যদি ছাত্ৰৰ মনটো সামাজিক দিশৰ পিনে আকৃষ্ট কৰি তুলিব পৰা যায় তেন্তে অতি সহজতেই সমাজৰ উন্নতি সাধন হ'ব।

এখন সমাজত দুখ-দৰিদ্ৰ, বেমাৰ-আজাৰ, মাৰি-মৰক আদি বহুতো প্ৰাকৃতিক দুৰ্যোগে দেখা দিয়ে। এনে ধৰণৰ কষ্ট পীড়িত মানৱৰ প্ৰতি যুগে যুগে সেৱা আৰু সহানুভূতি আগবঢ়াব পাৰে। সচেতন ছাত্ৰসমাজে। এনেদৰে ছাত্ৰসমাজে সামাজিক কাম-কাজৰ লগত জড়িত হৈ সমাজ সংগঠনত এক মুখ্য ভূমিকা আগবঢ়ায়।

সমাজ সংগঠনত ছাত্ৰই লোৱা কাৰ্যসূচী বহুমুখী আৰু শিক্ষামূলক হ'ব লাগে। বিশেষকৈ সমাজসেৱা কাৰ্যত ছাত্ৰৰ মাজৰে এজন অভিজ্ঞ ছাত্ৰৰ দ্বাৰাই পৰিচালিত হ'ব লাগে। সৰ্ব-প্ৰথমে সমাজ সংগঠনৰ ক্ষেত্ৰত শিক্ষা অনুষ্ঠানতেই ছাত্ৰই মুখ্য পদক্ষেপ হাতত ল'ব লাগে। শিক্ষা অনুষ্ঠানৰ দ্বাৰাই সমাজৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষিত কৰি তোলা হয় আৰু সাধাৰণ জ্ঞানৰ প্ৰতি কম-বেছি পৰিমাণে হ'লেও আগ্ৰহী কৰি তোলে। শিক্ষানুষ্ঠান সু-নিষ্ঠাৰে পৰিচালিত হ'বলৈ ছাত্ৰই বহুতো কৰ্তব্য কৰিবলগীয়া হয়। শিক্ষানুষ্ঠানৰ চৌহদটোৰ আৰু পাঠদানৰ কক্ষবোৰ যাতে পৰিস্কাৰ-পৰিচ্ছন্ন হৈ থাকে তাৰ বাবে ছাত্ৰ সকলে গুৰুত্ব দিব লাগে। শিক্ষানুষ্ঠানৰ চৌহদত যাতে গছ-গছনি পৰিপূৰ্ণ আৰু ফলে-ফুলে সুশোভিত হৈ থাকে তাৰ প্ৰতিও দৃষ্টি নিক্ষেপ কৰিব লাগে।

সমাজসেৱা কেৱল শিক্ষানুষ্ঠানতেই সীমিত হৈ থাকিব নালাগে। সামাজিক কৰ্মৰ ক্ষেত্ৰত ছাত্ৰই সমাজৰ পৰিৱেশৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া দেখা যায়। এখন সমাজৰ আভ্যন্তৰীণ আৰু ব্যাহিক এই দুয়োটা পৰিবেশৰ ওপৰতেই ছাত্ৰই গুৰুত্ব দিয়া উচিত।

দেশৰ দহৰ তথা সমাজৰ কল্যানৰ নিমিত্তে ছাত্ৰসকলে কৰিব পৰা অলেখ কাম বা কৰ্তব্য আছে। বিশেষকৈ প্ৰাকৃতিক দুৰ্যোগৰ বেলিকা এনে কাৰ্য মাদক দ্ৰব্য নিবাৰণ কাৰ্য আদি ভালেমান কাৰ্যত ছাত্ৰসকলে উঠিপৰি লগা দেখা যায়। ছাত্ৰসকলে সমাজ সংগঠনৰ কাৰণে গ্ৰাম্য উন্নয়ন আঁচনি কাৰ্যকৰীকৰণ সামাজিক শিক্ষা বয়স্কলোকৰ শিক্ষা প্ৰাথমিক চিকিৎসা আৰু স্বাস্থ্য ৰক্ষা চাফাই আদি কামত অংশ গ্ৰহণ কৰা দেখা যায়।

প্ৰাকৃতিক দুৰ্যোগৰ সময়ত ছাত্ৰসকলে দলবদ্ধভাৱে সংঘবদ্ধ হৈ গাঁৱে-ভুঞে, নগৰে-চহৰে গৈ বিভিন্ন দান বৰঙণি সংগ্ৰহ কৰি বিপদগ্ৰস্তসকলক খাদ্য আৰু কাপোৰ কানিৰে সহায় আগবঢ়োৱা দেখা যায়। সমাজৰ বাবে ছাত্ৰৰ পিয়াত এটোপা পানী জাৰত এখনি বস্ত্ৰ দি সহায় কৰিব পৰাটো ছাত্ৰৰ এটা মহৎ কৰ্তব্যই নহয় মহৎ ধৰ্মও।

সমাজৰ সংগঠনমূলক বহু কাৰ্যতো ছাত্ৰই প্ৰধান পদ পদৰ্শক যাতায়ত স্বৰূপ হৈ পৰে। গাঁওবিলাকৰ যাতায়ত ব্যৱস্থাটো বৰকৈ উন্নত নহয়। মানুহ স্বাস্থ্য ৰক্ষাৰ নীতি নিয়মৰ প্ৰতি আগ্ৰহশীল নহয় চিন্তাত নাই। বৰ্তমান কালৰো পিচৰপৰা সমাজত শিক্ষাৰ প্ৰতি ধাউতি নথকা দেখা যায়। তেনে অৱস্থাত ছাত্ৰসকলৰ পালন কৰিব লগীয়া বহু দায়িত্ব আহি পৰে। তেনে



সমাজক যিকোনো প্ৰকাৰে ছাত্ৰসকলেই শিক্ষামুখী কৰি তুলিব লাগে।

সমাজ সংগঠনৰ ক্ষেত্ৰত ছাত্ৰসমাজৰ সামাজিক শিক্ষাৰ ভূমিকা উল্লেখ কৰিব পাৰি। ছাত্ৰসকলে কিতাপ পত্ৰ সংগ্ৰহ কৰি গাঁৱে গাঁৱে কম খৰচতে পুথি ভঁৰাল প্ৰতিষ্ঠা কৰিব পাৰে। পুথি ভঁৰাল হ'ল গঞা ৰাইজৰ একমাত্ৰ জ্ঞানবিকাশৰ কেন্দ্ৰ। সেয়ে পুথিভঁৰাল প্ৰতিষ্ঠা কৰি গঞা ৰাইজৰ জ্ঞান বিকাশৰ ক্ষেত্ৰত ছাত্ৰসমাজে যথেষ্ট বৰঙণি যোগায়।

সমাজ সংগঠনৰ খাতিৰত ছাত্ৰসমাজে সমাজ সংস্কাৰৰ ক্ষেত্ৰতো এক গুৰুত্বপূৰ্ণ ভূমিকা লয়। বিশেষকৈ সমাজত প্ৰচলিত কু-সংস্কাৰ অন্ধবিশ্বাস আজি দূৰ কৰাৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰা দেখা যায়। ছাত্ৰসমাজে প্ৰচলিত অয়িজ্ঞানিক পুৰণিকলীয়া ৰীতি-নীতি প্ৰত্যাখ্যান কৰি আধুনিক নীতি প্ৰবৰ্তন কৰাৰ ওপৰত গুৰুত্ব দিয়ে। পুৰণি এলান্ধুকলীয়া কিছুমান ৰীতি-নীতি দূৰ কৰাটো ছাত্ৰৰ কৰ্তব্য।

বিহু, তিথি, পূজা-পাৰ্বন উৎসৱ আদিত সহযোগিতা কৰি ৰাইজৰ মাজত নতুন আদৰ্শ দাঙি ধৰিব পাৰে একমাত্ৰ ছাত্ৰ সমাজে। একতাৰ সংহতিৰ আদৰ্শ দাঙি ধৰিব পাৰে ছাত্ৰসমাজে। বৰ্তমান পৃথিৱীত গঢ় লৈ উঠিছে সমবায়ৰ যুগ। বিদ্যালয় সমূহত সমবায় শিক্ষা দিয়া হৈছে। খেতি-বাতি বেহা-বেপাৰ আদিৰ ক্ষেত্ৰত ছাত্ৰ। ক'লে সমবায়ৰ ভূমিকাৰ বিষয়ে মানুহক বুজনি দি সমাজত কেনেধৰণে উন্নতি সাধন কৰিব পাৰে তাৰ আদৰ্শ ছাত্ৰসকলে দেখুৱাব পাৰে।

ছাত্ৰ শক্তি হ'ল একত্ৰিত শক্তি। সাধাৰণ মানুহৰ শক্তিতকৈ ছাত্ৰৰ শক্তিৰ প্ৰাধান্য বেছি। ছাত্ৰৰ হাতত প্ৰৱল উৎসাহ উদ্দীপনা আৰু প্ৰৱল সাহস আছে। সেয়ে ছাত্ৰই সমাজৰ প্ৰতিখোজতে দ্ৰুত গতিত আগবাঢ়িব পাৰে।

ছাত্ৰৰ দুচকুত আছে তীব্ৰ উজ্জ্বল দৃষ্টি আৰু বুকুত দিগন্ত প্ৰসাৰী কল্পনাৰ ৰঙীণ ছবি। লক্ষ্য সাধনত ছাত্ৰৰ প্ৰৱল আগ্ৰহ আছে। জানিবলৈ ব্যগ্ৰ চাবলৈ উগ্ৰীৱ, উৎকণ্ঠা, জ্ঞান লাভৰ তৃষ্ণা অন্ধ সন্ধিৎসু সমাজৰ সদাজাগ্ৰত প্ৰহৰী। সমাজত যদি অন্যায় অবিচাৰ অসত্যতাই দেখা দিয়ে তেন্তে ছাত্ৰসকলে জ্বালামুখীৰ দৰে উদ্‌গীৰণ হয় তাৰ প্ৰতি কাষ বিচাৰি ছাত্ৰসকলে অতিশয় অস্থিৰ আৰু উত্তেজিত হয়।

আজি-কালি ছাত্ৰসকলক সংঘবদ্ধভাৱে আৰু প্ৰণালীবদ্ধভাৱে সমাজ সেৱাৰ কাৰ্যসূচীত ভাগ ল'বৰ বাবে সুযোগ দিব পৰা ভালেমান ৰাষ্ট্ৰীয় সংগঠন আছে। সেই ৰাষ্ট্ৰীয় সংগঠন বিলাকৰ ভিতৰত হৈছে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, স্কাউট আৰু গাইড ৰাষ্ট্ৰীয় সেৱা আঁচনি এন.এচ.এচ আৰু নেহৰু যুৱক কেন্দ্ৰ। এই অনুষ্ঠানবিলাকে দান-ছাত্ৰীক উৎসাহিত কৰা দেখা যায়।

দেশৰ ভৱিষ্যত ছাত্ৰ সমাজে ছাত্ৰ অৱস্থাতে নিজকে ভৱিষ্যতৰ বাবে সু-নাগৰিক ৰূপে গঢ়ি তোলাটো নিতান্ত বাঞ্চনীয়।

চিন্তনীয়

প্ৰকৃতপক্ষেই ইমানবিলাক স্নাতকোত্তৰ, স্নাতক, প্ৰাক্-স্নাতক আৰু আন নিবনুৱাৰ বাবে চাকৰিৰ পদ সৃষ্টি কৰাটো অসম্ভৱ কথা। তাতে বেছি সংখ্যক শিক্ষিত নিবনুৱাৰ একমাত্ৰ অৰ্হতা হৈছে স্কুল-কলেজত শিক্ষকতা কৰিব পৰা।

# ঃ কলেজত যি পঢ়োৱা নহয়


গোপীনাথ চেতিয়া

মাল্টি মিডিয়া এণ্ড ৱেব টেকন'লজি বিভাগ


ন-ন চুক্তিৰ হাতোৰাত অসম চৰকাৰে আৰু কেইবাবছৰলৈ কোনো নতুন নিযুক্তিৰ পথ মুকলি কৰিব নোৱাৰিব। যি নেকি লাখ লাখ নিবনুৱা যুৱক-যুৱতীৰ বাবে এক কুঠাৰাঘাত বুলি বিবেচিত হৈছে। আনহাতে ভূতৰ ওপৰত দানহ পৰাদি অসমত খোপনি পোতা ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহেও বিশ্বজুৰি চলা অৰ্থনীতিৰ মন্দাৱস্থাৰ দোহাই দি তেওঁলোকৰ চাকৰিয়ালক অব্যাহতি দিছে। আশা কৰিব পাৰি, ব্যক্তিগত খণ্ডই এই চৰম বিত্তীয় খহনীয়াৰ পৰা শিক্ষা লাভ কৰি অদূৰ ভৱিষ্যতেও যিমান পাৰি কম জনবল ব্যৱহাৰ কৰি প্ৰতিষ্ঠানৰ ভেটি মজবুত কৰাত গুৰুত্ব দিব। আৰু এই সমগ্ৰ প্ৰক্ৰিয়াই মাধমাৰ সোধাব বিশ্বৰ লগতে অসমৰ লাখ লাখ নিবনুৱাক।

লক্ষ্য কৰিবলগীয়া যে মাজে মাজে চৰকাৰ বিৰোধী শ্লগান দি নিযুক্তিৰ দাবী তুলিলেও আধাতকৈ বেছি সংখ্যক চাকৰিকাংক্ষী নিবনুৱাই নিজকে এটা ব্যক্তিগত খণ্ডৰ বা বহুজাতিক প্ৰতিষ্ঠানৰ চাকৰিৰ বাবে যোগ্য কৰি তোলা দেখা নাযায়। অসম মূলুকৰ চৰকাৰী চাকৰিৰ নিযুক্তিৰ ক্ষেত্ৰত প্ৰাৰ্থীৰ যোগ্যতা, বাচনি প্ৰক্ৰিয়া আওহতীয়া কৰি ৰখা হ'লেও ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহত বায় দাটা জমা দিব পৰাকৈ অসমৰ লাখ লাখ নিবনুৱা যে অযোগ্য, তাক কোনেও নুই কৰিব নোৱাৰে। তাতে ভৌগোলিক কাৰণতে বা আন আনুষাংগিক কাৰণতে হওঁক অসমলে থলুৱা নিযুক্তিৰ প্ৰৱল সম্ভাৱনা থকা ব্যক্তিগত প্ৰতিষ্ঠানৰ আগমন আশাব্যঞ্জক নহয়। চকুত লগা কথা হ'ল- অসম আজিও উদ্যোগীকৰণৰ নামত শূন্য অৱস্থাতে আছে। অপ্ৰিয় সত্য, অসমীয়াই বৃটিছে যি দি গ'ল তাকে লৈ হাত সাৰটি বহি আছে।

প্ৰকৃতপক্ষেই ইমানবিলাক স্নাতকোত্তৰ, স্নাতক, প্ৰাক্-স্নাতক আৰু আন নিবনুৱাৰ বাবে চাকৰিৰ পদ সৃষ্টি কৰাটো অসম্ভৱ কথা। তাতে বেছি সংখ্যক শিক্ষিত নিবনুৱাৰ একমাত্ৰ অৰ্হতা হৈছে স্কুল-কলেজত শিক্ষকতা কৰিব পৰা। তাৰ বাহিৰে কোনো বিভাগতে পোনপটীয়াকৈ মকৰল হ'ব পৰা অৰ্হতা স্কুল-কলেজত বিশ্ববিদ্যালয়ত তেওঁলোকে লাভ কৰিব নোৱাৰিলে। যাৰ বাবে প্ৰয়োজন আহি পৰিছে প্ৰচলিত শিক্ষা ব্যৱস্থাৰ ওপৰত এটি বিশেষ পৰ্যালোচনা আৰু আশা কৰিব পাৰি এই পৰ্যালোচনাই বাট মুকলি কৰিব শিক্ষা ব্যৱস্থা আৰু বিষয়সমূহৰ আমূল পৰিবৰ্তনৰ।

পৰিস্থিতি আৰু ভয়ঙ্কৰ হোৱাৰ আগতেই বৰ্তমান বা অদূৰ ভৱিষ্যতে নিয়োগৰ সুবিধা থকা ক্ষেত্ৰৰ বাবে ছাত্ৰ-ছাত্ৰীক অৰ্হতা প্ৰাপ্ত কৰি তুলিব পৰা বিষয়সমূহ (ব্যৱহাৰিক-অব্যৱহাৰিক) শিক্ষানুষ্ঠানসমূহত অন্তৰ্ভূক্ত কৰাৰ বৰ্তমান অতীব প্ৰয়োজন। যিটো নেকি বহুবোৰ বিশ্ববিদ্যালয়, মহাবিদ্যালয়ে দেশৰ বাহিৰে-ভিতৰে কৰি দেখুৱাইছে। আৰু আজি তেনে এটা শৈক্ষিক বিপ্লৱৰ প্ৰয়োজন অসমৰ প্ৰতিখন বিদ্যালয়ৰ পৰা মহাবিদ্যালয়-বিশ্ববিদ্যালয়লৈকে, এই ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা হ'ব লাগিব চৰকাৰৰ। বুদ্ধিজীৱী সকলে পাঁচবছৰৰ পিচত শাসনৰ বাঘজৰী চম্ভালিব তাৰ সমীক্ষা বাতৰি কাকতত লিখাতকৈ আৰু গবেষক সকলে ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাটি কিয় পলসুৱা তাৰ গৱেষণাপত্ৰ প্ৰস্তুত কৰি ডিগ্ৰী লোৱাতকৈ এনেধৰণৰ গুৰুত্বপূৰ্ণ দিশত মনোনিবেশ কৰাটো আজিৰ অসমৰ লাখ লাখ নিবনুৱা তথা আহি থকা প্ৰজন্মৰ বেছি কাম্য। তেওঁলোকৰ প্ৰশ্ন- ই, কি চিন্তনীয় নহয়?

**"কৃষি কৰ্ম নাবাঢ়িলে বাণিজ্য নাবাঢ়ে; সেইবাবে দুইকো অনুশীলন কৰিবলৈ যত্ন কৰা।"**

*-আনন্দৰাম ঢেকীয়াল ফুকন।*



ভাৰতৰ মহাকাশ কৰ্মসূচীৰ এটা অতি উল্লেখননীয় পদক্ষেপ আছিল ১৯৭৫ চনত ১৯ এপ্ৰিলত প্ৰথমটো ভাৰতীয় কৃত্ৰিম উপগ্ৰহ 'আৰ্যভট্ট' (ওজন আছিল ৩৫০ কি.গ্ৰা.)ক মহাকাশত স্থাপন কৰা।

# সাফল্যৰ দিশত ভাৰতৰ মহাকাশ বিজ্ঞান

দৰ্শন জ্যোতিবড়া
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

অনাদি কালৰে পৰা জীৱশ্ৰেষ্ঠ মানুহে নজনাকে জানিবলৈ দুৰ্বাৰ আগ্ৰহ প্ৰকাশ কৰি আহিছে। সময়ৰ অগ্ৰগতি লগে লগে জ্ঞানপিপাসু মানুহে পৃথিৱীৰ পৰিসৰৰ মাজতে আৱদ্ধ নাথাকি মহাকাশৰ ৰহস্যৰ তত্ব উৎঘাটনত ব্ৰতী হ'বলৈ ধৰিলে। ১৯০৩ চনত পোন প্ৰথম বাৰৰ বাবে মানুহে আকাশত উৰাৰ স্বপ্ন বাস্তাৱায়িত কৰাৰ লগে লগে অনুসন্ধিৎসু বিজ্ঞানীসকলে আজিও মহাকাশৰ বিষয়ে ন-ন তথ্য উৎঘাটনৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

মহাকাশ বিজ্ঞানৰ ইতিহাসত কুৰি শতিকাই যুগান্তকাৰী শতিকা হিচাপে চিহ্নিত হৈ ৰ'ব। কাৰণ, এই শতিকাতে ১৯৫৭ চনৰ 4 অক্টোবৰতত ছোভিয়েট ৰাচিয়াই মহাকাশত প্ৰথমটো কৃত্ৰিম উপগ্ৰহ স্পুটনিক-১ স্থাপন কৰিবলৈ সক্ষম হৈছিল। মানুহৰ বিবৰ্তনৰ ইতিহাসত এয়ে প্ৰথম এটা মানৱ নিৰ্মিত কৃত্ৰিম উপগ্ৰহে পৃথিৱীৰ চাৰিওফালে পৰিভ্ৰমণ কৰিলে। ইয়াৰ এমাহৰ পিছতেই উৎক্ষেপন কৰা স্পনিক-২ নামৰ উপগ্ৰহটোত মহাকাশলৈ প্ৰথম বাৰৰ বাবে জীৱিত প্ৰাণী 'লাইকা' নামৰ এটা কুকুৰ পঠিওৱা হৈছিল। ১৯৬৯ চনৰ ২১ জুলাইত প্ৰথম বাৰৰ বাবে চন্দ্ৰত মানুহৰ পদাৰ্পন সম্ভৱ কৰি তুলিছিল আমেৰিকা যুক্তৰাষ্ট্ৰই। এই দুয়োটাই আছিল বিজ্ঞানৰ চমকপদ ঘটনা। এতিয়া মহাকাশলৈ মানুহৰ যাত্ৰা কোনো চাঞ্চল্যকৰ বাতৰি নহয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'ডিস্ক'ভাৰী' নামৰ মহাকাশ যানখনে বাৰম্বাৰ মহাকাশলৈ মহাকাশচাৰী সহ যাত্ৰা কৰি সফলতাৰে পুণৰ পৃথিৱীলৈ উভতি আহিছে। আমেৰিকা যুক্তৰাষ্ট্ৰই আনকি মঙ্গল গ্ৰহতো মানৱ বিহীন যানৰ অৱতৰণ কাৰ্য সমাপন কৰিছে। সম্প্ৰতি সমগ্ৰ বিশ্বতে মহাকাশ বিজ্ঞানে গুৰুত্ব লাভ কৰাৰ লগে লগে বহুতো ৰাষ্ট্ৰই এই ক্ষেত্ৰত সাফল্য অৰ্জন কৰিবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ৰাচিয়াৰ পিচতে মহাকাশ গৱেষণা কাৰ্যত সাফল্য অৰ্জন কৰাৰ অন্যতম ৰাষ্ট্ৰখনেই হ'ল ভাৰত। প্ৰণিধানযোগ্য যে, ভাৰতে শান্তিৰ স্বাৰ্থত মহাকাশ গৱেষণা কাৰ্যত অগ্ৰগতি লাভ কৰাৰ লগতে মহাকাশত নিজাববীয়াকৈ কৃত্ৰিম উপগ্ৰহ প্ৰতিষ্ঠাত সক্ষম হোৱা বিশ্বৰ প্ৰথমখন উন্নয়নশীল ৰাষ্ট্ৰ।

ভাৰতৰ মহাকাশৰ গৱেষণাৰ ক্ষেত্ৰত এক সুদীৰ্ঘ ইতিহাস আছে। দেশে স্বাধীনতা লাভ কৰাৰ পিচত এই ক্ষেত্ৰত প্ৰথমটো পদক্ষেপ গ্ৰহণ কৰা হৈছিল ১৯৬২ চনত। উল্লেখযোগ্য যে, সেইসময়ত দেশত মহাকাশ বিজ্ঞানৰ কথা সুকীয়া বিভাগ নাছিল। দেশখনত থকা পাৰমানৱিক শক্তি বিভাগেই এইক্ষেত্ৰত কাম কৰি আহিছিল। এই পাৰমানৱিক শক্তিবিভাগত উদ্যোগৰ ১৯৬২ চনত গঠন কৰা হয় 'মহাকাশ গৱেষণাৰ বাবে ভাৰতীয় ৰাষ্ট্ৰীয় সমিতি' (Indian National Committee For Space Research) সংক্ষেপে INCOSPAR। এই সমিতিখনৰ উদ্যোগত কেৰেলাৰ ত্ৰিবান্দ্ৰমৰ ওচৰত স্থাপন কৰা হয় "থুম্বা বিষুৱ ৰৈখিক ৰকেট ক্ষেপন কেন্দ্ৰ" (Thumba Equatorial Rocket Launching Station) সংক্ষেপে TERLS। ১৯৬৩ চনৰ ২১ নৱেম্বৰত এই কেন্দ্ৰটোত পৰা ৰাষ্ট্ৰ সংঘৰ উদ্যোগত বতৰ অধ্যয়নৰ বাবে এটা ছাণ্ডিং ৰাকেট সফল উৎক্ষেপন কৰা হয়। ভাৰতৰ আধুনিক মহাকাশ অভিযানৰ এয়াই আছিলো প্ৰথম কাৰ্যসূচী। ১৯৬৯ চনত পাৰমানৱিক শক্তি বিভাগে ভাৰতীয় মহাকাশ গৱেষণা সংগঠন (Indian Space Research Organisation) সংক্ষেপে ISRO প্ৰতিষ্ঠা কৰে। ইয়াৰ মুখ্য কাৰ্যালয় বাংগালোৰত অৱস্থিত। ১৯৭২ চনত ভাৰত চৰকাৰে আৰ্থসামাজিক প্ৰগতিৰ বাবে মহাকাশ বিজ্ঞান আৰু প্ৰযুক্তি ব্যৱহাৰ কৰিবলৈ সুকীয়াকৈ মহাকাশবিভাগ প্ৰতিষ্ঠা কৰে।

ভাৰতৰ মহাকাশ কৰ্মসূচীৰ এটা অতি উল্লেখননীয় পদক্ষেপ আছিল ১৯৭৫ চনত ১৯ এপ্ৰিলত প্ৰথমটো ভাৰতীয় কৃত্ৰিম উপগ্ৰহ 'আৰ্যভট্ট' (ওজন আছিল ৩৫০ কি.গ্ৰা.)ক মহাকাশত স্থাপন কৰা। ইয়াৰ পিচত ক্ৰমে ১৯৭৯ চনৰ জুনত আৰু ১৯৮১ চনৰ ২০ নৱেম্বৰত ভাস্কৰ-১ আৰু ভাস্কৰ-২ (দুয়োটা ওজন আছিল ৪৪৪ কি.গ্ৰা.)ক মহাকাশ কক্ষত স্থাপন কৰা হয়। অৱশ্যে সেই সময়ত ভাৰত উপগ্ৰহ নিক্ষেপণত স্ব-নিৰ্ভৰশীল নোহোৱাৰ বাবে ৰাছিয়াৰ সহযোগত উৎক্ষেপন কাৰ্য সমাপন কৰিব লগা হৈছিল।

ইয়াৰ সফল সমাপ্তিৰ পিচতে ভাৰতে নিজাববীয়াকৈ উৎক্ষেপন মান নিৰ্মাণ কৰে। ভাৰতে সাজি উলিওৱা লাঞ্চ ভেছিকল SLV-3 ৰ জৰিয়তে ৰোহিনী উপগ্ৰহ (ওজন আছিল ৩৫ কি.গ্ৰা.)ক মহাকাশলৈ ভাৰতৰ শ্ৰীহৰিকোটৰ পৰা উৎক্ষেপন কৰা হৈছিল। তাৰ পাছত ক্ৰমে এপল উপগ্ৰহ, ইনছাট নামৰ সংযোগ উপগ্ৰহ, আই, আৰ, এছ নামৰ সুদূৰ সংবেদী উপগ্ৰহ আদি নানা উপগ্ৰহ আৰু উৎক্ষেপনক যন্ত্ৰ নিৰ্মাণ তথা উৎক্ষেপন উল্লেখনীয় কাৰ্যসূচীয়ে ভাৰতীয় মহাকাশ বিজ্ঞানীসকলে সমগ্ৰ বিশ্বতে দেশৰ নাম উজ্বলাইছে। সম্প্ৰতি ভাৰতৰ উদয়পুৰ, সোধপুৰ, আহমেদাবাদ, মাউণ্ট আবু, নাগপুৰ, বাংগালোৰ, হাছন নতুন দিল্লী ডেৰাবুন, লক্ষ্ণৌ, শ্বিলং, হায়দৰাবাদ, তিৰুপতি, পটব্লেয়াৰ এলুভা আৰু মহেন্দ্ৰগিৰিত মহাকাশ কেন্দ্ৰ বিস্তাৰ হৈ আছে।

বৰ্তমান ভাৰতৰ উপগ্ৰহ বোৰক দুটা প্ৰধান ভাগত ভগোৱা হৈছে ১। ভাৰতীয় ৰাষ্ট্ৰীয় উপগ্ৰহ (Indian National Satellite) সংক্ষেপে INSAT পদ্ধতি আৰু ২। ভাৰতীয় যুদ্ধৰ সংবেদী (Indian Remote Sensing সংক্ষেপে IRS) পদ্ধতি।

১। ভাৰতীয় ৰাষ্ট্ৰীয় উপগ্ৰহ চমুকৈ ইনচাট পদ্ধতি ঃ ইনছাট পদ্ধতি হৈছে ভাৰতৰ কেইবাটাও বিভাগৰ যুটীয়া প্ৰচেষ্টাৰ সমল পৰিণতি। এই শ্ৰেণীৰ উপগ্ৰহৰ সৈতে জড়িত হৈ থকা চৰকাৰী বিভাগসমূহ হৈছে মহাকাশ বিজ্ঞান বিভাগ, টেলিকমিউনিকেশ্বন বিভাগ, ভাৰতীয় বতৰ বিজ্ঞান বিভাগ, অইল ইণ্ডিয়া ৰেডিঅ' আৰু দূৰদৰ্শন। অৱশ্যে মহাকাশত (INSAT) ইনছাটৰ সকলো কাৰ্য সমাধানৰ দায়িত্ব মহাকাশ বিজ্ঞান বিভাগৰ দূৰদৰ্শনৰ ৰাষ্ট্ৰীয় কাৰ্যসূচী সমূহ পৃথিৱীৰ যিকোনো ঠাইতে হোৱা এখন খেল দূৰদৰ্শনত সকলো ঠাইতে একেলগে দেখা পোৱা, টেলিফোনেৰে দূৰদৰ্শনলৈ কথাপতা, ইণ্টাৰনেট ব্যৱস্থা আদি হৈছে ভাৰতৰ ক্ষেত্ৰত ইনছাটৰ অৱদান।

১৯৮৩ চনত ইনছাট পদ্ধতি প্ৰথম প্ৰৱৰ্তন কৰা হয়। ইয়াৰ প্ৰথম সফল উৎক্ষেপন আছিল ১৯৮৩ চনত ৩০ আগষ্টত INSAT-1B নামৰ উপগ্ৰহটো। এই প্ৰজন্মৰ শেষ উপ-গ্ৰহটো হৈছে INSAT-1D। বতৰ আৰু জলবায়ু সম্পৰ্কে বিভিন্ন তথ্য সৰবৰাহ আৰু জলবায়ু সম্পৰ্কে বিভিন্ন তথ্য সফবৰাহ আৰু যোগাযোগ সেৱা আগবঢ়াই থকা এই উপগ্ৰহটোক ১৯৯০ চনৰ ১২ জুনত উৎক্ষেপন কৰা হৈছিল।

পৰৱৰ্তী পৰ্যায়ত ভাৰতে INSAT-2A চিৰিজৰ ভাৰতীয় আৰ্হিৰে নিৰ্মিত উপগ্ৰহৰ আঁচনি গ্ৰহণ কৰে। এই আঁচনিৰ দ্বাৰা INSAT-2A ক ১৯৯২ চনৰ ২০ জুলাইত, INSAT-2B ক ১৯৯৩ চনৰ ২৩ জুলাইত ফ্ৰান্সৰ সহায়ত এৰিয়াল লাঞ্চ ভেৰিকলৰ দ্বাৰা উৎক্ষেপন কৰা হৈছিল। এই দুয়োটা উপগ্ৰহে দূৰদৰ্শন, ৰেডিঅ' আৰু জলবায়ুৰ ক্ষেত্ৰত সেৱা আগবঢ়াই আহিছে।

১৯৯৫ চনৰ ৭ ডিচেম্বৰত ভাৰতে মহাকাশত স্থাপন কৰে INSAT-2c । বহুতো অত্যাধুনিক যন্ত্ৰপাতি কঢ়িয়াই নিয়া এই উপগ্ৰহটোৱে যোগাযোগ ব্যৱস্থাত সহায় আগবঢ়াই আহিছে। ইয়াৰ পিচত ১৯৯৭ চনৰ ৪ জুনত ভাৰতে



INSAT-2D নামৰ উপগ্ৰহটো উৎক্ষেপন কৰিছিল যদিও সেইবছৰৰ ৪ অক্টোবৰত ই কাৰিকৰী বিজুতিৰ বাবে বিফল হৈ পৰে। ভাৰতে পুনৰ ১৯৯৯ চনৰ ৩ এপ্ৰিলত INSAT-2E , ২০০৬ চনৰ ২২ মাৰ্চত INSAT-3B আৰু ২০০২ চনৰ ১২ চেপ্তেম্বৰত INSAT-3Cৰ সফল উৎক্ষেপন কৰে।

ভাৰতীয় সুদূৰ সংবেদী (Indian Remote Sensins সংক্ষেপে IRS) পদ্ধতি ঃ (IRS) আৰু আই এচ পদ্ধতিৰ জৰিয়তে ভাৰতৰ সকলো সুদূৰ সংবেদী উপগ্ৰহ উৎক্ষেপন, তথ্য সংগ্ৰহ সম্পৰ্কীয় গৱেষণা চলি আহিছে। মহাকাশৰ পৰা পৃথিৱীৰ সাগৰীয় ধুমুহা, আগ্নেয়গিৰি,বানপানী তথা ভূ-পৰ্ষ্ঠ, ভূ-গৰ্ভ, পৰিবেশনতন্ত্ৰ আদিৰ তথ্য সংগ্ৰহ ছবি গ্ৰহণ আদি সুদূৰ সংবেদী উপগ্ৰহৰ দ্বাৰা সম্পন্ন কৰা হয়।

ভাৰতৰ প্ৰথমটো সুদূৰ সংবেদী উপগ্ৰহ IRS-1A (ওজন আছিল ৯৭৫ কি.গ্ৰা.)ক ১৯৮৮ চনৰ ১৭ মাৰ্চ তাৰিখে ছোভিয়েট ৰাছিয়াৰ বৈকানুৰ নিক্ষেপন কেন্দ্ৰৰ পৰা মহাকাশলৈ উৎক্ষেপণ কৰা হয়। তাৰ পাছত ১৯৯৭ চনৰ ২৯ চেপ্তেম্বৰত PSLV-C1নামৰ উৎক্ষেপন যানৰ জৰিয়তে ভাৰতে IRS-1D নামৰ উপগ্ৰহটো মহাকাশলৈ সফলতাৰে উৎক্ষেপন কৰে। বৰ্তমান আই আৰ এচ পদ্ধতিৰ অধীনস্থ উপগ্ৰহ সমূহ হৈছে- IRS-1B, IRS-1C, IRS-1D, IRS-P3, IRS-P4 আদি।

মহাকাশ বিজ্ঞানক যিদৰে শান্তি আৰু উন্নয়নৰ স্বাৰ্থত ব্যৱহাৰ কৰিব পাৰি। সেইদৰে ইয়াক ধংসাত্মক কাৰ্যতো ব্যৱহাৰ কৰিব পৰা যায়। মহাকাশ বিজ্ঞানক চোৰাং-চোৰাগিৰি, ক্ষেপনাস্ত্ৰ প্ৰক্ষেপণ আদি বিভিন্ন কাৰ্যত ব্যৱহাৰ কৰিব পাৰি। ভাৰতে ইতিমধ্যে অগ্নি, পৃথিৱী, ত্ৰিশূল আকাশ নাগ আদি ক্ষেপনাস্ত্ৰ সফল পতীক্ষণ কৰি বিশ্বত এখন শক্তিশালী ক্ষেপনাস্ত্ৰ শক্তি সম্পন্ন ৰাষ্ট্ৰ হিচাপে পৰিগণিত হৈছে। অৱশ্যে ভাৰতে এই সকলোবোৰ বৰ্তমানলৈকে শান্তিৰ স্বাৰ্থতে ব্যৱহাৰ কৰি আহিছে।

বৰ্তমান ভাৰতৰ দৰে উন্নয়নশীল ৰাষ্ট্ৰই মহাকাশ গৱেষণাত কৰা সাফল্যই সমগ্ৰ বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰাৰ লগতে এক সুকীয়া আসন দখল কৰিবলৈ সক্ষম হৈছে। ই সম্ভৱ হৈছে ড° বিক্ৰম ছাৰাভাই, ড° এ.পি.জে আব্দুল কালাম, ড° সতীশ ধাৱন, ড° ব্ৰহ্মাৰ দৰে একাংশ ভাৰতীয় মহান বিজ্ঞানীৰ আশা, একাগ্ৰতা, নিষ্ঠা, নিৰৱিচ্ছিন্ন প্ৰচেষ্টা আৰু ত্যাগৰ বাবে। পূৰ্বৰ সাফল্যলৈ চাই অদূৰ ভৱিষ্যতে ভাৰতে মহাকাশ বিজ্ঞানত অধিক অগ্ৰগতি লাভ কৰি বিশ্বৰ দৰবাৰত নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ সক্ষম হ'ব বুলি আশা কৰিব পাৰি।

বিঃদ্ৰঃ অষ্টমমান শ্ৰেণীত বিজ্ঞানসন্মত এখন কিতাপ পঢ়িছিলো তাৰ অলপ আৰ্হি পৰিছে। সেই কিতাপখনৰ নাম মই দুৰ্ভাগ্যক্ৰমে পাহৰিছো। যদিও মোৰ সামৰিক জ্ঞানৰ দ্বাৰা প্ৰস্তুত কৰিছোঁ।

সাম্প্ৰতিক কালত

# বৃত্তীয় শিক্ষাৰ প্ৰভাৱ

অংগনা চেলেং

স্নাতক প্ৰথম বৰ্ষ



বৃত্তিমূলক শিক্ষাই বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীক উপকৃত কৰাৰ লগতে দেশত অৰ্থনৈতিক বিকাশত যথেষ্ট অৰিহণা যোগাইছে। প্ৰত্যেকেই নিজৰ ক্ষমতাৰ উপপযোগী বৃত্তি নিৰ্বাচন কৰি নিজকে কৰ্মত উপযোগী কৰি ৰাখিছে। যাৰ বাবে শিক্ষা আৰু বৃত্তিৰ মাজত এটা ঘনিষ্ঠ সমন্ধ স্থাপন হৈছে ......................

শিক্ষাই মানুহক জ্ঞান প্ৰদান কৰি বৌদ্ধিক মানসিক বিকাশ সাধন কৰাৰ লগতে বাস্তৱ জীৱনত নিজৰ যোগ্যস্থান প্ৰদান কৰে। শিক্ষাৰ্থীক উৎপাদনমুখী আৰু ভৱিষ্যতে স্বাৱলম্বী কৰি তুলিবলৈ চেষ্টা কৰাটো শিক্ষাৰ অন্যতম লক্ষ্য। যি শিক্ষাৰ যোগেদি মানুহে নিজকে যিকোনো বৃত্তিতে উপযুক্ত কৰি তুলিব পাৰে তাকে বৃত্তিমূলক শিক্ষণ বোলে। এই শিক্ষাই মানুহৰ মনৰ পৰিৱৰ্তন ঘটায় আৰু ইয়াৰ ধাৰণা সদায় বৰ্তমানমুখী।

বৰ্তমান যুগটো হ'ল প্ৰতিযোগিতাৰ যুগ। এই প্ৰতিযোগিতাত পৰিৱৰ্তনশীল সমাজত মানুহৰ মনত মূল্যবোধ আৰু প্ৰয়োজনৰো ক্ৰমান্বয়ে পৰিৱৰ্তন হৈ আহিছে। মানুহে আনুষ্ঠানিক শিক্ষা আহৰণ কৰে জীৱনত নিজকে উপযুক্তভাৱে গঢ়ি তুলিবলৈ। উপযুক্ত শিক্ষা আহৰণ কৰাৰ পিছত এজন লোকে যদি অৰ্থোপাজন কৰিব নোৱাৰে তেনেহ'লে সেই শিক্ষাই তেওঁক প্ৰৱঞ্চনা কৰাৰ দৰে হয়। সেইবাবে বৰ্তমান সময়ত মানুহৰ মন বৃত্তীয় শিক্ষাৰ ফালে ধাৱমান হৈছে। শিক্ষা আৰু কৰ্মসংস্থাপনৰ সমন্ধই মানুহৰ চিন্তাধাৰাবোৰ উন্নত কৰিছে। যাৰ যোগেদি মানুহে সুন্দৰ কেৰিয়াৰ গঠন কৰিব পাৰিছে। সাম্প্ৰতিক সময়ত বিজ্ঞানৰ প্ৰভাৱত শিক্ষাৰ প্ৰতিটো দিশতে মানুহে স্বাৱলম্বী হ'ব পাৰিছে। খেল-ধেমালি,সাহিত্য চৰ্চা, সংগীত, নৃত্য, চিকিৎসা আদি প্ৰতিটো বিষয়ৰ প্ৰতি মানুহৰ এই বিষয়সমূহৰ সম্পৰ্কে জ্ঞান আহৰণ কৰি সমাজত নিজকে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছে। নিজকে উচ্চ স্থানত ৰাখিবলৈ প্ৰয়াস কৰে। শিক্ষা অনুষ্ঠান আৰু কৰ্ম-সংস্থাপনৰ মাজত থকা যোগসূত্ৰৰ বাবেই মানুহে যিকোনো বৃত্তিতে অৰ্থোপাৰ্জন কৰি স্বাৱলম্বী পাৰিছে আৰু সেই বৃত্তিৰ যোগেদিয়েই মানৰ কল্যাণ সাধনৰ লগতে সমাজৰো উন্নতি সাধন কৰিছে। বৰ্তমান সময়ত শিক্ষাৰ আত্মিক প্ৰয়োজনতকৈ আৰ্থিক প্ৰয়োজনৰ ওপৰত বেছি গুৰুত্ব দিয়া হৈছে। যিহেতু কৰ্মমুখী আৰু বিজ্ঞানমুখী সমাজ ব্যৱস্থাই অৰ্থ প্ৰয়োজনীয়তাতহে প্ৰাধান্য দিছে। সেয়েহে বুদ্ধি-বৃত্তিত নিম্নমানৰ ছাত্ৰ-ছাত্ৰীসকলেও যিকোনো প্ৰকাৰৰ বৃত্তিমূলক শিক্ষা আহৰণ কৰি নিজকে উপযুক্ত আৰু অৰ্থনৈতিকভাৱে উৎপাদনশীল ব্যক্তি হিচাপে গঢ়ি তুলিব পাৰিছে। ইয়াৰ যোগেদিয়েই মানৰ সম্পদৰ উপযুক্ত প্ৰয়োগ আৰু বিকাশ সাধন সম্ভৱপৰ হৈছে। এনেবোৰ কাৰণতে বৃত্তীয় শিক্ষাৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে। বৃত্তিমূলক শিক্ষাই ক্ৰিয়াৰ যোগেদি শিক্ষা (hearning by doing) পদ্ধতিৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰি তুলিছে। শিক্ষাৰ্থীৰ মনত কৰ্মৰ প্ৰতি সুস্থ মনোভাৱ সৃষ্টি কৰাৰ উদ্দেশ্যেৰে বিদ্যালয়ৰ পাঠ্যক্ৰমত কৰ্ম অভিজ্ঞতা আৰু বৰ্তমান সামাজিকভাৱে উপযোগী উৎপাদনমুখী ক্ৰিয়া-কলাপ আদি সন্নিৱিষ্ট কৰা হৈছে। বৃত্তিমুখী শিক্ষাই ছাত্ৰ-ছাত্ৰীক কৰ্মমুখী কৰি তুলিছে। শিক্ষাৰ আন প্ৰকাৰৰ লক্ষ্যবোৰ যিয়েই নহওক কিন্তু বৃত্তীয় শিক্ষাই উপযুক্ত উপাৰ্জনৰ বাট মুকলি কৰি দিয়ে।

বৃত্তিমূলক শিক্ষাই বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীক উপকৃত কৰাৰ লগতে দেশত অৰ্থনৈতিক বিকাশত যথেষ্ট অৰিহণা যোগাইছে। প্ৰত্যেকেই নিজৰ ক্ষমতাৰ উপপযোগী বৃত্তি নিৰ্বাচন কৰি নিজকে কৰ্মত উপযোগী কৰি ৰাখিছে। যাৰ বাবে শিক্ষা আৰু বৃত্তিৰ মাজত এটা ঘনিষ্ঠ সমন্ধ স্থাপন হৈছে আৰু উচ্চ শিক্ষা আহৰণ কৰিবলৈ সামৰ্থ নথকা শিক্ষাৰ্থীসকলে কৰ্মজগতত ভৰি দিছে। গতিকে বৃত্তিয় শিক্ষাৰ প্ৰভাৱত অভিভাৱক সকলৰ সন্দেহ আৰু অনিশ্চয়তাবোৰ আঁতৰ কৰিছে। আৰু তেওঁলোকৰ অনুপ্ৰেৰণাত পাই ছাত্ৰী-ছাত্ৰীসকলে যিকোনো বিষয়ৰ প্ৰতি আগ্ৰহী হৈছে। তাৰ ফলস্বৰূপে শিক্ষা ব্যৱস্থাৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে।

'সাম্ৰাজ্যবাদ আৰু ধনতন্ত্ৰবাদ এই দুয়োটাই পৃথিৱীৰ বুৰঞ্জীত সংস্কৃতিৰ ৰূপত ছদ্মবেশী দুষ্কৃতিৰ পূৰ্ণৰূপ।'

-জ্যোতিপ্ৰসাদ আগৰৱলা

# "বন্ধুত্ব"



জীৱন ফুলনিৰ এপাহ গোলাপ

চৰ্যানিকা বড়া
স্নাতক প্ৰথম বৰ্ষ

> "মোৰ আগে আগে নাযাবা, তোমাক মই অনুসৰণ কৰিবলৈ অসমৰ্থ, মোৰ পাছে পাছে নাহিবা, মই তোমাক নেতৃত্ব দিবলৈ অযোগ্য, মোৰ কাষে কাষে হাতে হাত ধৰি খোজ দিয়া আৰু মোৰ বন্ধু হোৱা।"

মানুহ পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। এই নিৰ্ভৰশীলতাৰ বাবেই মানুহে হেজাৰ দুখ-কষ্ট যন্ত্ৰণাৰ মাজতো আন এজন কাষত বিচাৰে সহায় বিচাৰে, আন এজনৰ সংগ কামনা কৰে। ধন সম্পত্তি যিমানেই নাথাকক মানুহ একপ্ৰকাৰে দুৰ্বল হৈ থাকে। সাহচৰ্য্যৰ মূলতেই হ'ল "বন্ধুত্ব"।

বন্ধুত্বৰ বোধ ওপজে ব্যক্তিৰ অন্তনিহিত মানসিকতাৰ। একে পেছা, একে নিচা, ওচৰৰ অৱস্থান- বন্ধুত্বৰ বাবে প্ৰয়োজন নোহোৱাটোৱেই স্বাভাৱিক। বহু সময়ত কোৱা হয় বন্ধুত্ব ঠুনুকা। বিশ্বাসযোগ্যতাৰ অভাৱতে বন্ধুত্ব নাশ হোৱা সম্ভাৱনা থাকে। ক্ষমতা থকা অৱস্থাত মানুহৰ বন্ধুৰ অভাৱ নহয়। নানা স্বাৰ্থত মানুহে ক্ষমতাহীনৰ সৈতে বন্ধুত্ব পাতিবলৈ আগ্ৰহী হৈ থাকে। কিন্তু ক্ষমতাৰ পৰা অপসাৰিত হোৱাৰ লগে লগে তেনেলোকৰ সৈতে বহুতে বন্ধুত্বৰ এনাজৰী অটুট ৰাখিবলৈ অনিচ্ছুক হৈ পৰে। স্বাৰ্থনিৰ্ভৰ এনে বন্ধুত্ব অতিশয় ঠুনুকা হয়।

আচলতে মানুহ যিমানেই উচ্চ বা নিম্ন স্থানত উপবিষ্ট নহওক তেওঁক সদায় বন্ধুত্বৰ প্ৰয়োজন। আনন্দ মুহূৰ্ত ভগাই দ্বিগুণ কৰিবলৈ দুখৰ মুহূৰ্ত ভগাই আধা কৰিবলৈ, হতাশাৰ মুহূৰ্ত আশাৰে ৰঙীন কৰিবলৈ, দুৰ্বল মুহূৰ্ত সবল অনুভৱ কৰিবলৈ প্ৰত্যেককে বন্ধুৰ প্ৰয়োজন। বহুতে ক'ব বিচাৰে কায়িক বন্ধুৰ অবিহনে কিতাপ আদিত বিফল নোহোৱা বন্ধু হ'ব পাৰে। কিন্তু তেজ-মঙহৰ বন্ধুৰ ব্ৰেকনে উল্লেখ কৰিছে যে- "Heading good books of morality is a little flat and dead. Observing our faults in athers is something unproper for our lase. But the best recipt is the admonition of a frina." ব্ৰেকনে আৰু কৈছিল যে জীৱনত যদি কোনোবাই কাৰো সৈতে বন্ধুত্ব কৰিব পৰা নাই তেন্তে তেওঁ মঞ্চ ত্যাগ কৰাই ভাল। If he have not a friend, he many quite the stage কথোপকথনৰ দ্বাৰা বন্ধুত্বই পূৰ্ণাংগ ৰূপ লাভ কৰিবলৈ সক্ষম হয়। সেইবুলি বন্ধুৰ আগত জীৱনৰ একেখিনি দুখ বা সমস্যা আওৰাই থকাটো উচিত নহয়। বন্ধুক সদায় বন্ধু বুলি স্বীকৃতি দিব লাগে। অতীতত ঘটা ব্যক্তিগত জীৱনৰ সংঘাট, বিশ্বাসঘাটকতাৰ অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰি বন্ধুৰ আৱেগ আৰু দৃষ্টিভংগীক ভুল অসিদ্ধ আদি বুলি প্ৰতিপন্ন কৰিব নালাগে। বন্ধুৱে কথা কৈ থকাৰ সময়ত তেওঁৰ ওপৰত দৃষ্টি ৰাখিব লাগে বন্ধুৱে কোনো বিষয়ৰ বিষয়ে আলোকপাত কৰিলে চকু আৰু কাণ সদায় সজাগ হ'ব লাগে। যাতে বন্ধুৱে এইটো অনুভৱ কৰে যেন তেওঁৰ প্ৰতিটো কথা আন্তৰিকতাৰে উপলব্ধি কৰিছো বন্ধুক সদায় উদাৰ মনেৰে অন্তৰৰ পৰা প্ৰশংসা কৰিব লাগে। বন্ধুৰ প্ৰশংসাই অধিক উৎসাহী আৰু আত্মবিশ্বাসী কৰি তোলে। বন্ধুক লগ পালে সদায় হাঁহিৰে সম্ভাষণ জনোৱাৰ লগতে পৰিবেশ আনন্দমুখৰ কৰি তুলিবলৈ যত্নপৰ হোৱা উচিত। প্ৰশংসা যিদৰে অমৃততুল্য ঠিক সেইদৰে তোষামোদ বৰবিহ স্বৰূপ। সেয়েহে অজানিতেও বন্ধুক তোষামোদ কৰি অন্তৰত আঘাত দিব নালাগে।

বন্ধুৰ পৰা শ্ৰেষ্ঠ বন্ধু অগ্ৰসৰ হোৱাৰ পথত অগ্ৰসৰ হোৱাজনে আনজনৰ ইচ্ছা-অনিচ্ছাৰ প্ৰতি অৱগত হোৱা উচিত কোনোৱে কাৰো মন কাঢ়িব নোৱাৰে। আবেগৰ বশৱতী হৈ প্ৰায়ে প্ৰিয়জনৰ ওচৰত অভিযোগ তোলা হয় যে তেওঁ যদি সঁচাকৈ ভালপাই মনৰ খবৰ পঢ়ি ল'ব পাৰিব। বাস্তৱিকতে এই ধাৰণা সম্পূৰ্ণ অযুক্তিকৰ।

যি জন প্ৰকৃত বন্ধু তেওঁ বিপদত সহায় কৰিব, যদি দুখ পোৱা তেওঁ চকুলো টুকিব। সকলো সময়তে সুখ-দুখৰ সমভাগী হ'ব। মুখৰৰ বন্ধুত্ব স্থাপন কৰাতকৈ অন্তৰৰ বন্ধুত্ব গঢ়ি তুলিব লাগে। কাৰণ ই জীৱনৰ শীতল ছাঁৰ দৰে।

"মোৰ আগে আগে নাযাবা, তোমাক মই অনুসৰণ কৰিবলৈ অসমৰ্থ, মোৰ পাছে পাছে নাহিবা, মই তোমাক নেতৃত্ব দিবলৈ অযোগ্য, মোৰ কাষে কাষে হাতে হাত ধৰি খোজ দিয়া আৰু মোৰ বন্ধু হোৱা।"

শেষত এই শ্লোকটোৱেই প্ৰবন্ধটো সামৰণি মাৰিছোঁ--

"উৎসৱে ব্যসনে চৈৱ, দুৰ্ভিক্ষে ৰাজবিপ্লৱে ৰাজদ্বাৰে শ্মসানে চ যঃ তিষ্ঠতি সঃ বান্ধৱঃ।"



# আজিৰ যুৱ সমাজ

মণিকা গগৈ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

বিশৃংখলতাৰ অন্য এক কাৰণ অভিভাৱক। দায়িত্বহীন অভিভাৱকসকলে তেওঁলোকৰ সন্তানক কাৰ্যত হাত উজান দিয়াটো ভূল কথা। তেওঁলোকৰ বিকৃত আচৰণ একাংশ অভিভাৱকে চকু মুদি চাই থাকে। অভিভাৱকসকলে পুত্ৰ-পুত্ৰীক হাতত ম'বাইল আৰু বাইক দিওঁতে তাৰ ধনাত্মক দিশবোৰহে গ্ৰহণ কৰিবলৈ ক'ব লাগে। ম'বাইলৰ সৎব্যৱহাৰৰ বিষয়ে, বাইকখনৰ ব্যৱহাৰৰ বিষয়ে তেওঁলোকক অভিভাৱকে অৱগত কৰাব লাগে।

সময়ৰ লগে লগে সমাজ জীৱনৰ বিভিন্ন ক্ষেত্ৰৈলে জীৱন ধাৰণ পদ্ধতিলৈ পৰিৱৰ্তন আহিবই। শৈক্ষিক ক্ষেত্ৰতো বিভিন্ন পৰিৱৰ্তন আহি পৰিছে। বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ প্ৰসাৰে সমাজ-জাতিৰ গতি তীব্ৰ কৰি তুলিছে। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ যিদৰে উন্নতি ঘটিছে সেইদৰে বাঢ়িছে যুৱ সমাজৰ বিশৃংখলতা। যুৱ সমাজৰ বিশৃংখল মনোভাৱ সমাজৰ ওপৰত বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। আজিৰ যুগত যুৱ সমাজৰ বিশৃংখলতাৰ সমস্যাটো গা কৰি উঠাৰ ফলশ্ৰুতি উঠি অহা নৱপ্ৰজন্মই এক ভয়াবহ বিপদৰ সন্মুখীন হ'ব লগা হৈছে।

আধুনিক বিজ্ঞান প্ৰযুক্তিবিদ্যাই যোগাযোগ ব্যৱস্থাত চমকপদ সাফল্য লাভ কৰিছে। এই বৈজ্ঞানিক আৱিষ্কাৰে আমাক দিয়া এবিধ প্ৰয়োজনীয় সামগ্ৰী হ'ল ম'বাইল ফোন। আজিৰ দিনত ইয়াৰ গুৰুত্ব আমি প্ৰত্যেকেই স্বীকাৰ কৰিব লাগিব। কিন্তু ছাত্ৰ-সমাজত অৰ্থাৎ যুৱ সমাজত ই এক অভিশাপস্বৰূপ হৈ পৰিছে। সঠিক ব্যৱহাৰ নকৰি ইয়াৰ ঋণাত্মক দিশসমূহৰ প্ৰতি আকৃষ্ট যুৱ সমাজ। অশ্লীল শব্দৰ এছ এম এছবোৰ প্ৰেৰণাৰ বাবে ম'বাইল ফোন নহয়।



অন্য এক সামগ্ৰী হ'ল কম্পিউটাৰ। কেতবোৰ অধঃ পতিত যুৱক বা যুৱতীয়ে কম্পিউটাৰৰ জৰিয়তে অশ্লীল ছবি উপভোগ কৰে। বৰ্তমান সময়ৰ অপৰিহাৰ্য সামগ্ৰীক এক সামাজিক ব্যাধিৰ উৎপাদনলৈ পৰিণত কৰিছে।

আজিৰ উচ্ছৃংখল যুৱ সমাজৰ মাজত অভিশাপ স্বৰূপ সামগ্ৰী হ'ল 'বাইক'। এখন বাইক তীব্ৰ গতিত চলোৱা উচ্ছৃংখল যুৱকৰ মাজত বিকৃত মনোভাৱ আছে। স্কুল-কলেজৰ চৌহদত তেওঁলোকে চিনেমাৰ আচৰণ প্ৰদৰ্শনত আগ্ৰহী। কেতবোৰ যুৱকে বিভিন্ন অজুহাত দেখুৱাই অভিভাৱকৰ পৰা মটৰ চাইকেল কিনি লৈ স্কুল-কলেজৰ সন্মুখত, দোকানত আড্ডা মাৰিছে। তেওঁলোকৰ অভিভাৱকে যে এশ এবুৰি সমস্যাৰ মাজত নিজকে ধাৰত পোত খোৱাই হ'লেও নিজৰ সন্তানক এখন বাইক কিনি দিছে তাৰ প্ৰতি তেওঁলোকৰ যোগ্য সন্তানৰ খবৰ পাই। কেৱল মাথো বাইক আড্ডা। এখন বাইক অভিভাৱকে কিনি নিদিলে ঘৰত অশান্তিৰ সৃষ্টি কৰে।

বাইক, ম'বাইলৰ অপব্যৱহাৰে আজিৰ সমাজৰ যুৱচামক ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। ইয়াৰ পৰা অলপ হ'লেও মুক্তি পাবলৈ অভিভাৱক হাতত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

এই বিশৃংখলতাৰ অন্য এক কাৰণ অভিভাৱক। দায়িত্বহীন অভিভাৱকসকলে তেওঁলোকৰ সন্তানক কাৰ্যত হাত উজান দিয়াটো ভূল কথা। তেওঁলোকৰ বিকৃত আচৰণ একাংশ অভিভাৱকে চকু মুদি চাই থাকে। অভিভাৱকসকলে পুত্ৰ-পুত্ৰীক হাতত ম'বাইল আৰু বাইক দিওঁতে তাৰ ধনাত্মক দিশবোৰহে গ্ৰহণ কৰিবলৈ ক'ব লাগে। ম'বাইলৰ সৎব্যৱহাৰৰ বিষয়ে, বাইকখনৰ ব্যৱহাৰৰ বিষয়ে তেওঁলোকক অভিভাৱকে অৱগত কৰাব লাগে। সেয়ে নিজৰ সন্তানক সুপথত আগুৱাই লৈ যোৱাটোহে এগৰাকী সু অভিভাৱকৰ কৰ্তব্য।

কেৱল মাথো বাইক-ম'বাইল অপসংস্কৃতিয়েহে যে যুৱ সমাজক ধ্বংস কৰিছে এনে নহয়। মদ, ভাং আৰু অতি ভয়াবহ নিচাযুক্ত দ্ৰব্য ড্ৰাগছ সেৱনেও বিশৃংখল যুৱ সমাজৰ স্বৰূপ দাঙি ধৰিছে। মদ, চিগাৰেট, ড্ৰাগছ আসক্ত যুৱ সমাজৰ জীৱনলৈ নিতান্তই অন্ধকাৰ নামি আহিছে। সেয়ে ইয়াৰ পৰা উপশম পাবলৈ অভিভাৱকে, সমাজে দায়িত্ব ল'ব লাগে। একবিংশ শতিকাত যুৱ সমাজত আধুনিকতাই আনি দিয়া সমস্যাসমূহে সামাজিক পৰিৱেশ, শৈক্ষিক পৰিৱেশত গুৰুত্ব অবক্ষয় সৃষ্টি কৰিছে। পশ্চিমীয়া সংস্কৃতিৰ প্ৰতি আসক্ত যুৱ সমাজে সমাজ প্ৰদুষিত কৰিছে। অপসংস্কৃতি দূৰ কৰি সমাজৰ সৎ সংস্কৃতিবোৰ গ্ৰহণ কৰি সুস্থ সবল সমাজ গঠন কৰিব লাগে। বিজ্ঞান প্ৰুক্তিবিদ্যাৰ আৱিষ্কাৰবোৰক সৎ ব্যৱহাৰ কৰি জীৱন সুন্দৰ কৰিব লাগে।

আধুনিকতাই শৈক্ষিক পৰিৱেশ কলুষিত নকৰে, বৰঞ্চ তাৰ অপব্যৱহাৰেহে সমাজ প্ৰদুষিত কৰে।



# এটা নতুন আশা

স্মৃতিৰেখা দত্ত
উচ্চতৰ প্ৰথম বাৰ্ষিক

........................"বিপদ কেতিয়াও অকলে নাহে........"

অলপ দিনৰ পিচত ৰাতি ১০ মান বজাত ঘৰৰ দৰ্জাত টক্-টক্ শব্দ কৰা শুনি সংগীতাই দৰ্জাখন খুলি দিলেগৈ। পাছে পাছে স্নিগ্ধাও গ'ল। দৰ্জা খুলি দিয়াৰ লগে লগে এজন আৰক্ষী বিষয়া.........................

যোগলতাই ঘৰখনৰ প্ৰায়বোৰ কাম অকলেই কৰে যেতিয়াৰ পৰা প্ৰাণজিৎৰ মৃত্যু হ'ল তেতিয়াৰ পৰাই ঘৰখনৰ নিজৰ লগতে ল'ৰা-ছোৱালী দুটাৰ দায়িত্ব তাই অকলেই পালন কৰি আহিছে। আজি ৫৫ বছৰীয়া যোগলতাই নিজৰ পচন্দৰ বয়-বস্তুৰ বাবে নিজেই বজাৰলৈ যায়, নিজেও বাছি আনি নিজ হাতে খাদ্য তৈয়াৰ কৰি নিজৰ লগতে আলহি দুলহিক বনাই খুৱাই বৰ আনন্দ পায়। যোগলকিশোৰে বাৰে বাৰে মাকক ফোন কৰি কয় মা মই তোমাৰ পৰা বহুত দূৰত থাকিলেও মালাই মোক তোমাৰ কথা প্ৰায় ফোনত ওলায় তুমি বোলে সপ্তাহত এদিন বজাৰলৈ যোৱা, ঘৰ দুৱাৰ নিতৌ চাফ কৰা আলহি দুলহিক নিজেই বনাই খুওৱা। ৰঘুকাই আৰু সাধিনীবাই থাকোতে তুমি এই বয়সত কিয় এইবোৰ কৰা। মই তোমাক বহুত বেয়া পাইছোঁ।

যিবোৰ কাম অতদিনে অকলেই কৰি আহিছে, সেইবোৰ কাম আনক এৰি দিলেও মেগলতাৰ মনপ্ৰোত নহয়। এই ধৰণ ৰঘুক বজাৰলৈ পঠালে সি যিহকে পায় তিহকে এসোপামান বজাৰ কৰি আনিব কিন্তু সেইবোৰৰ মাজত যোগলতাই বিচৰা বস্তুবোৰ খুউব কমেই আহে। সেয়ে যোগলতাই ৰঘুক লগত কাৰ্যৰ পৰা বিৰত ৰাখি দেশত প্ৰগতিৰ পথত আগবঢ়াই নিয়া। স্নিগ্ধাৰ দেউতাক লোহিত দত্তই চাকৰিৰ কিবা কাৰণত এবাৰ গুৱাহাটীলৈ যাব লগা হৈছিল। যাওঁতে বাটতে ডকাইতৰ চাৰিজনীয়া দল এটাই বন্দুক দেখুৱাই লোহিত দত্তৰ টকা-পইচা, কাগজ-পত্ৰ সকলো লৈ গুচি গ'ল। নিৰাশ হৈ লোহিত দত্ত ঘৰলৈ গুচি আহিল। অলপ দিনৰ পাছত আকৌ লোহিত দত্ত গুৱাহাটীলৈ গৈছিল কিন্তু ঘৰলৈ আৰু ঘূৰি অহা নাছিল। আৰক্ষীয়ে নানা বিচাৰ কৰিও তেওঁৰ একো শুং-সূত্ৰ উলিয়াব নোৱাৰিলে। দেউতাকৰ এনে এটা দুৰ্ভাগ্যজনক খবৰ পাই স্নিগ্ধা, মাইনা আৰু মাক শোকত ব্যাকুল হৈ পৰিছিল। তেওঁলোকৰ জীৱনলৈ যেন অন্ধকাৰ নামি আহিছিল। স্নিগ্ধাৰ ককায়েক সেই সময়ত দ্বাদশ শ্ৰেণীৰ ছাত্ৰ আছিল। সিও পঢ়াশুনাত বৰ চোকা আছিল যদিও ভৱিষ্যতে ৰচা সোণালী সপোনত চেঁচা পানী ঢালি সি দেউতাকক বিচাৰিবলৈ ধৰিলে। নানা ঠাইত ঘূৰি ফুৰাৰ পাছতো দেউতাকৰ একো শুংসূত্ৰ নাপাই মনৰ বেজাৰতে মাইনায়ে এটা উগ্ৰপন্থী সংগঠনত যোগ দিলে। অলপ দিনলৈকে মাইনাই ঘৰলৈ খবৰ দি আছিল কিন্তু পিছলৈ মাইনায়েও ঘৰলৈ একো খবৰ নিদিয়া হ'ল। ককায়েক আৰু দেউতাকৰ একো খবৰ নাপাই স্নিগ্ধা আৰু স্নিগ্ধাৰ মাতৃ সংগীতাই দুখ-যান্ত্ৰণাতে দিন অতিবাহিত কৰিবলৈ ধৰিলে।

"বিপদ কেতিয়াও অকলে নাহে........"

অলপ দিনৰ পিচত ৰাতি ১০ মান বজাত ঘৰৰ দৰ্জাত টক্-টক্ শব্দ কৰা শুনি সংগীতাই দৰ্জাখন খুলি দিলেগৈ। পাছে পাছে স্নিগ্ধাও গ'ল। দৰ্জা খুলি দিয়াৰ লগে লগে এজন আৰক্ষী বিষয়া ভিতৰলৈ সোমাই আহিল আৰু এইটো মাইনা দত্তৰ ঘৰ হয় নে বুলি সুধিলে। স্নিগ্ধা আৰু সংগীতাই হয় বুলি কোৱাত আৰক্ষী বিষয়াজনে ক'লে যে যোৱাকালি আৰক্ষী আৰু উগ্ৰপন্থীৰ মাজত হোৱা গুলীয়াগুলীত বহুকেইজন উগ্ৰপন্থীৰ মৃত্যু হয় আৰু তাৰে এজনক মাইনা দত্ত বুলি চিনাক্ত কৰা হৈছে। এই কথাকেইটা কৈয়ে আৰক্ষী বিষয়াজনে চিপাহীটোক মাইনাৰ মৃতদেহটো লৈ আহিবলৈ ক'লে আৰু মৃতদেহটো বগা কাপোৰেৰে ঢাকি চোতালত পেলাই তেওঁলোকে তেওঁলোকৰ দায়িত্ব আৰু কৰ্তব্য কৰি গুচি গ'ল।

এই দৃশ্য দেখি স্নিগ্ধা আৰু সংগীতা বজ্ৰপাত পৰা মানুহৰ দৰে থৰ হৈ ৰ'ল। ঠিক সেই মুহূৰ্তত যেন কোনোবাই গাই উঠিল- জয়ন্ত হাজৰিকাৰ কণ্ঠৰ অমৰ গীতটি-

"মোৰ মৃতদেহ বগা কাপোৰেৰে
কোনোবাই ঢাকি দিলে...."

মাইনাৰ মৃত্যুৰ পাছৰে পৰা স্নিগ্ধা আৰু সংগীতাৰ স্বাস্থ্য একেবাৰে দুৰ্বল হৈ পৰিল কিন্তু এই দুৰ্বলতাখিনিক স্নিগ্ধাই ঢাকি ৰাখি বুকুত নানা ধৰণৰ নতুন সাহস বান্ধি লৈ দেউতাক ঘৰলৈ ঘূৰি অহা দিনটোলৈ অতি আশাৰে বাট চাই ৰৈ আছে। স্নিগ্ধাৰ মাথোন এটাই আশা যে দেউতাক ঘৰলৈ ঘূৰি আহিলে বৰ্তমান এই পৃথিৱীত বিৰাজমান হৈ থকা হিংসাত্মক কাৰ্যসমূহ দূৰ কৰি পৃথিৱীখনক প্ৰগতিৰ পথত আগুৱাই নিয়া। এই নতুন আশাটো বুকুত বান্ধিয়েই স্নিগ্ধাই আজিও মাথো বাট চাই ৰৈ আছে সেইদিনটোলৈ, যিটো দিনত দেউতাক উভতি আহিব ঘৰলৈ। □

# অনুতাপ



অনুজ কুমাৰ দত্ত
স্নাতক দ্বিতীয় বৰ্ষ

.........................সোমাই আহিছিল সেই পিশাচ কেইটা। সিহঁতে নিহাৰিকাক কিছুমান অশ্লীল ফটো তুলিবৰ বাধ্য কৰাব বিচাৰিলে। নিহাৰিকাই কোনোপধ্য বাধ্য নহে এই ব্যৱসায় আৰু সিহঁতক আইনৰ হাতত ধৰাই দিয়াৰ ভয় দেখুৱালে। সিহঁতে মাত্ৰ বিদ্ৰুপৰ হাঁহি মাৰিলে আৰু পাছত নিহাৰিকা মোৰ সোনজনীক অচেতন কৰি বৰ বৰ কেইটাই তাইৰ কুমলীয়া দেহাটো থকা-সৰকা কৰিলে।..........................

যোগলতাই ঘৰখনৰ প্ৰায়বোৰ কাম অকলেই কৰে যেতিয়াৰ পৰা প্ৰাণজিৎৰ মৃত্যু হ'ল তেতিয়াৰ পৰাই ঘৰখনৰ নিজৰ লগতে ল'ৰা-ছোৱালী দুটাৰ দায়িত্ব তাই অকলেই পালন কৰি আহিছে। আজি ৫৫ বছৰীয়া যোগলতাই নিজৰ পচন্দৰ বয়-বস্তুৰ বাবে নিজেই বজাৰলৈ যায়, নিজেও বাছি আনি নিজ হাতে খাদ্য তৈয়াৰ কৰি নিজৰ লগতে আলহি দুলহিক বনাই খুৱাই বৰ আনন্দ পায়। যোগলকিশোৰে বাৰে বাৰে মাকক ফোন কৰি কয় মা মই তোমাৰ পৰা বহুত দূৰত থাকিলেও মালাই মোক তোমাৰ কথা প্ৰায় ফোনত ওলায় তুমি বোলে সপ্তাহত এদিন বজাৰলৈ যোৱা, ঘৰ দুৱাৰ নিতৌ চাফ কৰা আলহি দুলহিক নিজেই বনাই খুওৱা। ৰঘুকাই আৰু সাধিনীবাই থাকোতে তুমি এই বয়সত কিয় এইবোৰ কৰা। মই তোমাক বহুত বেয়া পাইছোঁ।

যিবোৰ কাম অতদিনে অকলেই কৰি আহিছে, সেইবোৰ কাম আনক এৰি দিলেও মেগলতাৰ মনপ্ৰোত নহয়। এই ধৰণ ৰঘুক বজাৰলৈ পঠালে সি যিহকে পায় তিহকে এসোপামান বজাৰ কৰি আনিব কিন্তু সেইবোৰৰ মাজত যোগলতাই বিচৰা বস্তুবোৰ খুউব কমেই আহে। সেয়ে যোগলতাই ৰঘুক লগত



লৈ নিজে বজাৰখন ঘূৰিপকি গাঁৱৰ মানুহে অনা খুতৰা মানিমুনি কলমৌ, চেংমৰা, লেহেতি ঢেকীয়া ইত্যাদিবোৰ আনি মাছৰ লগত সুন্দৰকৈ বনায়। যোগলতাৰ হাতৰ এই ৰন্ধন খাদ্য খাই জীয়েক মালাই হাঁহি হাঁহি মাকক কয় মা কেতিয়াবা ক'ৰবাত খাদ্যৰ ৰন্ধন প্ৰক্ৰিয়াৰ প্ৰতিযোগিতা হয় তেন্তে তুমি প্ৰথম হ'বাই মালাৰ কথাত যোগলতাই জীয়েকলৈ ঘোপাকৈ চাই আৰু কয় তোৰ দেউতাৰেও এই কথা প্ৰায় কৈছিল অ'।

আজি যোগলতাৰ গাতো বৰ ঠিক নহয়। আজি ১৮ জানুৱাৰী। এই দিনটো যোগলতাৰ জীৱন এক ভয়ঙ্কৰ দিন। আগফালৰ বাৰাণ্ডাত আন্ধাৰৰ মাজত যোগলতাই নিজৰ সৈতে বিলীন হৈ আছে। জীয়েক মালাই নাজানে কিয় মাকে বছৰৰ এইদিনটোত ব্ৰত ৰাখে আৰু কাৰো লগত কথা নাপাতে প্ৰায় ৰোমৰ ভিতৰত বহি শুই থাকি নিশা হোৱাৰ লগে লগে গোসাঁই ঘৰৰ থাপনাত ধূপ বন্তি জ্বলাই বহুসময় ধ্যান কৰি থাকে যেন ঈশ্বৰৰ ওচৰত কিবা এটা বিচাৰিছে। মালাই ডাঙৰ হোৱাৰ পৰা সদায় দেখি আহিছে এইবোৰ। দেউতাক থাকোতে নিৰ্দিষ্ট এই দিনটোত মাকক একো আমনি নিদিবলৈ মালাহঁতক কৈছিল। দেউতাকে হয়তু জানিছিল মাকৰ এই ৰহস্যময় দিনটোৰ কথা। কিন্তু জানিছিলনে এই ৰহস্যৰ কথা! নাই প্ৰাণজিৎতে জনা নাছিল যোগলতাৰ এই ৰহস্যৰ কথা যদি জানিলহেঁতেন প্ৰাণজিৎতে যোগলতাক কি দৰে ললেহেঁতেন এই কথা যোগলতাই নাজানে। বিয়াৰ আগতে যোগলতাই প্ৰাণজিৎতক কৈছিল মোৰ কিছুমান ব্যক্তিগত আবেগ আছে যিবোৰত মই বেছি চেন্টিমেন্টেল আপুনি যদি সেই কথাবোৰত মোক লৈ চেন্টিমেন্টেল হয় তেন্তে মই আপোনাৰ লগত বিয়া হ'ব নোৱাৰিম। প্ৰাণজিতে যোগলতাক প্ৰতিশ্ৰুতি দিছিল যিবোৰ কথাত তুমি বেছি আবেগিক সেই বিষয়ত মই কেতিয়াও হস্তক্ষেপ নকৰো। যোগলতাই জানিছিল এই নিৰ্দিষ্ট দিনটোৰ আবেগিকতাক তাই জীৱনৰ অন্তিম পৰলৈকে কেতিয়াও দমাই ৰাখিব নোৱাৰিব। বিয়াৰ পাছত তাই স্বামীয়ে এই দিনটোৰ সত্যতা জানিবলৈ হ'লে তাইৰ সংসাৰখনৰ গতিধাৰাৰ বেমেজালিৰ সৃষ্টি হ'ব সেইবাবে তাই মাৰ লগত বিয়াত বহিছিল তেওঁক আগতেই প্ৰতিশ্ৰুতিৰে বান্ধি লৈছিল। অৱশ্যে যোগলতাই যি নিষ্ঠুৰ সত্যতাক প্ৰাণজিৎতক কোৱা নাছিল এই সত্যতাৰ মাজত যোগলতাই প্ৰাণজিৎতক প্ৰৱঞ্চনা কৰি অহা হৈছিল। কিন্তু যোগলতাৰ মনতে তাক তাই কাকো প্ৰৱঞ্চনা কৰা নাই। যৌৱনৰ আৰম্ভণিতেই তাই প্ৰৱঞ্চিতা হৈছিল পুৰুষৰ পৰা সেয়ে বিশ্বাস আৰু আন্তৰিকতাৰে কোনো পুৰুষক ল'ব পৰা নাছিল। বহুতবাৰ বিয়া ঠিক হোৱাৰ পাছতো তাই বিয়াৰ বাবে মানসিকভাৱে প্ৰস্তুত হ'ব নোৱাৰি বাৰে বাৰে বিয়া ভাঙি দিছিল। তাইৰ এনে কাৰ্যহে ঘৰখনৰ সকলোকে দুখ দিছিল। মাকৰ মৃত্যুৰ পাছত দেউতাকে যোগলতাৰ লগতে ভনীয়েক দুজনীক অকনো কষ্ট নোপোৱাকৈ ডাঙৰ কৰিছিল। উচ্চ শিক্ষা দিছিল। নিজৰ স্বাধীনতা দিছিল যাতে জীৱনৰ পথত উজুতি নাখাই সৎ সাহসেৰে জীৱনৰ জটিলতাৰ সন্মুখীন হ'ব পাৰে। বায়েক যোগলতাৰ জীৱনৰ আৰম্ভণিতে ঘটা সংঘাতৰ অভিজ্ঞতাবোৰে ভনীয়েক দুজনীক সচেতন কৰি তুলিছিল। সিহঁতে নিজকে যোগ্য কৰি তুলিবলৈ অপ্ৰাণ চেষ্টা কৰিছিল। সিহঁতে বায়েককো বহুত প্ৰেৰণা যোগাইছিল। বিশ্ববিদ্যালয় শিক্ষা সমাপ্ত

কৰি দুয়োজনীয়ে বায়েকৰ কথামতে বিয়াত বহিছিল। উপযুক্ত দৰা, উপযুক্ত চাকৰিৰে দুয়োজনীৰ সংসাৰ সুখতেই পাৰ হৈছে। যোগলতাই বি.এ. পাচ কৰি আৰু নপঢ়িল। নিজকে ব্যস্ত ৰাখিবলৈ তাই এটা প্ৰাইভেট কোম্পানীৰ চাকৰিত সোমাল। এইদৰে চাকৰিলৈ যাওঁতে প্ৰায় বাটে-ঘাতে তাই এজন মানুহক লগ পাইছিল। এদিন হঠাৎ সেই মানুহজনক তাই নিজৰ ঘৰত দেখি আচৰিত হৈছিল। ভনীয়েক দুজনীৰ বিয়াৰ পাছত দেউতাক আৰু তাই ঘৰখনত অকলে থাকে। তাই চাকৰিলৈ যাওঁতে দেউতাকে অকলশৰে টি.ভি আৰু কিতাপৰ লগত সময়বোৰ বচাই দিয়ে। কেতিয়াবা কোনোবা মানুহ আহিলে দেউতাকে কথাপাতি ভাল পায়। তাইতকৈ চাৰি-পাঁচ বছৰমান ডাঙৰ এই মানুহজনে তাইক প্ৰায় লক্ষ্য কৰি থাকে বুলি তাই জানে। দেউতাকৰ লগত কথা পাতি থকা এই মানুহজনৰ নাম প্ৰাণজিৎ তেওঁ চাৰি মাহ মানৰ আগতে এই সৰু চহৰখনত থকা ষ্টেট বেংকৰ কেচিয়াৰ হিচাবে জইন কৰিছিল। ঘৰ শিৱসাগৰৰ কোনোবা গাঁও এখনত। তাই মানুহজনৰ লগত চিনা পৰিচয় হ'বলৈ যেন একেবাৰে আগ্ৰহ নহয় এনে ভাৱ দেখুৱালে। মাত্ৰ সৌজন্যতাৰ খাতিৰত চাহ-তামোল যাচিলে। লাহে লাহে এদিন যোগলতাই এই মানুহজনৰ লগত বহুত মুক্ত মনেৰে বন্ধুভাৱে কথা পাতিব পৰা হ'ল। তাইৰ অজানিতে দেউতাকৰ ওচৰত প্ৰাণজিৎতে যোগলতাক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিলে। দেউতাকে জানিছিল যোগলতাক বিয়াৰ বাবে সন্মতি কৰাব নোৱাৰে বুলি কাৰাণ ইতিমধ্যে তাই বহুত বিয়া ভাঙি দিছে সেয়ে দেউতাকে যোগলতাক এই বিষয়ে একো নুশুধিলে। ক্ৰমান্বয়ে বৃদ্ধ হৈ অহা দেউতাকৰ মনৰ মাজত তাইক লৈ যি দুখৰ ধুমুহা বলিছিল তাই অনুভৱ কৰিবলৈ ধৰিছিল। দেউতাকৰ আকুল চাৱনিৰ পৰা তাই সদাই আঁতৰি আছিল। এদিন হঠাৎ ডাঃ বিভূতি চৌধৰীয়ে তাইক মাতি পঠাইছিল। দেউতাকৰ দূৰ সম্বন্ধীয়া ভায়েক বিভূতিৰ প্ৰায় বেমাৰ আজাৰ সিহঁতৰ ঘৰখনৰ লগত যোগাযোগ ঘতিছিল। কেইদিনমানৰ আগতে দেউতাকৰ জ্বৰ উঠাত তাই বিভূতি খুৰাকৰ ওচৰলৈ দেউতাকক লৈ গৈছিল। চোৰা চিন্তাৰ পাছত দেউতাকৰ ব্লাড পৰীক্ষাৰ কৰাবৰ বাবে কৈছিল। ডাঃ বিভূতিয়ে যোগলতাক যিটো সংবাদ দিছিল তাই সেই সংবাদ শুনি কান্দি উঠিছিল। দেউতাকৰ ব্লাড কেঞ্চাৰ হৈছে। তাই বিশ্বাস কৰিবলৈ যেন টান হৈছিল। বাস্তৱ সদায় বাস্তৱ। বাস্তৱক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। দেউতাকে দিনে দিনে ভাগি পৰা স্বাস্থ্যৰ পৰা জানিব পাৰিছিল যে তেওঁ এই পৃথিৱীত কেইদিনমান থাকিব অতি সোনকালে তেওঁ পৃথিৱীৰ পৰা আঁতৰি যাব।

এদিন নিশা দেউতাকক কাতৰভাৱে ক'লে চা মাজনী জীৱনত মই সকলো পালো সকলো দায়িত্ব কৰ্তব্য সুকলমেই পালন কৰি গ'লো কিন্তু মই কন্যাদায়গ্ৰস্থ ভাৱে মৃত্যু হ'ব লাগিব এই অপূৰ্ণতাই মোক শান্তিৰে মৃত্যু হোৱাত বাধা দিব। যোগলতাৰ মনত বহুত দুখ দি গ'ল মৃত্যুশয্যা দেউতাকৰ এই কথাষাৰে। তাই দুখ মনেৰে সেইদিনা দেউতাকক কথা দিলে যাতে দেউতাকে শান্তিৰে মৰিব পাৰে তাৰ ব্যৱস্থা তাই কৰিব। যোগলতাৰ এইষাৰ কথাৰে দেউতাকক বহুত আনন্দ দিলে। তেওঁ ফোন কৰি পিচদিনা প্ৰাণজিৎক মাতি পঠালে। কেইদিন মানৰ পাছতে



সাধাৰণ নিয়ম নিতিৰ মাজেদি যোগলতা আৰু প্ৰাণজিৎৰ বিয়া হৈ গ'ল। যোগলতাৰ বিয়াত অহা ভনীয়েক দুজনীয়ে দেউতাকৰ দায়িত্ব লৈ যোগলতাক নতুন ঘৰখনলৈ বুলি বিদায় দিলে।

যোগলতাৰ বিয়াৰ এসপ্তাহৰ পাছতেই দেউতাকৰ মৃত্যু হ'ল। সকাম শেষকৰি নিজৰ নিজৰ সংসাৰখনলৈ দুয়োজনী ভনীয়েক গুচি গৈছিল।

প্ৰাণজিৎ আৰু যোগলতাই চাকৰিত জইন কৰি সিহঁতৰ ঘৰটোতে থাকিবলৈ লয়। প্ৰায় ছমাহমান চাকৰি কৰাৰ পাছত যোগলতাক প্ৰাণজিতে কয় চোৰা টকাৰ বাবে আমাৰ চাকৰিৰ প্ৰয়োজন নাই মোৰ চাকৰিটোৱেই যথেষ্ট যদি তোমাৰ ইচ্ছা আছে তুমি চাকৰি কৰি থাকিব পাৰা নাইবা এৰি দিবও পাৰা। যোগলতাই ভাৱিলে তাই এতিয়া চাকৰিতকৈ সংসাৰৰ দায়িত্ব পালন কৰি যোৱাহে উচিত হ'ব। ইয়াৰ পাছত যোগলতাৰ কোলালৈ যোগলকিশোৰ আৰু মালা আহিল। গতানুগতিক সাংসাৰিক কামৰ ব্যৱস্থাতাৰে দিনবোৰ পাৰ হৈ গ'ল। যোগলকিশোৰে ইনঞ্জিনিয়াৰিং সমাপ্ত কৰি ইণ্টাৰনেচনেল কোম্পানী এটাত চাকৰি সোমাই সুদূৰ কানাডালৈ গুচি গ'ল। জীয়েক মালাই বিশ্ববিদ্যালয়ত পঢ়ি আছে। তায়ো অহা বছৰত যোগলকিশোৰৰ বন্ধু নয়নজ্যোতিৰ লগত বিয়া হৈ অসমৰ বাহিৰলৈ গুচি যাব।

যোগলকিশোৰ যোগলতাক এৰি নিদিয়ে সি মাকক কৈ থৈছে মালাৰ বিয়াৰ পাছত সি য'ত থাকিব মাকো তাৰ লগত থাকিব। আজি প্ৰায় ছমাহমানৰ পৰা যোগলতাই এজন দাড়িয়া বুঢ়া মানুহ সিহঁতৰ কাষতে লাগি থকা ঘুমটিখনৰ বেঞ্চত বহি থকা দেখে। তাই যেতিয়া গেটৰ বাহিৰ হয় সেই বুঢ়া মানুহজনে যেন তাইক মাতিবৰ বাবেই যেন ঠিক তেনেদৰে অপেক্ষা কৰি আছে তাইৰ তেনে অনুভৱ হয়। কিন্তু মানুহজনে এদিনো তাইৰ কাষলৈ আহি মাতিব পৰা নাই।

আজি ১৮ জানুৱাৰী। মালাই পুৱাতে বিচনা এৰি গেটৰ বাহিৰ ওলাই মৰ্ণিংওৱাক কৰিবৰ বাবে দুখোজমান আগবাঢ়ি গৈছিল মাত্ৰ, ওচৰৰ ঘুমটিখনৰ বেঞ্চখনত এটা মৃতদেহ পৰি থকা দেখি চিঞৰি ওচৰ চুবুৰিয়াক মাতিলে। বহুত মানুহ গোট খালে। যোগলতা ওলাই নগ'ল। আজিৰ দিনটো যিমানে ডাঙৰ ঘটনা নহওক তাই বৰ নিৰ্লিপ্ত হৈ থাকে। মানুহবোৰে পুলিচক খবৰ দিলে। পুলিচে আহি মৃতদেহটো উঠাই নিলে। নিশা যোগলতাই গোঁসাই ঘৰত সোমাই আছে। মালাই দিনটো যোগলতাৰ লগত সন্মুখীন হোৱা নাই। গধূলি পৰত নয়নজ্যোতি আহিল। আনদিনাৰ দৰে যেন ঘৰখনত আনন্দ নাই। বহুত গোমা গোমা পৰিবেশ এটাৰ মাজত সোমাই পৰি নয়নজ্যোতিয়ে মালাক সুধিলে কিয় এনে পৰিবেশ ঘৰখনত বিৰাজ কৰিছে? মায়ে কিয় মোক মতাহি নাই? মালাই নয়নজ্যোতিক ক'লে আজিৰ দিনটো মায়ে ব্যস্ত থাকে আৰু কাৰোসতে কথা নাপাতে। ৰাতিপুৱা সাধনীবায়ে চোতাল সাৰোতে গেটৰ ওচৰত এটা খাম পাইছিল। তাই মালাৰ হাতত সেইখন দিছিল। ৰাতিপুৱাৰ উতপ্ত পৰিস্থিতিত মালাই চোৱা নাছিল সাধনীবায়ে কি দিছে ক'ত পালে তাই মাত্ৰ টেবুলৰ ওপৰতে খামটো থৈ দিছিল।

নিশা সাধনীবাইৰ লগত মালাই লাগি ভাগি নয়নজ্যোতিক আপ্যায়িত কৰিলে। অন্যদিনাৰ দৰে সেইদিনা নয়নজ্যোতিয়ে আহাৰৰ

কৰি দুয়োজনীয়ে বায়েকৰ কথামতে বিয়াত বহিছিল। উপযুক্ত দৰা, উপযুক্ত চাকৰিৰে দুয়োজনীৰ সংসাৰ সুখতেই পাৰ হৈছে। যোগলতাই বি.এ. পাচ কৰি আৰু নপঢ়িল। নিজকে ব্যস্ত ৰাখিবলৈ তাই এটা প্ৰাইভেট কোম্পানীৰ চাকৰিত সোমাল। এইদৰে চাকৰিলৈ যাওঁতে প্ৰায় বাটে-ঘাতে তাই এজন মানুহক লগ পাইছিল। এদিন হঠাৎ সেই মানুহজনক তাই নিজৰ ঘৰত দেখি আচৰিত হৈছিল। ভনীয়েক দুজনীৰ বিয়াৰ পাছত দেউতাক আৰু তাই ঘৰখনত অকলে থাকে। তাই চাকৰিলৈ যাওঁতে দেউতাকে অকলশৰে টি.ভি আৰু কিতাপৰ লগত সময়বোৰ বচাই দিয়ে। কেতিয়াবা কোনোবা মানুহ আহিলে দেউতাকে কথাপাতি ভাল পায়। তাইতকৈ চাৰি-পাঁচ বছৰমান ডাঙৰ এই মানুহজনে তাইক প্ৰায় লক্ষ্য কৰি থাকে বুলি তাই জানে। দেউতাকৰ লগত কথা পাতি থকা এই মানুহজনৰ নাম প্ৰাণজিৎ তেওঁ চাৰি মাহ মানৰ আগতে এই সৰু চহৰখনত থকা ষ্টেট বেংকৰ কেচিয়াৰ হিচাবে জইন কৰিছিল। ঘৰ শিৱসাগৰৰ কোনোবা গাঁও এখনত। তাই মানুহজনৰ লগত চিনা পৰিচয় হ'বলৈ যেন একেবাৰে আগ্ৰহ নহয় এনে ভাৱ দেখুৱালে। মাত্ৰ সৌজন্যতাৰ খাতিৰত চাহ-তামোল যাচিলে। লাহে লাহে এদিন যোগলতাই এই মানুহজনৰ লগত বহুত মুক্ত মনেৰে বন্ধুভাৱে কথা পাতিব পৰা হ'ল। তাইৰ অজানিতে দেউতাকৰ ওচৰত প্ৰাণজিৎতে যোগলতাক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিলে। দেউতাকে জানিছিল যোগলতাক বিয়াৰ বাবে সন্মতি কৰাব নোৱাৰে বুলি কাৰাণ ইতিমধ্যে তাই বহুত বিয়া ভাঙি দিছে সেয়ে দেউতাকে যোগলতাক এই বিষয়ে একো নুশুধিলে। ক্ৰমান্বয়ে বৃদ্ধ হৈ অহা দেউতাকৰ মনৰ মাজত তাইক লৈ যি দুখৰ ধুমুহা বলিছিল তাই অনুভৱ কৰিবলৈ ধৰিছিল। দেউতাকৰ আকুল চাৱনিৰ পৰা তাই সদাই আঁতৰি আছিল। এদিন হঠাৎ ডাঃ বিভূতি চৌধৰীয়ে তাইক মাতি পঠাইছিল। দেউতাকৰ দূৰ সম্বন্ধীয়া ভায়েক বিভূতিৰ প্ৰায় বেমাৰ আজাৰ সিহঁতৰ ঘৰখনৰ লগত যোগাযোগ ঘতিছিল। কেইদিনমানৰ আগতে দেউতাকৰ জ্বৰ উঠাত তাই বিভূতি খুৰাকৰ ওচৰলৈ দেউতাকক লৈ গৈছিল। চোৱা চিন্তাৰ পাছত দেউতাকৰ ব্লাড পৰীক্ষাৰ কৰাবৰ বাবে কৈছিল। ডাঃ বিভূতিয়ে যোগলতাক যিটো সংবাদ দিছিল তাই সেই সংবাদ শুনি কান্দি উঠিছিল। দেউতাকৰ ব্লাড কেঞ্চাৰ হৈছে। তাই বিশ্বাস কৰিবলৈ যেন টান হৈছিল। বাস্তৱ সদায় বাস্তৱ। বাস্তৱক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। দেউতাকে দিনে দিনে ভাগি পৰা স্বাস্থ্যৰ পৰা জানিব পাৰিছিল যে তেওঁ এই পৃথিৱীত কেইদিনমান থাকিব অতি সোনকালে তেওঁ পৃথিৱীৰ পৰা আঁতৰি যাব।

এদিন নিশা দেউতাকক কাতৰভাৱে ক'লে চা মাজনী জীৱনত মই সকলো পালো সকলো দায়িত্ব কৰ্তব্য সুকলমেই পালন কৰি গ'লো কিন্তু মই কন্যাদায়গ্ৰস্থ ভাৱে মৃত্যু হ'ব লাগিব এই অপূৰ্ণতাই মোক শান্তিৰে মৃত্যু হোৱাত বাধা দিব। যোগলতাৰ মনত বহুত দুখ দি গ'ল মৃত্যুশয্যা দেউতাকৰ এই কথাষাৰে। তাই দুখ মনেৰে সেইদিনা দেউতাকক কথা দিলে যাতে দেউতাকে শান্তিৰে মৰিব পাৰে তাৰ ব্যৱস্থা তাই কৰিব। যোগলতাৰ এইষাৰ কথাৰে দেউতাকক বহুত আনন্দ দিলে। তেওঁ ফোন কৰি পিচদিনা প্ৰাণজিৎক মাতি পঠালে। কেইদিন মানৰ পাছতে



সাধাৰণ নিয়ম নিতিৰ মাজেদি যোগলতা আৰু প্ৰাণজিৎৰ বিয়া হৈ গ'ল। যোগলতাৰ বিয়াত অহা ভনীয়েক দুজনীয়ে দেউতাকৰ দায়িত্ব লৈ যোগলতাক নতুন ঘৰখনলৈ বুলি বিদায় দিলে।

যোগলতাৰ বিয়াৰ এসপ্তাহৰ পাছতেই দেউতাকৰ মৃত্যু হ'ল। সকাম শেষকৰি নিজৰ নিজৰ সংসাৰখনলৈ দুয়োজনী ভনীয়েক গুচি গৈছিল।

প্ৰাণজিৎ আৰু যোগলতাই চাকৰিত জইন কৰি সিহঁতৰ ঘৰটোতে থাকিবলৈ লয়। প্ৰায় ছমাহমান চাকৰি কৰাৰ পাছত যোগলতাক প্ৰাণজিতে কয় চোৱা টকাৰ বাবে আমাৰ চাকৰিৰ প্ৰয়োজন নাই মোৰ চাকৰিটোৱেই যথেষ্ট যদি তোমাৰ ইচ্ছা আছে তুমি চাকৰি কৰি থাকিব পাৰা নাইবা এৰি দিবও পাৰা। যোগলতাই ভাৱিলে তাই এতিয়া চাকৰিতকৈ সংসাৰৰ দায়িত্ব পালন কৰি যোৱাহে উচিত হ'ব। ইয়াৰ পাছত যোগলতাৰ কোলালৈ যোগলকিশোৰ আৰু মালা আহিল। গতানুগতিক সাংসাৰিক কামৰ ব্যৱস্থাতাৰে দিনবোৰ পাৰ হৈ গ'ল। যোগলকিশোৰে ইনজিনিয়াৰিং সমাপ্ত কৰি ইণ্টাৰনেচনেল কোম্পানী এটাত চাকৰি সোমাই সুদূৰ কানাডালৈ গুচি গ'ল। জীয়েক মালাই বিশ্ববিদ্যালয়ত পঢ়ি আছে। তায়ো অহা বছৰত যোগলকিশোৰৰ বন্ধু নয়নজ্যোতিৰ লগত বিয়া হৈ অসমৰ বাহিৰলৈ গুচি যাব।

যোগলকিশোৰ যোগলতাক এৰি নিদিয়ে সি মাকক কৈ থৈছে মালাৰ বিয়াৰ পাছত সি য'ত থাকিব মাকো তাৰ লগত থাকিব। আজি প্ৰায় ছমাহমানৰ পৰা যোগলতাই এজন দাড়িয়া বুঢ়া মানুহ সিহঁতৰ কাষতে লাগি থকা ঘুমটিখনৰ বেঞ্চত বহি থকা দেখে। তাই যেতিয়া গেটৰ বাহিৰ হয় সেই বুঢ়া মানুহজনে যেন তাইক মাতিবৰ বাবেই যেন ঠিক তেনেদৰে অপেক্ষা কৰি আছে তাইৰ তেনে অনুভৱ হয়। কিন্তু মানুহজনে এদিনো তাইৰ কাষলৈ আহি মাতিব পৰা নাই।

আজি ১৮ জানুৱাৰী। মালাই পুৱাতে বিচনা এৰি গেটৰ বাহিৰ ওলাই মৰ্ণিংওৱাক কৰিবৰ বাবে দুখোজমান আগবাঢ়ি গৈছিল মাত্ৰ, ওচৰৰ ঘুমটিখনৰ বেঞ্চখনত এটা মৃতদেহ পৰি থকা দেখি চিঞৰি ওচৰ চুবুৰিয়াক মাতিলে। বহুত মানুহ গোট খালে। যোগলতা ওলাই নগ'ল। আজিৰ দিনটো যিমানে ডাঙৰ ঘটনা নহওক তাই বৰ নিৰ্লিপ্ত হৈ থাকে। মানুহবোৰে পুলিচক খবৰ দিলে। পুলিচে আহি মৃতদেহটো উঠাই নিলে। নিশা যোগলতাই গোঁসাই ঘৰত সোমাই আছে। মালাই দিনটো যোগলতাৰ লগত সন্মুখীন হোৱা নাই। গধূলি পৰত নয়নজ্যোতি আহিল। আনদিনাৰ দৰে যেন ঘৰখনত আনন্দ নাই। বহুত গোমা গোমা পৰিৱেশ এটাৰ মাজত সোমাই পৰি নয়নজ্যোতিয়ে মালাক সুধিলে কিয় এনে পৰিৱেশ ঘৰখনত বিৰাজ কৰিছে? মায়ে কিয় মোক মতাহি নাই? মালাই নয়নজ্যোতিক ক'লে আজিৰ দিনটো মায়ে ব্যস্ত থাকে আৰু কাৰোসতে কথা নাপাতে। ৰাতিপুৱা সাধনীবায়ে চোতাল সাৰোতে গেটৰ ওচৰত এটা খাম পাইছিল। তাই মালাৰ হাতত সেইখন দিছিল। ৰাতিপুৱাৰ উতপ্ত পৰিস্থিতিত মালাই চোৱা নাছিল সাধনীবায়ে কি দিছে ক'ত পালে তাই মাত্ৰ টেবুলৰ ওপৰতে খামটো থৈ দিছিল।

নিশা সাধনীবাইৰ লগত মালাই লাগি ভাগি নয়নজ্যোতিক আপ্যায়িত কৰিলে। অন্যদিনাৰ দৰে সেইদিনা নয়নজ্যোতিয়ে আহাৰৰ

জোতি ল'ব নোৱাৰিলে আজি বহুদিনৰ মূৰত অহা নয়নজ্যোতিয়ে যোগলতাৰ এই অস্বাভাৱিক মৌনতা আচৰণক সহজভাৱে ল'ব নোৱাৰিলে।

শুবলৈ গৈ মালাই খামটো দেখা পালে। কিহৰ খাম চাবলৈ লয় তাইৰ মনত পৰিল ৰাতিপুৱা সাধনীয়ে তাইখ খামটো দিয়া। খামটো চাই দেখা পালে মাকৰ নামত লিখা কাৰোবাৰ চিঠি। তাই মনে মনে মাকৰ ৰূমলৈ ওলাই গ'ল। মাক নাই, বাহিৰত আন্ধাৰৰ সতে বহি আছে। তাই জানে আজি নিশা কিমান সময় মাকে এইদৰে বহি থাকিব। মাকে আজি এইদৰে বহি থকা দেখি তাইৰ ভয় লাগিল। তাই ভাৱিলে মাৰ বাৰু ভয় লগা নাইনে আজি মৃতজনৰ কথা ভাবি। তাই মনে মনে মাকক চাই আহিল। নাই! মাকে ওপৰলৈ মূৰ কৰি আৰামি চকীখনত বহি আছে। পৃথিৱীৰ একো কথাই মাকক আজি জোকাৰি যাব নোৱাৰে। আজিও দিনটো মাকে একমাত্ৰ নিজৰ সতে কথা পাতে।

শুবলৈ গৈ যোগলতাৰ চকুপৰে খামটোৰ ওপৰত। ক'ৰপৰা আহিল তাইৰ নামত এই খামত চিঠি। তাইলৈ চিঠি লিখা মানুহটো নাই। কোনে এই চিঠি দিলে। মনৰ খুদুৱনি সামৰিব নোৱাৰি তাই খামটোৰ পৰা চিঠিখন ওলিয়াই। কোনে দিছে নামটো চাই আচৰিত হ'ল। চিঠিখন পঢ়ি গ'ল তাই।

"প্ৰতি

যোগলতা,

তোমাৰ ওচৰত সন্মুখিনহে ভুল স্বীকাৰ কৰিবলৈ মই সৎ সাহস গোটাব নোৱাৰিলো। জীৱনৰ এই অন্তিম পৰত লিখিতভাৱে তোমাৰ ওচখত ভুলৰ অনুশোচনা কৰি গ'লো। সেইদিনা মোৰ কি হৈছিল মই নাজানো। কিয় এনে ঘৃণনীয় চিন্তাধাৰাই মোক ইমান মনুষ্যত্বহীন কাম কৰিবলৈ শক্তি যোগালে। যৌৱনত উতলা তেজক দমাব পৰা নাছিলো। তুমি মোক বহুত বিশ্বাস আৰু আন্তৰিকতাৰে ভাল পাইছিলা। তোমাৰ বিশ্বাসৰ সুযোগ গ্ৰহণ কৰি মই এনে নীচ কাম কৰিছিলো। তোমাৰ যৌৱনৰ ৰূপ লাৱণ্যই মোক যিদৰে বলিয়া কৰি পেলাইছিল সেইদৰে মোৰ লগৰ, যতিন, দিলীপ, ৰাজেশ হঁতকো সেইদৰেই শিহঁৰণ তুলিছিল। আমি সেইদিনা সঁচাই পশুতকৈ নীচ হৈ পৰিছিলো। তোমাক চালনা কৰি বাগানৰ সিটো মূৰলৈ মই লৈ গৈছিলো। য'ত যতিন, দিলীপ, ৰাজেশহঁত লুকাই আছিল আৰু সিহঁতৰ সহযোগত আদিম বন্যাত আমি তোমাৰ শৰীৰটো থকসৰকা কৰি পেলাইছিলো। কলিমেলি ওলাই অহা সদ্যপ্ৰস্ফুতিত সুন্দৰ ফুলপাহী আমি গচকি মোহাৰি চূৰমাৰ কৰি দিছিলো। পিচদিনা আমি চাৰিওটা বেলেগ বেলেগ ঠাইলৈ গুচি গৈছিলো। মই গুৱাহাটীত থকা পুলিচ বিষয়া মামাৰ লগত থাকি নতুন জীৱন আৰম্ভ কৰিলোহি। ইয়াৰ পিচত কি হ'ল নাজানো। মাত্ৰ শুনিছিলো ৰক্তক্ষৰণত অৰ্ধচেতন তোমাৰ শৰীৰৰ অৱস্থা দেখি তোমাৰ মাৰ হাৰ্ট এটেক হৈ মৃত্যু হৈছিল। তুমি বহুদিন মানুহৰ লগত কথাবতৰা পতা নাছিলা।

জীৱনৰ মাজে মাজে কেতিয়াবা তোমাৰ কথা মনলৈ আহিছিল যদিও কেতিয়াও অনুতাপ আৰু অনুশোচনাত জীৱনটো সুকলমেই অতিক্ৰম হৈছিল। পত্নী, দুজনী উপযুক্ত ছোৱালী, আৰু সুন্দৰ ব্যৱসায়, ঘৰ-দুৱাৰ, গাড়ীৰে মোৰ সুন্দৰ সংসাৰ আছিল। পত্নী জ্যোতি ধনী ঘৰৰ ছোৱালী আছিল। বিয়াৰ পিচত তেওঁৰ স্বভাৱ পৰিৱৰ্তন নহ'ল। দহ বছৰৰ আগতে জ্যোতিৰ এক কাৰ একচিডেন্টত



মৃত্যু হয়। পিচত জানিব পাৰিছিলো কোনোৱা অবৈধ প্ৰেমীকে জীৱনৰ বাটৰ হেঙাৰ আঁতৰাবলৈ জ্যোতিক এইদৰে হত্যা কৰিছিল। ডাঙৰ ছোৱালী অঞ্জনা মাকৰ দৰে উচ্ছৃংখল আছিল। তাইক মই বৰ গুৰুত্ব দিয়া নাছিলো। মেট্ৰিক পাচ কৰাৰ পিচত তাই অসমৰ বাহিৰতে কটাইছিল। অৱশ্যে পঢ়াত সিমান বেয়া নাছিল। বছৰত এবাৰ মাত্ৰ ঘৰলৈ অহা অঞ্জনা দিল্লী বিশ্ববিদ্যালয়ত পঢ়ি থকাৰ সময়তে অন্তৰ্ধান হৈছিল। পিচত বহুত তদন্ত কৰাৰ পাছত পুলিছে জানিবলৈ দিছিল অঞ্জনা কোনোবা ড্ৰাগচ চোৰাং কাৰবাৰৰ এজেন্ট হৈ কাম কৰিছিল পিচত ধৰা পৰাৰ সম্ভাৱনা দেখি দিল্লীৰ পৰা বেলেগ ঠাইত আত্মগোপন কৰি আছে। তেতিয়াৰ পৰা মই তাইৰ খবৰ ল'বলৈ এৰি দিলো। সৰু ছোৱালী নিহাৰিকা সকলোফালৰ পৰা সুন্দৰ আছিল। দেখাত পঢ়া-শুনাত স্বভাৱ-চৰিত্ৰত ভাল হোৱাৰ বাবে সকলোৱে তাইক প্ৰসংশা মৰম কৰিছিল। তাইক লৈয়ে মোৰ সংসাৰৰ সকলো আশা পুহি আছিলো। মোৰ ধন-টকা সম্পত্তিৰ সকলোৰে গৰাকী তায়ে আছিল। সকলোফালৰ পৰা মই তাইক উপপযুক্ত কৰি গঢ়ি তুলিছিলো। কমদিনৰ ভিতৰতে এগৰাকী সুন্দৰ গায়িকাৰূপে তাই প্ৰতিষ্ঠিত হৈছিল। যিবোৰ মানুহে তাইক এবাৰ লগ পায় সতকাই হয়তু তাইৰ হাঁহিমুখীয়া ফুৰ্তিবাজ চেহেৰাটো পাহৰিব নোৱাৰে। বৰ সহজ সৰল আছিল তাই। সকলোকে বিশ্বাসেৰে আপোন কৰি লৈছিল। তাইৰ এই সহজ সৰল স্বভাৱৰ সুযোগ গ্ৰহণ কৰিছিল কেইটামান পিশাচ বন্ধুৱে।

ইংৰাজী বিষয়ত ফাষ্টক্লাচ ফাষ্ট পাই তাই দিল্লী বিশ্ববিদ্যালয়ত পঢ়িবলৈ গৈছিল। অসমৰ বাহিৰলৈ বিশেষকৈ দিল্লী বিশ্ববিদ্যালয়ত তাইক পঢ়িবলৈ পঠাবলৈ মোৰ ইচ্ছা নাছিল যদিও তাইৰ ইচ্ছাক মই বাধা দিব নোৱাৰিলো। তাইক থৈ আহিবৰ সময়ত মোক কৈছিল দেউতা মোৰ ওপৰত তোমাৰ সম্পূৰ্ণ বিশ্বাস আছে। মোৰো নিজৰ ওপৰত বিশ্বাস আছে। ভয় নকৰিবা মোৰ একো বিপদ নহয়। মই শিক্ষা ল'বলৈ আহিছো এই কথা মই সদাই মনত ৰাখিম।

মই নিহাৰিকাক দিল্লীত থৈ আহিলো। তাৰপাছত মই তাইক আৰু জীৱিত অৱস্থাত লগ নাপালো। দিল্লীত লগ পোৱা ডেইজী নামৰ বান্ধৱীজনীয়ে তাইক এদিন লগৰ বন্ধু দুজনমানৰ লগত তাইক চিনাকি কৰাই দিছিল। তাই বৰ সহজতে মানুহৰ লগত বন্ধুত্ব গঢ়িব পাৰিছিল তাতে সেই ল'ৰা কেইজন বিশ্ববিদ্যালয়ৰে ছাত্ৰ আছিল। কিন্তু নিহাৰিকাই সপোনতো ভবা নাছিল তাইৰ লগত ইমান আন্তৰিক বন্ধুত্ব গঢ়িতোলা এই ল'ৰাকেইজনে ডেইজীৰ সহায়ত তাইক সিহঁতৰ চক্ৰবেহুৰ মাজত সোমোৱাই সিহঁতৰ স্বাৰ্থত ব্যৱহাৰ কৰিবলৈ ফান্দ পাতিছিল বুলি। যোৱা একত্ৰিশ ডিচেম্বৰ কথা ডেইজীয়ে প্ৰগ্ৰেম কৰি নিহাৰিকাক লৈ গৈছিল এখন অত্যাধুনিক হোটেললৈ। হোটেল মেনেজাৰে ডেইজীক হয়তু আগৰপৰাই চিনি পাইছিল। তেখেতে এজন ওৱেটাৰক মাতি চাবি একোচাদি ডেইজীহঁতক লৈ যাবলৈ আদেশ দিছিল নিৰ্দিষ্ট ৰূমলৈ। নিহাৰিকাৰ যাবলৈ ইচ্ছা নাছিল যদিও বছৰৰ শেষ দিনটো বান্ধৱী ডেইজীৰ ইচ্ছামতে পালন কৰোঁ বুলিয়েই তাই প্ৰতিবাদ কৰা নাছিল। পাঁচ মহলাৰ ওপৰলৈ লিফটত যাওঁতে তাই ডেইজীক সুধিছিল। কিয় তুমি বাহিৰৰ মুক্ত আকাশৰ তলত বছৰৰ শেষ দিনটো বিদায় নিদি এইদৰে আৱদ্ধ ৰূমৰ মাজত কটাব বিচাৰিছিল।

ডেইজীয়ে হাঁহিমাৰি কৈছিল 'মই মুক্ত আকাশ বতাহ ভাল নাপাওঁ, আৱদ্ধ ৰুমৰ সুখ আনন্দৰ মাজতে মোৰ জীৱন সুখী। সেয়ে তোমাকো যাতে নতুন বছৰবোৰত মোৰ দৰে সুখ আনন্দত কটাব পাৰা তাৰ বাবে আৱদ্ধ ৰুমলৈ লৈ আহিছোঁ।

ৰুমৰ ভিতৰত অত্যাধুনিক ব্যৱস্থা আছিল ইন্টাৰনেটত সিহঁতে বিভিন্নজনৰ লগত যোগাযোগ কৰিছিল। গেমচ খেলিছিল। ওৱেটাৰে দি যোৱা দামী আহাৰ খাইছিল। সেই সময়ত তাই মোৰ লগত কথাও পাতিছিল। এক ঘণ্টামানৰ পাছত ডেইজীৰ সেই বন্ধুকেইজন আহিছিল। ডেইজীয়ে নিহাৰিকাক কৈছিল আমি দুয়োজনীয়ে সম্পূৰ্ণ একান্তভাৱে একত্ৰিশ ডিচেম্বৰ পালন কৰিম বুলি। বন্ধুকেইজন লগতে হোটেলৰ মেনেজাৰজন সোমাই অহাত নিহাৰিকাৰ মনত সন্দেহ জাগিল। সকলোৱে দুয়োকো সম্ভাষণ জনাই ডানলভত বহি পৰিল। নিহাৰিকাই কামৰ অজুহাত দেখুৱাই সিহঁতৰ পৰা বিদায় ল'ব বিচাৰিলে। কিন্তু বন্ধু এজনে ক'লে 'নাই বন্ধু তোমাক কিয়, আমি যাবলৈ দিম আজিৰ দিনটো তোমাৰ কাৰণেই এই আয়োজন নয়নে ডেইজী।' ৰুমৰ লগত সংলগ্ন বেলেগ এটাৰ ৰুমলৈ ডেইজীয়ে নিহাৰিকাক লৈ গ'ল। ৰুমৰ ভিতৰত অশ্লীল ছবিবোৰ দেখি নিহাৰিকাৰ লাজ আৰু ঘৃণা উপজিল। এখন ছবিটো কাপোৰৰ অস্তিত্ব নাছিল। ডেইজীৰ ছবিও তাত আছিল। নিহাৰিকাই খং আৰু ঘৃণাৰে ডেইজীলৈ চালে। ডেইজীয়ে মাত্ৰ ৰহস্যময় হাঁহি মাৰি দেখুৱালে।

সোমাই আহিছিল সেই পিশাচ কেইটা। সিহঁতে নিহাৰিকাক কিছুমান অশ্লীল ফটো তুলিবৰ বাধ্য কৰাব বিচাৰিলে। নিহাৰিকাই কোনোপধ্য বাধ্য নহৈ এই ব্যৱসায় আৰু সিহঁতক আইনৰ হাতত ধৰাই দিয়াৰ ভয় দেখুৱালে। সিহঁতে মাত্ৰ বিদ্ৰুপৰ হাঁহি মাৰিলে আৰু পাছত নিহাৰিকা মোৰ সোনজনীক অচেতন কৰি বৰ বৰ কেইটাই তাইৰ কুমলীয়া দেহাটো থকা-সৰকা কৰিলে। যিদৰে এদিন তোমাক আমি থকা সৰকা কৰিছিলো। যেতিয়া তাই চেতনা আহিছিল তেতিয়া তাই নিজকে উলংগ ৰূপত সেই বন্ধ কোঠাটোত পৰি থকা পালে। তাইক গাটো বিষত ল'ৰচৰ কৰিব পৰা নাছিল। নিশা সিহঁতে তাইক ডেইজীৰ সহায়ত। নিজৰ ৰুমলৈ পঠাই দিছিল আৰু তাই শেষ বাৰলৈ মোক ফোন কৰি সকলো কথা জনাই আত্মহত্যা কৰিছিল।

সেইদিনা মই কান্দিব পৰা নাছিলো। নিহাৰিকাৰ মুখখনৰ পৰিৱৰ্তে মোৰ সন্মুখত ভাঁহি আহিছিল চল্লিচ বছৰৰ আগৰ তোমাৰ সহজ-সৰল পবিত্ৰ চেহেৰাটো। মই অনুতাপত দগ্ধ হৈছিলো। ইয়াৰ পাছত তোমাৰ অনুসন্ধানত ওলাই ঘৰ এৰি দিছিলো আৰু এদিন তোমাক এই চহৰত দেখা পালো। মৃত্যুৰ আগতে তোমাৰ ওচৰত ক্ষমা বিচাৰিবৰ বাবে বাৰে বাৰে সন্মুখীন হৈয়ো এদিনো তোমাক মাতিব নোৱাৰিলো। আজি নিহাৰিকাৰ জন্মদিন তাইৰ জন্মদিনটোত মই বহুত উলহ-মালহেৰে পালন কৰোঁ। চাৰিওফালে মোক যান্ত্ৰনাই আগুৰি ধৰিছে। মই ওলাই আহিছো তোমাৰ সন্মুখীন হ'বলৈ। নাযানো তোমাক লগ কৰিব পাৰিম নে নাই সেয়ে এই চিঠিৰে মোৰ পাপৰ পৰাচিত কৰিলোঁ।

ইতি

উপেন্দ্ৰ"

চল্লিশ বছৰে হৃদয়ত সকলোৰে অজ্ঞাতে কঢ়িয়াই লৈ ফুৰা যান্ত্ৰণা, ক্ষোভ, প্ৰতিশোধৰ জ্বালাক অন্তৰৰ পৰা দলিয়াই দি যোগলতাই কান্দি উঠিল। কান্দোনৰ মাজেদিয়ে অতদিনে তাই ভগৱানৰ ওচৰত বিচাৰি অহা ন্যায় যে এইদৰে ভগৱানে দিব তাই কেতিয়াও ভৰা নাছিল। যোগলতাই তাইৰ দৰে অন্যএজনী যোগলতাৰ জীৱন ধ্বংস কেতিয়াও বিচৰা নাছিল।

যোগলতাৰ কান্দোন শুনি সকলোৱে যোগলতাৰ ৰুমলৈ আহিল। যোগলতাই কান্দি কান্দি মালাক কৈছিল নিহাৰিকাৰ আত্মাই মোক ক্ষমা কৰিবনে?

মালাই চিঠিখন পঢ়ি চালে। অতদিনৰ মাকৰ এই ট্ৰেজেডিভৰা জীৱনৰ ৰহস্য আজি তাই উপলব্ধি কৰিলে। তাই মাকক গাত হাতখন থৈ সান্ত্বনা দিবলৈ চেষ্টা কৰি ক'লে মা গুৱাহাটীত পঢ়োতে নিহাৰিকা মোৰ ভাল বান্ধৱী আছিল আৰু নয়নদাৰ পেহীয়েকৰ জীয়েক ভনীয়েক আছিল। নিহাৰিকাৰ মৃত্যুৱে আমাৰ দুয়োৰে মনত বৰ দুখ দি গ'ল। সেয়ে প্ৰতি একত্ৰিশ ডিচেম্বৰ দিনা আমি নিহাৰিকাৰ আত্মাৰ সদ্গতিৰ বাবে নাঘৰ বা মন্দিৰত ধূপ-বন্তি জ্বলাও আজিৰে পৰা তুমিও থাপনাত নিহাৰিকাৰ আত্মাৰ গতি পাবলৈ ধূপ-বন্তি জ্বলাবা।

নয়নজ্যোতিয়ে সাধনী বাইক গাখীৰ এগিলাচ আনিবলৈ কয়। দিনটো উপবাসে থকা যোগলতাক নয়নে গাখীৰ গিলাচ আগবঢ়াই দি কয় মা আজিৰে পৰা আপোনাৰ সকলো দুখ অন্তৰৰ পৰা আঁতৰাই পঠাওক।

"কিতাপে মানুহৰ মানসিক বিকাশ সাধন কৰি মানুহক সংস্কৃতিবান, ৰুচিবান আৰু চিন্তা, বুদ্ধিৰ বিকাশ সাধন কৰে- যিটো অন্য কোনো মাধ্যমে কৰিব নোৱাৰে। সেয়ে আমি কিতাপ পঢ়িব লাগে।"

— অনুৰাধা শৰ্মা পূজাৰী



# উপহাৰ

পিংকি সন্দিকৈ
উচ্চতৰ মাধ্যমিক প্ৰ থম বৰ্ষ

অপূৰ্ব ৰূপত মৌচুমীক দেখি অনুৰাগ, আবেগত আলোড়িত হৈয়েই তাইক ভাল পাই পেলাইছিল। কিন্তু তাই অন্য পুৰুষৰ বাকদত্তা বুলি জানি খঙত ৰজনীগন্ধা কেইজোপাৰ ওপৰত অত্যাচাৰ চলালে।

ৰাতিপুৱা ছয় মান বাজিছে। প্ৰীতমহঁতৰ কোৱাৰ্টাৰৰ পূৱফালে এজোপা আহত গছ আছে। এই গছজোপাৰ পাতবোৰৰ মাজেদি সেন্দুৰীয়া বেলিটোৰ কোমল পোহৰ আহি প্ৰীতমৰ ৰুমত পৰিছেহি। সি বিচনাৰ পৰা উঠি খিৰিকিখন খুলি দিলে। খিৰিকিৰ কাষৰ ফুলনিত থকা ৰজনীগন্ধাৰ মধুৰ সুবাসত চৌদিশ আমোলমোলকৈ গ'ল। সি মুখ হাত ধুই চাহ খালে। কিতাপ মেলি পঢ়িবলৈ বহাৰ পাছত সি গোন্ধটো বেছিকৈ পালে। সি বহি থাকিব নোৱাৰি বাহিৰলৈ ওলাই আহিল। নিয়ৰৰ টোপাল লাগি সূৰ্যৰ পোহৰত জিকমিকাই থকা ৰজনীগন্ধাৰ ফুলবোৰলৈ চাই তাৰে কেইপাহমান ছিঙি পঢ়া টেবুলত থব বুলি ভাবিলে। কিন্তু সি ছিঙিবলৈ হাত মেলিও বগা ৰজনীগন্ধাৰ থুপিটোলৈ চাই হাত আঁতৰাই আনিলে।

তেনেতে সিহঁতৰ কাষৰ কোৱাৰ্টাৰৰ সন্মুখত এখন গাড়ী ৰ'লহি। গাড়ীৰ ভিতৰৰ পৰা এজন ভদ্ৰলোক, এগৰাকী ভদ্ৰমহিলা আৰু এজনী ছোৱালী নামিল। এওঁলোক কাষৰ কোৱাৰ্টাৰটোৰ নতুন বাসিন্দা। ওখ, লাহী দেহাৰে সৈতে দীঘল বেণীগুঠা চুলিৰে ছোৱালীজনী সঁচাই ধুনীয়া। তাইক চাই প্ৰীতম অলপ সময় আপোন পাহৰা হৈ থাকিল। সি জীৱনত বহুত ছোৱালী দেখিছে কিন্তু কোনো ছোৱালীৰ প্ৰতি সি দুৰ্বলতা অনুভৱ কৰা নাই। কিন্তু ৰজনীগন্ধা ফুলৰ সুবাসত বাহিৰলৈ ওলাই আহি দেখা এই ছোৱালীজনীক কিয় প্ৰথম দেখাতে ভাল লাগিল সেয়া তাৰ বাবেই এক ৰহস্য। ক্ষন্তেকৰ বাবে প্ৰীতমৰ অন্তৰত এটা আশ্চৰ্যৰ হেন্দোলনি খেলি গ'ল।

প্ৰীতম এইবাৰ কটন কলেজৰ স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰ। সহপাঠী সকলৰ মাজত কিছু লাজকুৰীয়া। সি কলেজত হোৱা খেল-ধেমালিতো যোগ নিদিয়ে। কলেজ সপ্তাহ হৈ থকা দিনকেইটা সি ঘৰতে অংক কৰে, চায়েঞ্চ মেগাজিন পঢ়ে। প্ৰীতমৰ কোনো বন্ধু নাই। কিন্তু দুই এজনী ছোৱালীয়ে মেধাৱী ছাত্ৰ বাবে প্ৰীতমৰ বন্ধুত্ব কামনা কৰে। বিশেষ কাৰো প্ৰতি সি আকৰ্ষণ অনুভৱ নকৰে।

কিন্তু আজি ৰাতিপুৱা বেলিৰ কোমল পোহৰত দেখা ছোৱালীজনীৰ প্ৰতি তাৰ এটা আকৰ্ষণ অনুভৱ হৈছে। বাৰে বাৰে তাৰ মনলৈ আহিছে তাইৰ দীঘল চুলিকোচা, পাতল ওঁঠৰ মিচিকিয়া হাঁহি।

প্ৰীতমে দুপৰীয়া ভাত খাই বিচনাত পৰিল যদিও নিদ্ৰাত বিভোৰ হ'ব পৰা নাই। তাইৰ কথা ভাবি ভাবিয়েই এটা সময়ত তাৰ টোপনি ধৰিলে। আবেলি শুই উঠি প্ৰীতম যেতিয়া পঢ়া টেবুলত বহিল, তাৰ চকু পৰিল কাষৰ কোৱাৰ্টাৰৰ গেটখনৰ ওপৰত। ছোৱালীজনীয়ে গেটৰ ওচৰত থিয় হৈ চৌদিশ চাইছে। ৰাতিপুৱাতকৈও তাইক ধুনীয়া দেখাইছে। তাইক তেনেকৈ লুকাই চাই থাকোতে প্ৰীতমৰ অন্তৰত এক বিজুলী সোঁত বৈ গ'ল। সি খিৰিকিৰ পৰ্দা পেলাই নিজকে তাৰপৰা আঁতৰাই আনিলে। সি ভাবিলে কোনো ছোৱালীক দেখি সি আজিলৈকে এনে শিহৰণ অনুভৱ কৰা নাই, কিন্তু আজি তাৰ কি হৈছে? এই প্ৰশ্নটোৱে তাক অস্থিৰ কৰি তুলিলে।

পিচদিনা বিচনাত পৰি আলোচনী এখন পঢ়ি থাকোতেই ছোৱালীজনী প্ৰীতমহঁতৰ ঘৰলৈ আহিছিল। প্ৰীতমৰ লগত চিনাকিও হ'ল। খুব সহজভাৱেই তাৰ লগত তাই কথা পাতিলে। ছোৱালীজনীৰ নাম মৌচুমী। তাইও এইবাৰ স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰী। খুব কম দিনৰ ভিতৰতে মৌচুমী প্ৰীতমৰ ভাল বান্ধৱী হৈ পৰিছিল। লাহে লাহে সি মৌচুমীৰ প্ৰতি এক দুৰ্বলতা অনুভৱ কৰিবলৈ ধৰিলে, প্ৰীতমহঁতৰ ঘৰলৈ দুদিনমান নাহিলে সি নিজেই মৌচুমীৰ ঘৰ ওলাই ছিলগৈ। কিন্তু মৌচুমীক তাৰ মনৰ কথা ক'ব কিদৰে।

আবেলি সি ফুৰিবলৈ ওলাই আছিল। তাৰ দৃষ্টি দূৰৰ পাহাৰখনলৈ। পাহাৰৰ গাতে থকা ঘৰবোৰৰ পৰা চাকিৰ পোহৰ আহিছে। জোনাকবিহীন আকাশৰ পৰা আহিছে সহস্ৰ নক্ষত্ৰৰ টিমিক ঢামাক পোহৰ। দূৰণিবটীয়া সেই শব্দহীন পোহৰৰ ৰেখাবোৰে তালৈ কঢ়িয়াই আনিছে অন্তৰৰ এক নতুন বাৰ্তা। অলপদূৰ গৈ সি ঘৰলৈ উভতিল। ভৰি হাত ধুই পঢ়া টেবুলত বহিল। আজিকালি তাৰ পঢ়াতো ভালদৰে মন নবহা হ'ল। পঢ়িবলৈ ললেই তাৰ মনলৈ আহে মৌচুমী। ৰাতি ভাত পানী খাই দহ বজাত প্ৰীতম বিচনাত পৰিল। পিচদিনা ৰাতিপুৱা আঠবজাত মৌচুমী প্ৰীতমৰ ঘৰত উপস্থিত।

'প্ৰীতম আমাৰ ক্লাছ আৰম্ভ হৈছে। তোমাৰ কিতাপ দুখন দুদিনৰ বাবে দিবানে" তাই ক'লে।

"কিয় নিদিম? আহাঁ চাই লোৱা,

কোনকেইখন লাগে" সি ক'লে। তোমাৰ যিকেইখন প্ৰয়োজন হয় ৰেক আৰু টেবুলত থকা কিতাপৰ মাজৰপৰা চাই লৈ যাবা।

প্ৰীতমৰ ইমান উদাৰতা দেখি মৌচুমী অলপ আচৰিত হ'ল। তাৰ কিয় এই আচৰণ তাই বুজিব নোৱাৰিলে। তাই কিতাপদুখন বিচাৰি ললে আৰু প্ৰীতমৰ মনৰ কথা মনতে থাকি গ'ল। ৰাতিপুৱাই ৰজনীগন্ধাৰ গোন্ধত বাহিৰলৈ ওলাই আহি বেলিৰ কোমল পোহৰত প্ৰথম দেখিয়েই যাৰ প্ৰতি আকৃষ্ট হ'ল তেওঁক মনৰ কথা ক'বলৈ প্ৰীতম ভিতৰি অস্থিৰ হৈ আছিল। অস্থিৰতাৰ লগত যুঁজ-বাগৰ কৰি থাকোতেই প্ৰীতমে মৌচুমীৰ পৰা গম পালে যে তাই আন এজনকহে ভালপাই আৰু অতি সোনকালে দুয়োটাৰে বিয়াও হ'ব। কথাটো জানিব পাৰি সি স্থানুৰ দৰে ক্ষন্তেক সময় তাতে বৈ থাকিল। মৌচুমীৰ পৰা বিদায় লৈ সি অন্তৰত সীমাহীন ৰিক্ততা কঢ়িয়াই ঘৰলৈ উভতিল। ঘৰ পায়েই নিজৰ কোঠালিত সোমাই মৌচুমীলৈ লিখা চিঠিখন উলিয়ালে আৰু চিঠিখনৰ সহস্ৰ অংশ ফালি প্ৰচণ্ড আক্ৰোশত খিৰিকিয়েদি বাহিৰলৈ দলিয়াই দিলে। তাক প্ৰেমত ব্যৰ্থ হোৱাৰ লাজে বেৰি ধৰিলে। সি পঢ়িবলৈ বহিল। কিন্তু সি পঢ়িব নোৱাৰিলে। মনটোৱে তাক সেইখন জগতলৈ লৈ গ'ল, যিখন জগতৰ সম্ৰাজ্ঞী হ'ল মৌচুমী।

মৌচুমীৰ কথা সম্পূৰ্ণ পাহৰি পেলাইছে। সি কেৱল পঢ়াত মনপুতি লাগিছে। নিয়মিতভাৱে ক্লাছ কৰিছে। পৰীক্ষাবিলাকতো ভালদৰেই উত্তীৰ্ণ হৈছে। ফাইনেল পৰীক্ষাত সি তৃতীয় স্থান অধিকাৰ কৰিলে আৰু মৌচুমীয়ে সপ্তম স্থান অধিকাৰ কৰিলে।

আজিকালি মৌচুমী প্ৰীতমহঁতৰ ঘৰলৈ বেছিকৈ নাহে। তাইৰ আগৰ চঞ্চলতা এতিয়া নাই। তাইৰ আগৰ চঞ্চলতা এতিয়া নাই। তাই এতিয়া দ্বৈত জীৱনৰ বাবে মানসিকভাৱে প্ৰস্তুত। মৌচুমীৰ বিয়াও ঠিক হ'ল। মৌচুমীৰ ককায়েকো আহি পালেহি। প্ৰীতমেও বিয়াৰ কামত পুনোদ্যমে লাগি গ'ল। প্ৰীতমৰ মনত এতিয়া আৰু হেঁকুওৱাৰ হতাশা নাই। ৰিক্ততাৰ বেদনাই তাক এতিয়া দুখ দি থকা নাই। অশ্ৰু আপ্লুত অথচ মৰম স্নিগ্ধ মৌচুমীক সি মনৰ মাজত ধৰি ৰাখিব। বিয়াৰ আগদিনা সি ভাবিলে মৌচুমীক সি উপহাৰ দিব। তাইক দিবলগীয়া কিনো আছে তাৰ। ৰাতি বিচনাত পৰাৰ পাচত তাৰ নাকত এটা পৰিচিত গোন্ধ লাগিল। ৰজনীগন্ধা ফুলৰ গোন্ধ। আগফালৰ ফুলনিত ৰজনীগন্ধাৰ ডাল ভৰি ফুল ফুলি আছে। এদিন সি এই ফুলৰ সুবাসতে ওলাই আহি মৌচুমীক দেখা পাইছিল। অপূৰ্ব ৰূপত মৌচুমীক দেখি অনুৰাগ, আবেগত আলোড়িত হৈয়েই তাইক ভাল পাই পেলাইছিল। কিন্তু তাই অন্য পুৰুষৰ বাকদত্তা বুলি জানি খঙত ৰজনীগন্ধা কেইজোপাৰ ওপৰত অত্যাচাৰ চলালে। তাৰ পাছত মাকৰ পৰামৰ্শমতে আকৌ তাত সাৰ-পানী দিলে। আৰু আজি তাত ফুল ফুলিছে। বৰষুণৰ পানীৰে সিক্ত হোৱা, জোনাকৰ পোহৰেৰে মায়াময় হোৱা ৰজনীগন্ধাবোৰলৈ চাই তাৰ চকুৰ সন্মুখত মৌচুমীৰ মুখখন ভাহি উঠিল। সি মনতে ঠিক কৰিলে কালিলৈ মৌচুমীৰ বিয়াত ৰজনীগন্ধাৰ ডাল ভৰি ফুলি থকা ফুলৰ ডালকেইটা চিঙিব। এই ৰজনীগন্ধাৰ ফুলেই হ'ব মৌচুমীৰ বিয়ালৈ প্ৰীতমৰ মৰমৰ উপহাৰ।



সিও তাৰ শূন্য হৃদয় পূৰ্ণ কৰিছিল নিমিৰ প্ৰতিচ্ছবি আকি। সেই ভালপোৱাই তাইক বহুতো অভিজ্ঞতা দিছিল। অভিনৰৰ প্ৰতি তাইৰ মৰম বাঢ়িছিল। এদিন সিহঁতে গভীৰভাৱে ভাল পাই পেলাইছিল ইটোৱে-সিটোক। নিবিড় হৈ পৰিছিল সিহঁতৰ ভালপোৱা।

# স্মৃতি হ'ব খোজা সেউজীয়াবোৰ



নিতুমণি দত্ত
স্নাতক দ্বিতীয় বৰ্ষ

সময়বোৰ বোৱতী নদীৰ দৰেই পাৰ হৈ গৈছিল। দিনৰ পাছত দিন শেষ হৈ আছিল। ৰাতিৰ শেষত পুনৰ ৰাতিপুৱা হৈছে। আবেগ আৰু সপোনৰ সংমিশ্ৰণত এক কজলা ৰঙে গা কৰি উঠিছে...........হয়তো সৃষ্টিৰ দুৱাৰত টুকৰ মাৰিবৰ বাবে। 'অনুভূতি' ........ ইয়ো হৃদয়ৰ আৱৰণ খুলি 'ঢালি' দিব খোজা এক কবিতাৰ মুনিচুনি প্ৰহৰ। এইখিনিতে 'নাতিদূৰত এক নীৰৱ সাক্ষী প্ৰনয়ী। নিতৌ 'একেই খেলা। পুৱাৰ নীলিম আকাশৰ হৃদয়ৰ পৰা হাঁহি হাঁহি নামি আহিছে ৰূপালী সুৰুযৰ মিঠা মিঠা কোমলতা পোহৰ। পোহৰে কঢ়িয়াই আনিছে সকলোৰে বাবে নতুন নতুন আমেজ। কিন্তু ...... । নমিৰ বাবে পোহৰে কোনো নতুনত্ব বহন কৰি আনিব পৰা নাই.........., নাই কোনো আধুনিকতাৰ প্ৰশ্ৰয়, কোনে দিবহি বাৰু তাইক সোণবৰণীয়া মৰমৰ বাতৰি। তথাপি প্ৰতিক্ষা..... । এৰা প্ৰতিক্ষা। আচলতে অভিলাস বস্তুটোৰেই প্ৰতিক্ষা। পৰিৱেশ আৰু সময় অনুযায়ী পাব বিচাৰিলেও পাব নোৱাৰি।

মানুহৰ জীৱনৰ বিচিত্ৰ চিন্তাধাৰাই মানুহৰ বিভিন্ন ব্যক্তিত্বক উদঙাই। তাৰে এটি উদাহৰণ নিমি। বাৰাণ্ডাৰ চুকত ফুলেৰে দোলাদি থকা নাৰ্জী

ফুলজোপাৰ কাষতে চকীখনত আপোন বিভোৰ হৈ বহি আছিল। ইমান চেষ্টা কৰা সত্বেও আজি তাই নির্জনতা সাক্ষী বহন কৰি অনা বুকুৰ ভাষাক কোনো আকাৰ দিব পৰা নাই। কিবা আকাংখ্যাত তাইৰ হিয়াখন আজি দুৰু-দুৰুকৈ কপি উঠিছে। কিয়.... বাৰু এনে হৈছে তাই আজি? অন্য নহ'লেও আজি এই ক্ষণত অতীতৰ স্মৃতিবোৰ সঞ্জীৱনী সংগীত হৈ প্রত্যাৱর্তন ঘটিছে। অভিনৱৰ হাঁহি ভৰা মুখখনিয়ে নিমিক বৰকৈ আমনি কৰিছে। নিমিৰ শৈশৱৰ প্রতিটো স্মৃতিৰ লগতে অভিনৱ নামৰ ব্যক্তিজনে এক সুকীয়া স্থান দখল কৰিছে।

.............কেই বাদিনৰ পৰা নিমি অন্যমনস্ক হৈ আছে। তাইৰ ক'ত ভুল হ'ল যে তাইৰ ভালপোৱা আজি হেৰাই যাব ধৰিছে। হিয়া উজাৰি ভালপোৱা অভিনৱক হেৰুৱাৰ ভয়ত তাইৰ ভালপোৱা অভিনৱক হেৰুৱাৰ ভয়ত তাইৰ অনন্তৰ জহিখহি গৈছে। মনত এসোপা প্রশ্নই জুমুৰি ধৰিছেহি; কিন্তু সেই প্রশ্নৰ উত্তৰ তাইৰ ওচৰত নাই। ইমাননো বেয়া হৈ গ'লনে নিমি, অভিনৱৰ চকুত। অশেষ কষ্ট কৰি নিমিয়ে সিহঁতৰ ভালপোৱা জীয়াই ৰাখিবলৈ চেষ্টা কৰিছিল, বুজাইছিল অভিনৱকো। হয়তো সি বুজিছিল; নে তাইৰ আগত বুজাৰ ভাও ধৰিছিল? আজি পাঁচ ছয়বছৰে নিমিৰ মৰমে কংকনাই হ'ল সিহঁতৰ ভালপোৱাৰ হেঙাৰ স্বৰূপ। নিৰিঘ্নে ভাবিছিল হয়তো কংকনাৰ পৰা আঁতৰ হ'লেই আকৌ তাইৰ ওচৰলৈ সি দৌৰি আহিব। কিন্তু এইকেইদিনত যি দেখিছে, সি যে সকলোবোৰ পাহৰি গৈছে। হয়তো কংকনাৰ প্রেমে তাক ৰিঙিয়াই মাতিছে। নতুন প্রেমৰ নিমন্ত্রণ পাই নিমিক পাহৰিব ধৰিছে। অকলশৰীয়া হৈ পৰিছে নিমি। কাৰোবাৰ প্রতি অসীম ভালপোৱাৰ প্রতিদিনে এয়াই নেকি? উজাগৰি নিশা নিমিৰ দুচকুত স্বপ্ন-দুঃস্বপ্নৰ মেলা। মনৰ অস্থিৰতাক, বিষাদ যন্ত্রণাক প্রতিৰোধ কৰা সামান্য শক্তিকনো তাই যে হেৰুৱাই পেলাইছে। কান্দি উন্মনা হৈও অশান্ত মনলৈ শান্তি আনিব পৰা নাই। সঁচাকৈয়ে বাৰু তাইক অভিয়ে পাহৰি গ'ল নেকি?

তেতিয়া নিমি হাইস্কুলীয়া ছাত্রী আৰু অভিনৱ স্নাতক ডিগ্রী লাভ কৰি শিক্ষকতা কৰি আছিল। সিহঁতৰ গাঁৱত প্রথম প্রতিষ্ঠা দিৱসতেই লগ পাইছিল। সেই লগপোৱাৰ পিচৰেপৰা সিহঁতৰ মাজত ভালপোৱাৰ সম্বন্ধই গঢ় লৈ উঠিছিল। আৰু অভিনৱ তাইৰ কাৰণে হৈ পৰিছিল 'Friend, Philosopher and Guide'ৰ দৰে। অভিয়ে নিমিক কেতিয়াও একোৰে অভাৱ অনুভৱ কৰিবলৈ নিদিছিল। অভিনৱৰ সহজ-সৰল মন, ধেমেলীয়া কথা আৰু ক'তয়ে কি! নিমিৰ খুউব ভাল লাগিছিল তাক। অভিনৱৰ মাজতে বিচাৰি পাইছিল তাই নিবিচৰাকে মনৰ মানুহজন। তাইৰ প্রতিটো মনৰ কথা তাৰ আগত অৱগত কৰিছিল। তাইৰ হৃদয়ৰ মনিকোঠাত তাক নিগাজীকৈ বহুৱাই লৈছিল। সিও তাৰ শূন্য হৃদয় পূর্ণ কৰিছিল নিমিৰ প্রতিচ্ছবি আকি। সেই ভালপোৱাই তাইক বহুতো অভিজ্ঞতা দিছিল। অভিনৱৰ প্রতি তাইৰ মৰম বাঢ়িছিল। এদিন সিহঁতে গভীৰভাৱে ভাল পাই পেলাইছিল ইটোৱে-সিটোক। নিবিড় হৈ পৰিছিল সিহঁতৰ ভালপোৱা।

নানা উত্থান-পতনৰ মাজেৰেই জীৱনৰ বাট। সময়ে যে কাৰো বাবে ৰৈ নাথাকে। দিন-বাগৰি যোৱাৰ লগে লগে নিমিয়ে অনুভৱ কৰিলে, অভিয়ে যেন তাইৰ মাজৰ পৰা ক্রমান্বয়ে আঁতৰি যাব ধৰিছে। তাৰ প্রতিটো কথাত তাই আচৰিত



হৈ পৰিল। নিমিৰ প্রতিটো কথা আৰু কামেই, অভিনৱৰ বাবে হৈ পৰিল অৱহেলা। তাই কিবা কথা কলেও গুৰুত্ব সহকাৰে নলয়। ভালপোৱাজনক হেৰুৱাৰ বেদনাই তাইক খুলি খুলি খাবলৈ ধৰিলে। ইমান বিশ্বাস কৰি মৰম-ভালপোৱাবোৰ উজাৰি দিছিল। তথাপিতো তাই বিশ্বাস হেৰুৱা নাছিল। তাইৰ গভীৰ বিশ্বাস আছিল অভিনৱ এদিন ঘূৰি আহিবলৈ তাইৰ ওচৰলৈ। সেই সময়লৈ তাই অধীৰ আগ্রহেৰে বাট চাই আছে। তাইৰ সঁচা ভালপোৱাক সি কেতিয়াও দলিয়াই নেপেলায়।

সময় বৰ নিষ্ঠুৰ। নিমিৰ ঘৰতো সিহঁতৰ এই সম্পর্কৰ বিষয়ে জানিব পাৰি অলপ খেলিমেলি হৈছে। কাক বুজাব তাইৰ মনৰ কথা। কোনেও বুজি নাপায়। তাইৰ তাঁলৈ থকা অন্তৰৰ সঁচা মৰমকণ। যাক মনৰ কথা কৈছিল সিও আজি তাইৰ বাবে অন্য পথৰ পথিক। তাইৰ মৰমক এনেদৰে কাঢ়ি নিয়াৰ বাবে ভগৱানৰ ওপৰত খুওব খং উঠিল। অভিনৱৰ পৰিৱর্তনে নিমিক বাৰুকৈয়ে হতভম্ব কৰিলে। তাই ভালদৰে জানে যে তাইৰ হৃদয়ত অভিনৱক যি স্থানত বহুৱাই ৰাখিছে, সেই ঠাই আনে ল'ব নোৱাৰে। মাৰ যাব ধৰে নিমিৰ সুখানুভূতি। দিন-ৰাতিবোৰ নেযায় নোপুৱায়। বাধাহীন কান্দোন তাইৰ দুচকুৰ ঘুমতি হৰি নিয়ে। নিমিয়ে উপায়হীন হৈ মাকৰ আগতে তাইৰ কথাবোৰ অৱগত কৰিবনেকি ভাবে। মাকে বা কি ক'ব! নিমিয়ে জানে অভিৰ কোনো লক্ষ্য তাইৰ আগত কোৱা নাই। যদি তাইৰ মৰমক নুবুজে কি হ'ব নিমিৰ। অনেক ভাৱ-চিন্তাৰে নিমিৰ মন উদাস হৈ পৰিল। কেতিয়াবা নিমিৰ ভাৱ হয় তাইৰ দুর্বলতাৰ সুযোগ লৈ সি অভিনয় কৰিলে নেকি অতদিনে? নহয়, হ'বই নোৱাৰে। তাই এইবোৰ ভাবিব পাৰিলে কেনেকৈ যিতো তাইক ভাল পায়। তাইৰ বিশ্বাস আছে সিহঁতৰ ভালপোৱা যদি প্রকৃততে নিকা মনৰ, তেতিয়া হ'লে এদিন মিলন হ'বই। হয়তো পাহৰি যাব পাৰে অভিয়ে, কিন্তু নিমিয়ে কেতিয়াও পাহৰি নাযায়। তাইৰ জীৱনলৈ অভিনৱ ঘূৰি অহাটো কামনা কৰি অপেক্ষা কৰি ৰ'ব। তাইতো প্রকৃত প্রেম কৰিছে, দুখ-কষ্ট সহ্য কৰি হ'লেও ৰৈ থাকিব। গভীৰ নিশাতো তাইৰ বাবে ভয়াবহ হৈ পৰে। কোনে বুজ ল'ব তাইৰ অন্তৰৰ বেদনা।

অতপৰে চিন্তাত তন্ময় হৈ বহি থকা নিমিৰ হঠাৎ বাস্তৱ জগতলৈ ঘূৰি আহিল। কিমন সময় তাই অতীত ৰোমন্থন কৰিছিল গমকে নাপালে। নিমিৰ জীৱনটো এটা গল্পৰ দৰে লাগিল। তাই উত্তেজনাত কপিবলৈ ধৰিলে। অভিৰ মুখখনে নিমিক খুউব আমনি কৰিলে। অশ্রুসিক্ত নয়নেৰে তাই বাট চাই ৰ'ব অভিনৱৰ আগমনলৈ......। তাইৰ মনত পৰিলে কলেজৰ আলোচনী বিভাগৰ সম্পাদকে আলোচনীৰ বাবে ছাত্র-ছাত্রীৰ লেখা দিবলৈ জাননী দিয়াৰ কথা। আজি তাই জীৱনত ঘটা ঘটনা বিলাকক গল্পৰ আকাৰত লিখিব। মনৰ দুখ কোনোমতে সামৰি গল্প লিখিবলৈ বুলি হাতত কলমটো লৈ বহি পৰিল টেবুলৰ কাষত......।

অবিনাশক দিল্লীত থবলৈ যাওঁতেই ঘটি গৈছিল সেই ভয়াবহ অতি মৰ্মান্তিক ঘটনাটো। সিহঁতে ৰেলেৰে যাত্ৰা আৰম্ভ কৰে। আৰু ৰেলখন বিহাৰ পোৱাৰ অলপ আগতে এটা প্ৰচণ্ড বোমা বিস্ফোৰণে ৰেলখন ধ্বংস কৰি পেলাইছিল।

# বিষাদৰ স্মৃতি




লিলি ফুলকোঁৱৰ

উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ


অফিচৰ পৰা আহিয়েই চাহকাপ খাই অনুলেখাই ৰিনুক কেইটামান কামৰ নিৰ্দেশ দি হাতত মেক্সিম গৰ্কীৰ 'মা' উপন্যাসখন লৈ পঢ়ো বুলি বিচনাত বাগৰ দিলে। গল্প-উপন্যাস পঢ়াতো অনুলেখাৰ বহুদিনীয়া অভ্যাস। কিন্তু আজি তাইৰ উপন্যাসখন পঢ়িবলৈ ইচ্ছা নোযোৱাত কিতাপখন জপাই থলে। মেলি ললে অতি সযতনেৰে ৰখা ফ'টোৰ এলবামটো। এফালৰ পৰা পাত লুটিয়াই ফ'টোবোৰ চাই গ'ল আৰু এখন নিৰ্দিষ্ট ফ'টোত তাইৰ দৃষ্টি থৰ হৈ ৰ'ল। সেই ফ'টোখন আছিল পাঁচ বছৰ আগতে মাক-দেউতাক আৰু একমাত্ৰ ভায়েক অবিনাশে একেলগে তুলা এখনি ফ'টো। ফ'টো চাই তাইৰ এটা কান্দোন ওলাই আহিল। অতীতৰ বিষাদ স্মৃতিবোৰ তাই যিমান পাহৰিবলৈ চেষ্টা কৰিলে সিমান বেছি সজীৱ হৈ উঠে। কেতিয়াবা ভগৱানলৈ তাইৰ খুউব খং উঠে। তাইক বাৰু কিয় ইমান যন্ত্ৰণা দিলে। বুকুত ইমান দুখৰ স্মৃতিলৈ জীয়াই থকাটো কিমান যন্ত্ৰণাদায়ক একমাত্ৰ ভুক্তভোগীজনেহে বুজিব।

অনুলেখাৰ এটা এটাকৈ চিনেমা ৰিলৰ দাৰে মনত পৰিল শৈশৱৰ মধুৰ দিনবোৰৰ কথা সিহঁতৰ ঘৰখনত মাক-দেউতাক একমাত্ৰ ছোৱালী অনুলেখা আৰু অনুলেখাতকৈ দুবছৰ সৰু ভায়েক অবিনাশ। দেউতাক ওচৰৰে কলেজখন প্ৰফেচাৰ আছিল। দেউতাকৰ চাকৰিটোৰে বৰ সুখেৰে চলি সিহঁতৰ চাৰিজনীয়া সংসাৰখন। অনুলেখা আৰু অবিনাশ আছিল মাক-দেউতাকৰ অতি মৰমৰ আদৰৰ আৰু চেনেহৰ। সিহঁত দুয়োটাই একেলগে স্কুললৈ গৈছিল, খেলিছিল, ফুৰিছিল। কিমান যে ৰঙেৰে ভৰি আছিল সেই দিনবোৰ।

দুয়োটাই সৰুৰে পৰা পঢ়া-শুনাত খুউব চোকা আৰু বাধ্য আছিল। শিক্ষক-শিক্ষয়িত্ৰী আৰু ওচৰ চুবুৰীয়াৰ সকলোৰে মৰম কৰিছিল। কিন্তু সিহঁতৰ ৰঙেৰে ভৰা শৈশৱো হেৰাই গৈছিল। শৈশৱ পাৰ হৈ অনুলেখাই যৌৱনত ভৰি দিলে আৰু এদিন সুখ্যাতিৰে মেট্ৰিক পাছ কৰি কলেজ পালেগৈ। মাক-দেউতাকে বহুত আশাৰে উচ্চ শিক্ষা ল'বৰ বাবে তাইক গুৱাহাটীৰ কটন কলেজত পঢ়িবলৈ পঠায় তাইৰ সপোন আছিল ভৱিষ্যতে এগৰাকী কলেজৰ প্ৰৱক্তা হোৱাৰ। তাইৰ সপোন বাস্তৱত ৰূপায়নত হ'বলৈ নৌপাওঁতেই সকলো ওলট-পালট হৈ গৈছিল।

এদিন-দুদিন কৰি কলেজৰ মধুৰ দিনবোৰ পাৰ হৈ গৈছিল। এনেদৰেই এদিন উচ্চতৰ মাধ্যমিকৰ ফাইনেল পৰীক্ষা আৰম্ভ হৈছিল। অনুলেখাই চাৰিটা বিষয়ত লেটাৰ পাই প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল আৰু ইংৰাজীত মেজৰ লৈ বি.এ. পঢ়াৰ সিদ্ধান্ত লৈছিল।

তাৰ কেইদিনমানৰ পাছত ওলাইছিল ভায়েক অবিনাশৰ মেট্ৰিকৰ ৰিজাল্টৰ খবৰ। সেইদিনা সিহঁতৰ ঘৰত পৰীক্ষাৰ খবৰ লোৱা মানুহে ঘৰ ভৰি পৰিছিল। অবিনাশে সকলো বিষয়তে লেটাৰ মাৰ্ক লৈ অসমৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰিছিল। সেইদিনা সিহঁতৰ ঘৰখনে, গাঁওখনৰ লগতে সমগ্ৰ অসমবাসীয়ে আনন্দত মতলীয়া হৈছিল। মাক-দেউতাকৰ আনন্দত দুচকুৰে দুটোপাল অশ্ৰু নিগৰি ওলাইছিল।

এনেদৰে কলেজত নামভৰ্তি কৰাৰ দিন পাইছিলহি মাক-দেউতাক, অবিনাশ আৰু বিদ্যালয়ৰ সকলোৰে সিদ্ধান্ত লৈছিল অবিনাশে দিল্লীত পঢ়িবলৈ যাব বুলি। অবিনাশে চৰকাৰৰ ফালৰ পৰাও বহুত সা-সুবিধা পাইছিল। অৱশ্যে মিটিৰ-কুটুম্ব সকলোৰে অবিনাশক সহায়ৰ হাত আগবঢ়াইছিল।

নিজৰ পুত্ৰক সাতনদীৰ সিপাৰত নজনা দেশত থকাৰ মাক-দেউতাকৰ মনত দুখ লাগিছে যদিও ল'ৰাৰ ভৱিষ্যতৰ এটা নতুন ৰং অনাৰ আশাৰে মনত সৃষ্টি হোৱা সেই বেদনা ৰূপান্তৰিত হৈছে আনন্দলৈ।

অবিনাশক দিল্লীত থবলৈ যাওঁতেই ঘটি গৈছিল সেই ভয়াবহ অতি মৰ্মান্তিক ঘটনাটো। সিহঁতে ৰেলেৰে যাত্ৰা আৰম্ভ কৰে। আৰু ৰেলখন বিহাৰ পোৱাৰ অলপ আগত এটা প্ৰচণ্ড বোমা বিস্ফোৰণে ৰেলখন ধ্বংস কৰি পেলাইছিল। শেষ হৈ গৈছিল সকলোৰে লগতে অবিনাশ, মাক-দেউতাক আৰু খুড়াকৰ দেহ। ইয়াকে হয়তো কয় ভাগ্যৰ লিখন। তাৰ পাছদিনা বাতৰি কাগজত বৰ বৰ হৰফেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ

পাইছিল দিল্লী অভিমুখী ৰেলত ঘটা বিস্ফোৰণৰ কথা আৰু মেট্ৰিকত অসমৰ ভিতৰত দ্বিতীয় স্থান পোৱা অবিনাশৰ কথা।

অনুলেখাই খবৰটো শুনাৰ লগে লগে অচেতন হৈ পৰে। যেতিয়া অনুলেখাই চেতনা ঘূৰাই পাইছিল তেতিয়া নিজকে আৱিষ্কাৰ কৰিছিল এখন হস্পিটেলত।

অকল অনুলেখাই যে দুখত ম্ৰিয়মান হৈ পৰিছিল এনে নহয়। অসমৰ এজন চোকা আৰু সফল ছাত্ৰক হেৰুৱাৰ বেদনাত সমগ্ৰ অসমবাসীয়ে কান্দিছিল। অনুলেখাই চাৰিওফালে ধোঁৱা-কোৱা দেখিছিল আৰু তাই চিঞৰি কান্দিব বিচাৰিও কান্দিব পৰা নাছিল।

এনেকৈ পাৰ হৈ গৈছিল দিন, মাহ, বছৰ সকলোৱে প্ৰায় পাহৰি গৈছিল অবিনাশৰ কথা। মাথোঁ পাহৰিব পৰা নাছিল অনুলেখাই আৰু নোৱাৰেও।

অনুলেখাৰ সপোন সপোন হৈয়ে ৰ'ল। তাইৰ আৰু পঢ়া নহ'ল। যেনে-তেনে অফিচৰ চাকৰি এটা কৰি কাম কৰা ছোৱালী ৰিনুৰ সৈতে বুকুত পাহৰিব নোৱাৰা বিষাদ স্মৃতি একমাত্ৰ মৃত্যুৰ বাহিৰে হয়তো অনুলেখাই কোনো উপায়েৰে পাহৰিব নোৱাৰিব। ❒ ❒

"মানুহে মানুহৰ দৰে বাচি থকাৰ কাৰণে যি ৰাজনীতি ৰচনা কৰা হয় সি হে প্ৰকৃত ৰাজনীতি। চৰকাৰ আমাৰ পিতা আৰু ৰাইজ চৰকাৰৰ সন্তান, গতিকে সন্তানৰ ওপৰত পিতা-মাতাৰ যি কৰ্তব্য চৰকাৰৰো ৰাইজৰ ওপৰত সেই একে কৰ্তব্য। সেয়ে ৰাইজৰ কাৰণেই ৰাজনীতিৰ আৱশ্যক।"

-বিষ্ণুপ্ৰসাদ ৰাভা।

"চিন্তাধাৰাত অন্তদৃষ্টিৰ অভাৱ হ'লেই দেশৰ গুৰুত্বপূৰ্ণ সমস্যাবোৰলৈ আঁকণীয়া ভাৱ আহি পৰে। দেহৰ প্ৰসাধন ভাৰতকৈ অন্তৰৰ প্ৰসাধন ভাৱ জগাই তুলিব পৰাতহে শিক্ষাৰ সাৰ্থকতা।"

— নলিনীবালা দেৱী।

## অলপ খিল্‌খিল্.........

প্ৰেমিকা ঃ আমাৰ বিয়া হ'লে তুমি কিন্তু বহু বস্তু ত্যাগ কৰিব লাগিব। যেনে- চিগাৰেট, মদ, ভাং, জুৱা, ছোৱালীৰ লগত আড্ডা দিয়া, ইত্যাদি।

প্ৰেমিক ঃ তেনেহ'লে আৰু এটা বস্তু ত্যাগ কৰিম বুলি ভাবিছো।

প্ৰেমিকা ঃ কি

প্ৰেমিক ঃ তোমাক বিয়া কৰোৱাৰ পৰিকল্পনা।



# অনুভৱৰ পৃষ্ঠা......

"কবিতা যেন ৰসায়নসিক্ত এডাল সূতাৰ পৰা ওলমি থকা আঙঠি। সূতাডাল পুৰি পেলোৱাৰ পিচতো ওলমি থাকিব পৰা যাদুবিদ্যাৰ আঙঠি।"

— নৱকান্ত বৰুৱা



# নিসংগতা


ৰুনুমী বড়া

স্নাতক তৃতীয় বৰ্ষ


বিশাল জনঅৰণ্যৰ মাজত
আজি মই নিসঙ্গ পক্ষী
নোৱাৰো যাব মই
জনঅৰণ্য ভেদি
স্বাধীনভাৱে উৰি।

জীৱনৰ খলা-বমা পথত
মই আজি অন্ধ পথিক
মোৰ স্বপ্ন নদীৰ সোঁতত
নোৱাৰো যাব আগবাঢ়ি
পদে পদে খাওঁ উজুটি।

দুদিনীয়া জীৱনত মোৰ
দুই নাৱত দুভৰি ৰাখি
বিচিত্ৰ পৃথিৱীত মই
জন অৰণ্যৰ মাজতো আজি
নিসংগতাৰ জালত বন্দী

ধুমুহাত বিধ্বস্ত হোৱা জাহাজৰ
গভীৰ সাগৰৰ মাজত
আজি মই অকলশৰীয়া নাৱিক
সেয়ে মই এতিয়া বিচাৰো
নীৰৱতা আৰু নিসংগতাৰ জীৱসংগী।

# প্ৰতিৰোধ


মানসজ্যোতি টায়ে

উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ


প্ৰতিৰোধ নল'বা মোৰ প্ৰেমৰ পূজাৰী
পৰিণাম বৰ বিষাদময়।
অভিমানো কিয় লাগে
হৃদয়ত যদি প্ৰেম জাগে
সমাধান আছে নিশ্চয়
মৰুৰ মাজত যে মৰিচিকা
কিমান হাবাথুৰি খাই ফুঁৰিছো বিচাৰি,
নিচেই কাষত আছা তুমি
মৰম কি জানি বুজি
কিয় আছা মোক কন্দুৱাই।



# বিহু বতৰ




ভাস্কৰ দত্ত

স্নাতক দ্বিতীয় বৰ্ষ


এইয়া বিহুৰ বতৰ পালেহি
কিন্তু চৌদিশে আজি নিমাত কিয়?
আনন্দত মুখৰিত হৈ থকা
বিহুতলি আজি
শ্মশানত পৰিণত হৈছে
ডেকা জীয়ৰীৰ মুখৰ
হাঁহি হেৰাই গৈছে।
নাই তেওঁলোকৰ মনত
আজি আৰু আগৰ
আনন্দ নাই।
তেওঁলোকৰ মনবোৰ আৱৰি আছে
আউসীৰ কলা আন্ধাৰে
ভয়ত বিবৰ্ণ আজি
সিহঁতৰ মুখবিলাক।
ডেকা বিলাকে ঢোলৰ পৰিৱৰ্তে
হাতত তুলি লৈছে
মৰাত্মক অস্ত্ৰ।
জীয়ৰী বিলাকৰ হাত
ৰাঙলী হৈছে
জেতুকাৰ পৰিৱৰ্তে তেজৰ ৰঙেৰে।
শালৰ গামোচা শালতে
উৰলি গৈছে।
ঢোল বিলাকত নিগনিয়ে
বাস কৰিছে।
বিহুৰ তলিত আজি তেজেৰ
ৰঙেৰে
ৰাঙলী হৈছে।
জীয়ৰী বোৱাৰীবিলাকে
হেঁপাহেৰে
বনোৱা পিঠা-পনাত আজি
ভেঁকুৰে ধৰিছে
মাত্ৰ সকলোৱে প্ৰাণৰ ভয়ত
পলাইছে
এক নিৰাপদ ঠাইলৈ
কিন্তু! এইদৰে আৰু
কিমান দিন.....?

## ভগ্ন হৃদয়

বৰ্ণালী ভৰালী
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

এটুকুৰা ভগ্ন হৃদয় লৈ
জীয়াই আছো মই,
প্ৰতিটো পল অনুপলে
তোমাক বিচাৰি ফুৰোঁ
নাজানো তুমি কিয় মোক
নিথৰুৱা কৰি এৰি গ'লা।
আজিও হেঁপাহেৰে চাই,
চাই আছো তোমালৈ
আহিবানে তুমি মোৰ ভগ্ন
হৃদয় আকৌ গঢ়িবলৈ-।

## তোমাৰ পৰাই

পৰিস্মিতা বৰা
স্নাতক দ্বিতীয় বৰ্ষ

তোমাৰ পৰাই
উপলব্ধি কৰিলো মই,
জীৱনৰ জীয়া ইতিহাস.....
প্ৰেম মৰম সহানুভূতি, বিশ্বাস
আত্মবিশ্বাসৰ সেউজীয়াৰে
জীপাল হৈ উঠিল
মোৰ হৃদয়....
তুমি মোৰ প্ৰাণ
হৃদয়ত বাজি উঠক
সুমধুৰ গান......।
তোমাৰ হাতত হাত থৈ
কৰিলো অঙ্গীকাৰ
প্ৰেমেৰেই কৰিম
জীৱন মহীয়ান।
শান্তিৰ সুবিমল
প্ৰচ্ছয়াৰ
উজলি উঠক
আমাৰ প্ৰেৰণা জীৱন।



## বিষাদৰ স্মৃতি

শিখা ফুলকোঁৱৰ
স্নাতক দ্বিতীয় বৰ্ষ

তুমি আহিছিলা এটা মিঠা
সপোন লৈ
জীৱনৰ প্ৰথম বেলাত।
মোৰ হৃদয়ৰ যি কোণত
ৰাখিছিলো তোমাক অতি যতনে
তুমি মোৰ মাথোঁ মোৰ বুলি
হঠাৎ নিষ্ঠুৰ হৈ গলা
মাথোঁ হৃদয়ত দি গ'লা এজাক বেদনা।
আগতে জনা হ'লে তোমাৰ হৃদয়হীনতাৰ কথা
তোমাৰ প্ৰেমত মাতাল নহ'লো হেঁতেন।
তুমি মোক বুজিও নুবুজিলা
নিৰিবিলি গধূলি দুয়োজানো
ৰচা নাছিলো ৰঙীন সপোন,
তোমাৰ কঠোৰ হৃদয়ে
মোৰ স্বচ্ছ হৃদয় ভাঙি গুচি গ'লা
সকলো স্মৃতি বুকুত বান্ধি
আছো ৰৈ তোমাৰ হৈ....

## কবিৰ অংগীকাৰ

ৰিকুমণি দত্ত
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

আই তোৰ আহ্বানেৰে
বুকুত শ্বহীদৰ সাহসলৈ,
ওলালো জীৱন ৰণলৈ
সন্ত্ৰাসবাদীয়ে যদি বন্দুক টোৱাই
তেতিয়া মই কলম তুলি লম।
বিদ্ৰূপেৰে যদি অগ্নি জ্বলাই,
কাপোৰে তেতিয়া মই চকুলো বোৱাম।
হিংসাৰে যদি কাজিয়া লগাই
তেতিয়া প্ৰেমেৰে পুনৰ মিলন ঘটাম।
গৰ্জনেৰে যদি বিজুলি লগাই
ঢালি দিম লিখনি মোৰ বৃষ্টি সজাই।
অন্যায়, অবিচাৰ নিকা কৰিম
নিৰক্ষৰ নিপীড়িতক জগাই তুলিম।
বিজয়ৰ ধ্বনিৰে মেদিনী কঁপাই,
মাতৃৰ সুনাম কঢ়িয়াই আনিম।
সহস্ৰ প্ৰণিপাত কৰোঁ,
সত্যৰ চৰণ চুই,
হে আই দিয়া আশীৰ্বাদ
হও যেন ৰণত বিজয়ী।

## সংগোপন

জোনালী ভৰালী
উচ্চতৰ প্ৰথম বৰ্ষ

হৃদয়ৰ প্ৰতিটো সজীৱ আৱেগক
সাঁচি ৰাখিবলৈ
এখন হৃদয়ৰ প্ৰয়োজন
সঁচা হৃদয়
তথাপি
কাৰোবাৰ হৃদয়ত টুকুৰীয়াই চোৰা নাই
এতিয়াও....
জুখিও চোৰা নাই কাকো
জোখৰ তুলাচনীত
মৰম, হৃদয় ইত্যাদিবোৰ....
মাথো
হৃদয়ৰ অকণমান উষ্ণতা সাঁচি থৈছো
তেওঁলৈ....
সংগোপনে।



# প্ৰতিবেদন



# উপসভাপতিৰ প্ৰতিবেদন ঃ



প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল বীৰ শ্বহীদে দেশৰ হকে প্ৰাণ আহুতি দি নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি দেশৰ মাতৃ হকে জীৱন উৎসৰ্গিলে সেই সকল মহান শ্বহীদলৈ আৰু লগতে হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাত যি সকল নমস্য ব্যক্তিয়ে শাৰীৰিক আৰু মানসিক কষ্টক আওকান কৰি বৰঙণি আগবঢ়ালে তেখেতসকললৈ মই আন্তৰিক শুভেচ্ছা তথা সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ।

উপ-সভাপতি হিচাপে মই কিমান কি কৰিব পাৰিলোঁ বা কি কৰিব নোৱাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য বিষয় যি সকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে মোক মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ ২০০৭-০৮ বৰ্ষৰ উপ-সভাপতি হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ক উন্নতি হকে সেৱা আগবঢ়াবলৈ সুবিধা দিলে তাৰ বাবে তেওঁলোকলৈ মই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

ছাত্ৰ একতা সভাৰ এজন সদস্য হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পাছত মহাবিদ্যালয়ৰ কিছুমান পদক্ষেপ হাতত পৰিছিল।

মহাবিদ্যালয় বাৰ্ষিক ক্ৰীয়া সপ্তাহ উপ-সভাপতি হিচাপে শ্বহীদ বেদীত বন্তী প্ৰজ্বলন কৰিছিলো। আৰু বিভিন্ন ধৰণৰ কাম সুচাৰুৰূপে পালন কৰিছিলো। মহাবিদ্যালয়ৰ প্ৰতি কাৰ্যসূচীও প্ৰতিজন সদস্যক সহায়ৰ হাত আগবঢ়োৱাত ত্ৰুটি কৰা নাছিলো। উপ-সভাপতি হিচাপে বিভিন্ন ধৰণৰ কাম নাছিল যদিও পৰামৰ্শ দাতা হিচাপে সদায় লগত থাকিছিলো। সকলো সময়তে নিজৰ দায়িত্ব সুকলমে আগবঢ়াই নিছিলো।

প্ৰতিবেদনৰ শেষত হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ, ভাইটি, ভণ্টী আৰু বন্ধু বান্ধৱীলৈ মোৰ শুভেচ্ছা জ্ঞাপন কৰিলো। লগতে মোৰ যদি কেতিয়াবা ভুল হৈছিল তাৰবাবে মই আপোনালোকৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলো। উপ-সভাপতি হিচাপে নিৰ্বাচিত হোৱাত হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় সমূহ ছাত্ৰ-ছাত্ৰী তথা বিশেষভাৱে সহায় কৰা ইনামুল, বিনয়, দীপ, দেৱজিৎ, ধ্ৰুৱ, ভাস্কৰ, জিতু, নিজা, চিৰনঞ্জীৱ, সৌৰভ, অতনু, পাৰ্থ, বিনন্দ, দীপজ্যোতি, জুৰি, ৰিংকি, হামিজা, হিমাদ্ৰী সকলোলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

শেষত হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ সকলো দিশতে উন্নতি আৰু উজ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদন সামৰিলো।

জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়

জয়তু ছাত্ৰ একতা সভা

পংকজ কোঁৱৰ
উপ-সভাপতি



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ



প্ৰতিবেদনৰ আৰম্ভণিতে দেশমাতৃৰ হকে আত্মত্যাগ কৰি যিসকল চিৰনমস্য বীৰে নিজৰ কৰুণ মৃত্যুও এক মহত্তম জাতীয় অৱদানলৈ উত্তৰণ ঘটাইছে, সেইসকল বীৰ শ্বহীদলৈ মোৰ শত-সহস্ৰ প্ৰণিপাত জনাইছোঁ।

ইয়াৰ লগতে আমাৰ মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয় শ্ৰদ্ধাৰ শিক্ষাগুৰুবৃন্দ তথা সমূহ কৰ্মচাৰীসকল আৰু মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাতা ও প্ৰতিষ্ঠাৰ লগতত জড়িত থকা ব্যক্তিসকল আৰু সমূহ শুভাকাংখীলৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ।

২০০৭-০৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনৰ উন্নতিকল্পে সেৱা আগবঢ়োৱাৰ অফুৰন্ত সুযোগ দিয়া সমূহ ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীলৈও মোৰ আন্তৰিক শুভেচ্ছা ও কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বাৰ্ষিক সীমাবদ্ধতাৰ মাজত মহাবিদ্যালয়ৰ হৈ কি কৰিব পাৰিলো বা কি কৰিব নোৱাৰিলো। সেয়া আপোনালোকৰ বিচাৰ্য। কিন্তু অনুষ্ঠানৰ অগ্ৰগতিত নিস্বাৰ্থ নিষ্ঠাৰে চেষ্টাৰ অব্যাহত ৰাখিবলৈ কৃপনালি কৰা নাছিলো। বুলি মই ভাবো। মোৰ কাৰ্যকালত কৰা কৰ্মৰ খতিয়ান আপোনালোকৰ জ্ঞাতাৰ্থে তলত উল্লেখ কৰিলো।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিচতেই পৰম্পৰাগতভাৱে অনুষ্ঠিত কৰা হয় বাৰ্ষিক ক্ৰীড়া সপ্তাহ। ২৮ নৱেম্বৰ তাৰিখৰ পৰা আৰম্ভ হোৱা এই মহাবিদ্যালয় সপ্তাহত বিভিন্ন বিভাগত প্ৰতিযোগীসকলে নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰে আৰু ৭ ডিচেম্বৰ তাৰিখে বঁটা বিতৰণী সভা অনুষ্ঠিত কৰি ইয়াৰ সামৰণি মৰা হয়।

১১ ফেব্ৰুৱাৰীত বিদ্যাৰ অধিষ্ঠাতা দেৱী সৰস্বতীৰ পূজা মহা উলহ-মালহেৰে পালন কৰা হয়।

মাৰ্চ মাহত ভাৰতীয় সেনাবাহিনীৰ ৩১৬ নং ফিল্ড ৰেজিমেণ্টৰ তৰফৰ পৰা ১১ টা কম্পিউটাৰ আমাৰ মহাবিদ্যালয়লৈ প্ৰদান কৰি মহাবিদ্যালয় কম্পিউটাৰ শিক্ষাৰ পাঠ্যক্ৰমৰ সূচনা কৰা হয়। লগতে এটা বাতানুকুল কক্ষও শুভ উদ্বোধন কৰা হয়।

১৯ জুন তাৰিখে ২০০৮ চনৰ নৱাগত ছাত্ৰ ছাত্ৰী সকলৰ আদৰণি সভা অনুষ্ঠিত কৰা হয়। এই উপলক্ষে বিশিষ্ট অতিথি হিচাপে আমন্ত্ৰণ কৰি অনা হৈছিল মৰাণ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষা ড° সুখ বৰুৱা বাইদেউক। ইয়াৰ লগতে বিভিন্ন সুধীজনৰ উপস্থিতিয়ে অনুষ্ঠানলৈ সাফল্যমণ্ডিত কৰাত সহায় কৰিছিল।

১৫ আগষ্টৰ স্বাধীনতা দিৱস উপলক্ষে ১৩ আগষ্টত ভাৰতীয় সেনাবাহিনীৰ ৩১৬ নং ফিল্ড ৰেজিমেণ্টৰ সৌজন্যত এখনি চিত্ৰাঙ্কন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। এই কাৰ্যসূচীৰ

পৰৱৰ্তী অংশৰ ১৬ আগষ্টত এখনি বটা বিতৰণী সভা অনুষ্ঠিত কৰা হয়।

পৰম্পৰাগতভাৱে পালন কৰি অহাৰ দৰে এই বাৰে। ১৫ আগষ্টত অনেক ছাত্ৰ-ছাত্ৰীক উপস্থিতিত স্বাধীনতা দিৱসৰ পতাকা উত্তোলন কৰা হয়। দেশৰ প্ৰতিকুল পৰিস্থিতিকো আওকাণ কৰি ছাত্ৰ-ছাত্ৰীক যি সহঁাৰি আছিল সেয়া লক্ষণীয় বিষয়।

১৮ আগষ্ট তাৰিখে আমাৰ মহাবিদ্যালয়ৰ পৰা আউনিআটি সত্ৰলৈ এক শিক্ষামূলক ভ্ৰমণৰ কাৰ্যসূচী লোৱা হৈছিল য'ত অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল।

বিশ্ব ৰক্তদান দিৱসৰ লগত সঙ্গতি ৰাখি ১ অক্টোবৰত আমাৰ মহাবিদ্যালয়ত জিলা স্বাস্থ্য বিভাগ তথা স্থানীয় সচেতন ৰাইজৰ সৌজন্যত এক ৰক্তদান শিৱিৰৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ বিভিন্ন ছাত্ৰৰ লগতে স্থানীয় ৰাইজৰ অংশগ্ৰহনে এই কাৰ্যসূচী সফলৰূপে ৰূপায়িত কৰাত সহায় কৰে।

আগষ্ট মাহৰেপৰা নিৰ্মাণ কাৰ্য চলি থকা আমাৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাতা প্ৰয়াত হেমচন্দ্ৰ দেৱগোস্বামীৰ প্ৰভুৰ এটি প্ৰতিমূৰ্তি ২৭ অক্টোবৰত পীতাম্বৰ দেৱগোস্বামী প্ৰভুৰ দ্বাৰা উদ্বোধন কৰা হয়।

ইয়াৰোপৰি মোৰ কাৰ্যকালতে মহাবিদ্যালয়ৰ ছাত্ৰী-জিৰণি চ'ৰাৰ পকীকৰণ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

মাত্ৰ এবছৰৰ সীমিত কাৰ্যকালৰ ভিতৰত সকলোখিনি সমস্যা সম্পৰ্ণৰূপে সমাধান কৰাটো সম্ভৱ নহয়। কিন্তু ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী তথা শিক্ষাগুৰুসকলৰ সহায়-সহযোগ আৰু অনুপ্ৰেৰণাই মোক বছৰটোৰ বাবে মহাবিদ্যালয়ৰ এক উৎকৃষ্ট সেৱাৰ সুযোগ দি শিক্ষানুষ্ঠানটিৰ উন্নতিত অবিহনা যোগালে। আশাকৰোঁ মোৰ কাৰ্যকালত সম্পূৰ্ণ হৈ নোৱা মহাবিদ্যালয়ৰ সমস্যাৰাজি ভৱিষ্যৎৰ নৱ-নিৰ্বাচিত প্ৰতিনিধি সকলে সমাধা কৰিব।

কৃতজ্ঞতা ঃ

মোৰ কাৰ্যকাল সফলভাৱে ৰূপায়িত কৰাত যিসকল সন্মানীয় ব্যক্তি, বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীৰ দিহা-পৰামৰ্শ, উৎসাহ-উদ্দীপনা, অনুপ্ৰেৰণাই সময় কৰিলে সেই সকলক ভিতৰত বিশেষ উল্লেখযোগ্যভাৱে শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, সন্মানীয় কাৰ্যকৰী সভাপতি শ্ৰীযুত সঞ্জীৱ গোহাঁইদাৰ তথা সমূহ শিক্ষাগুৰুবৃন্দ আৰু কৰ্মচাৰীসকললৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰোপৰি সততে কাষত পাই থকা অনুজ কুমাৰ দত্ত, ভাস্কৰ দত্ত, সুৰজিৎ গগৈ, ডেভিদ গগৈ, পাৰ্থ চাংমাই, নোমল চাংমাই, ঋতুপ্ৰৱন গগৈ, লক্ষী দত্ত, লোহিত সন্দিকৈ, দেৱজিৎ চাংমাই, অঞ্জন দত্ত, পাৰ্থ গগৈ, মুনমী গগৈ, ববী ফুল কোঁৱৰ, মৌচুমী বৰুৱা, অংগনা চেলেং, অঞ্জনা শৰ্মা, ডিম্পী কোঁৱৰ, মৌচুমী ফুকন, নিতুমণি দত্ত আদি কৰি সকলো বন্ধু-বান্ধৱী আৰু ছাত্ৰ-ছাত্ৰীকে মোৰ অশেষ কৃতজ্ঞতা যাঁচিছো।

শেষত মহাবিদ্যালয়ৰ ভৱিষ্যৎ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়

জয়তু ছাত্ৰ একতা সভা

মানসপ্ৰতিম বৰবৰুৱা
সাধাৰণ সম্পাদক



# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল মহান ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ যিসকলৰ অশেষ ত্যাগ আৰু চেষ্টাৰ ফলত আমাৰ মহাবিদ্যালয়খনি বৰ্তমান অৱস্থাত উপনীত হৈছেহি লগতে মোৰ চিৰ নমস্য মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকললৈ শ্ৰদ্ধা নিবেদিছো।

২০০৭-০৮ বৰ্ষৰ হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহঃসাধাৰণ সম্পাদক পদৰ বাবে প্ৰাৰ্থীত্ব আগবঢ়াইছিলো। কিন্তু মই ভাগ্যবান আছিলো যে বিনা প্ৰতিদ্বন্দিতাৰে জয়ী হৈছিলো। মোৰ মনত যি দেশৰ হকে, সমাজৰ অৰ্থে কাম কৰাৰ ইচ্ছা আছিল সেইটো মই কাৰ্যক্ষেত্ৰত কৰি দেখুৱাব পাৰিম বুলি ভাবি আনন্দিত হৈছিলো। কিন্তু দুখৰ বিষয় আমাৰ ছাত্ৰ একতা সভাৰ সাঃসম্পাদকে ক'লে যে সাধাৰণ সম্পাদক থকা অৱস্থাত সহঃ সাধাৰণ সম্পাদকৰ বিশেষ একো কাম নাই। তথাপিও মই ২০০৭-০৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ দুখনকৈ কাৰ্যনিৰ্বাহক সভাত উপস্থিত থাকি বিভিন্ন বিভাগৰ সম্পাদকসকলক বিভিন্ন কামত সহায় সহযোগিতা আগবঢ়াইছিলো।

কৃতজ্ঞতা স্বীকাৰ ঃ

মই ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সহঃ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হোৱাৰ পিছত অৰ্থনীতি বিভাগৰ প্ৰৱক্তা মোৰ শ্ৰদ্ধাৰ গোহাঁই ছাৰৰ পৰামৰ্শৰ বাবে মই তেওঁৰ ওচৰত কৃতজ্ঞ। ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিবলৈ প্ৰেৰণা যোগোৱা মোৰ বন্ধু ৰাতুল, অনুজ ভগ্নী আৰু ভাতৃ মাইনু আৰু বিজিতলৈ কৃতজ্ঞতা জনাইছোঁ। লগতে মোৰ বন্ধু-বান্ধৱীসকলৰ ভিতৰত ভৰত, ভাস্কৰ, পবিত্ৰ, বেদান্ত, জুলী, কৰবী, দিম্পী, পিংকী আৰু মোৰ সমূহ শুভাকাংখীলৈ এই আপাহতে কৃতজ্ঞতা জনালোঁ।

জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়

জয়তু ছাত্ৰ একতা সভা

প্ৰবাল গগৈ
সহঃ সাধাৰণ সম্পাদক

# সমাজসেৱা বিভাগৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল বীৰ শ্বহীদে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি দেহৰ কেঁচা তেজ ঢালি দেশ তথা জাতিৰ অস্তিত্ব ৰক্ষাৰ অৰ্থে জীৱন উৰ্সগা কৰিলে সেই সকলৰ পৱিত্ৰ স্মৃতিত সশ্ৰদ্ধ প্ৰণাম জনালোঁ।

বুৰঞ্জীয়ে পৰশাৰ শ্ৰীশ্ৰী হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় প্ৰতিস্থাপক তথা শ্ৰীশ্ৰীআউনী আটি সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ শ্ৰীশ্ৰীহেমচন্দ্ৰ দেৱগোস্বামী প্ৰভুলৈ শতকোটি প্ৰণাম যাছিলোঁ।

২০০৭-২০০৮ বৰ্ষৰ একতা সভাৰ সমাজসেৱা বিভাগৰ সম্পাদক হিচাপে মহাবিদ্যালয় উন্নতিৰ হকে সেৱা আগবঢ়াবলৈ দিয়া সমূহ ছাত্ৰ-ছাত্ৰী, দাদা-বাইদেউ আৰু বন্ধু-বান্ধৱীসকললৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

এই কাৰ্য কালত সকলো দিশতে দিহা-পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয় অধ্যক্ষ শ্ৰীযুত লোহিত কুমাৰ শইকীয়া আৰু বিভাগীয় উপদেষ্টা শ্ৰীযুত শিৱৰঞ্জন শৰ্মা দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সমাজসেৱা বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি মোৰ ওপৰত ন্যস্ত দুটামান কাৰ্যৰ বাহিৰে কিবা নতুনত্ব কাৰ্য সিদ্ধি কৰিব পাৰিলোনে নোৱাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য। বছৰটোৰ আৰম্ভণিতে ৪২ তম বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ প্ৰাক মুহূৰ্তত খেলপথাৰ আৰু মহাবিদ্যালয় চৌহদ পৰিস্কাৰ কৰাৰ লগতে তোৰণ নিৰ্মাণ কৰোঁ। ইয়াৰ পাছতে সৰস্বতী পূজাৰ সময়ত তোৰণ নিৰ্মাণ কৰোঁ। মহাবিদ্যালয় প্ৰত্যেকটোৰ শ্ৰেণী কক্ষৰ চাফ চিকুনতাৰ লগতে ৰং দিয়াওঁ। মহাবিদ্যালয় চৌহদ প্ৰাঙ্গনৰ ভিতৰত এৱাল দিয়া গৰু-ছাগলী ছাত্ৰ একতা সভাৰ তৰফৰ পৰা বন্ধ কৰোঁ। মহাবিদ্যালয় উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ অহা দাদা-বাইদেউ আৰু ভাইটি-ভণ্টী সকলক আদৰণি জনাব কাৰণে তোৰণ নিৰ্মান কৰোঁ। যি বাকী কাম আধৰুৱা হৈ থাকি গছল সেই কাৰ্য যাতে সফলৰূপে ৰূপায়ন হয় তাৰ বাবে নৱ-নিৰ্বাচিত সম্পাদকৰ ওচৰত এইখিনিতে পদক্ষেপ ল'বলৈ অনুৰোধ জনালোঁ।

মোক সকলো কাৰ্যতে সহায় সহযোগিতা কৰা বন্ধু-বান্ধৱী, দাদা-বাইদেউ সকলোলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত অজানিতে হৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰি আৰু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা।।

পাৰ্থ প্ৰতিম গগৈ
সমাজ সেৱা বিভাগৰ সম্পাদক



# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে দেশ ৰক্ষাৰ বাবে যিসকল জ্ঞাত অজ্ঞাত বীৰ শ্বহীদে জীৱন আহুতি দিলে সেই সকল মহান শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

২০০৭-০৮ চনৰ বছৰটোৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাত মোক সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা মোৰ বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মই সাংস্কৃতিক বিভাগৰ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ প্ৰায় এক সপ্তাহমানৰ পাছতেই মহাবিদ্যালয়ৰ ৪২ তম ক্ৰীড়া সপ্তাহ আৰম্ভ হয়। এই ৪২তম ক্ৰীড়া সপ্তাহত বিভিন্ন প্ৰতিযোগিতাৰ লগতে সংগীত আৰু সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰিবলৈ যাওঁতে মই বহুতো অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছিলোঁ। তথাপিটো শিক্ষাগুৰুসকলৰ সন্মতি আৰু সু-পৰামৰ্শৰ লগতে বন্ধু-বান্ধৱীসকলৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগিতাত মোৰ কামখিনি সুকলমে কৰিবলৈ মই সক্ষম হৈছিলোঁ।

এই সময়চোৱাত সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাবে কাৰ্য পৰিচালনাত কিমান সফল হ'লো সেয়া নাজানো। সেয়া আপোনালোকৰ বিচাৰ্য বিষয়। ইয়াৰ মাজতেই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক মই এষাৰ কথা অৱগত কৰাব বিচাৰিছো যে মহাবিদ্যালয়ত যি কেইপদ বাদ্যযন্ত্ৰ আছে, সেই কেইপদ বস্তু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে যথেষ্ট নহয়। মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশত যি সামগ্ৰী দৰকাৰ যি বিলাক বস্তুৰ প্ৰয়োজন সেইবোৰ নোহোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। এই প্ৰয়োজনীয় বাদ্য-যন্ত্ৰৰ লগতে প্ৰয়োজনীয় সামগ্ৰীসমূহ আনি ছাত্ৰ-ছাত্ৰীসকলৰ অভাৱ সমূহ দূৰ কৰিবলৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ তথা নব নিৰ্বাচিত সম্পাদক আৰু ছাত্ৰ-একতা সভাই উচিত কাৰ্যপন্থা হাতত ল'ব বুলি মই আশা কৰিলোঁ। এই সুযোগতে মোৰ কাৰ্যকালত সকলো দিশতেই সু-পৰামৰ্শ দি মোক প্ৰত্যক মুহূৰ্ততে সহায় আগবঢ়োৱা মোৰ বিভাগীয় উপদেষ্টা শ্ৰীযুত মাধৱ মহন্ত চাৰলৈ মোৰ আন্তৰিক ধন্যবাদ লগতে সেৱা জনালোঁ। মোক এইদৰে সহায় আগবঢ়োৱাৰ বাবে মই চাৰৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰ'লো।

তাৰ লগতে বিভিন্ন দিশত মোক সকলো সময়তে সহায় কৰা বন্ধু সৰ্বশ্ৰী মানস

প্ৰতিম বৰবৰুৱা, অনুজ দত্ত, অংকন দত্ত, পাৰ্থ প্ৰতিম গগৈ, মণ্টু বড়া, জয়ন্ত বড়া, নকুল, সুৰজিত, লুকু, উমেশ, পংকজ, অভিজিত, কৃষ্ণ, পাৰ্থ চাংমাইলৈ.....

বান্ধৱী সৰ্বশ্ৰীমতী মুনমী দিহিঙীয়া (মুন), দিপ শিখা খনিকৰ, বৱী ফুলকোঁৱৰ, বেদীকা, কৌস্তুৰী, পাম্পী, ৰেখা, নিতু, পুৰালী, পিয়ংকা; মৃনালী, ৰূপা আৰু অজানিতে কলমৰ আগত বৈ যোৱা সকলো বন্ধু-বান্ধৱী, দাদা-বাইদেউ, অনুজ-ভন্টী সকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

অৱশেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰিলোঁ। আৰু মোৰ কাৰ্যকালত অজানিতে বৈ যোৱা ভুল-ক্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিলো।

সদৌ শেষত সকলোলৈকে শ্ৰদ্ধা সেৱা, ধন্যবাদ জ্ঞাপন কৰি মোৰ প্ৰতিবেদনৰ মুখনি মাৰিলো।

জয়তু হেমচন্দ্ৰ দেব গোস্বামী মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
ছাত্ৰ শক্তি এক হওঁক
জয় আই অসম।।

ইতি
ভাস্কৰ দত্ত
সাংস্কৃতিক আৰু সংগীত বিভাগৰ সম্পাদক

## বহিঃ খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে হেমচন্দ্ৰ দেব গোস্বামী মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাত যিসকল ছাত্ৰ-ছাত্ৰ শিক্ষাগুৰু তথা অন্যান্য ব্যক্তিয়ে অশেষ শাৰীৰিক আৰু মানসিক কষ্টক আওকাণ কৰি বৰঙণি আগবঢ়ালে তেখেতসকললৈ মই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

খেল বিভাগৰ সম্পাদক হিচাপে মই কিমান কি কৰিব পাৰিলো, নোৱাৰিলো সেই বিষয়ে লিখাৰ আগতে মহাবিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে মোক মহাবিদ্যালয়ৰ ২০০৭-২০০৮ বৰ্ষ ছাত্ৰ একতা সভাৰ খেল বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ উন্নতি হকে সেৱা আগবঢ়াবলৈ সুবিধা দিলে তাৰবাবে তেওঁলোকলৈ মই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। লগতে মোৰ কাৰ্যকালত বিভিন্ন প্ৰকাৰে সহায়-সহযোগ আৰু দিহা-পৰামৰ্শ আগবঢ়ালো ছাত্ৰ একতা সভাৰ সভাপতি শ্ৰীযুত দেৱেশ্বৰ চাংমাই চাৰ, বিভাগীয় উপদেষ্টা শ্ৰীযুত ললিত চন্দ্ৰ তামুলী চাৰলৈ



মই আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰা কিছুদিনৰ পিচতেই মহাবিদ্যালয়ত ক্ৰীড়া সপ্তাহ আয়োজন কৰা হয়। এই বছৰেকীয়া মহাবিদ্যালয়ত ক্ৰীড়া সপ্তাহ পালন কৰাত মোৰ দায়িত্ব আছিল ফুটবল, ভলীবল আৰু ক্ৰিকেট খেলসমূহ। এই খেল অনুষ্ঠিত কৰাত বহুতো অসুবিধাৰ সন্মুখীন হৈছিলো যদিও বিভাগীয় উপদেষ্টা মহোদয়ৰ পৰামৰ্শ আৰু বন্ধুবৰ্গ সহযোগত সকলোবোৰ কাম বাধা অতিক্ৰম কৰি খেলসমূহ অনুষ্ঠিত কৰিবলৈ অক্ষম হলো। খেলত যোগদান কৰা সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰিছো। আৰু বিজয়ী প্ৰতিযোগীৰ পৰা অদূৰ ভৱিষ্যতে উচ্চ মানদণ্ডৰ খেল প্ৰদৰ্শনৰ আশা কৰিছো।

মোৰ কাৰ্যকালতে আৰম্ভ হোৱা আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ কাৰণে মহাবিদ্যালয় ফুটবল খেলুৱৈ সকলৰ বাবে এজন ফুটবল প্ৰশিক্ষক আমন্ত্ৰণ জনোৱা হৈছিল।

খেল বিভাগৰ সম্পাদক হিচাপে মই এই মহাবিদ্যালয়ত সকলো বিলাক কাম নিষ্ঠাৰে পালন কৰিবলৈ চেষ্টা কৰিছিলো, তথাপি এই বিষয়ত কিমান দূৰ সফলতা লাভ কৰিলোঁ সেয়া আপোনালোকৰ ওপৰত অৰ্পণ কৰিলোঁ।

২০০৭-২০০৮ বৰ্ষৰ খেলবিভাগৰ কৰ্ম সম্পাদনত যিসকল বন্ধু বান্ধৱীয়ে অশেষ কষ্ট কৰি মোক সকলো প্ৰকাৰে সহায় সহযোগিতা আগবঢ়ালে তেওঁলোকলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। লগতে মই তেওঁলোকৰ নাম উল্লেখ কৰিছোঁ। বন্ধুসকলৰ ভিতৰত থাওকতে ক'ব পাৰি সঞ্জয় দত্ত, প্ৰণৱ, পাৰ্থ প্ৰতিম, জয়ন্ত, নকুল, দেৱজ্যোতি, অংকুৰ, উৎপল, নীলমণি, ভাস্কৰ আৰু বান্ধৱীসকলৰ ভিতৰত- স্বপ্না দত্ত, ৰাণা, মুনমী, মাইনু, চয়নিকা, বৱী, পিংকি, পল্লৱী।

মোৰ কাৰ্যকালত অজানিতে বৈ যোৱা ভুল ক্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি আৰু উজ্জ্বল ভৱিষ্যত কামনা কৰিছোঁ। লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা ২০০৭-২০০৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সম্পাদক আৰু সম্পাদিকা সকললৈ মোৰ তৰফৰ পৰা হিয়াভৰা আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। ইমানতে মোৰ খেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন সামৰণি মাৰিলো।

জয়তু হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
ছাত্ৰ শক্তি এক হওঁক
জয় আই অসম।।

ইতি
মিঠুন দত্ত
খেল বিভাগৰ সম্পাদক

## আন্তঃ ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে হেমচন্দ্ৰ দেব গোস্বামী মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাত যিসকল ছাত্ৰ-ছাত্ৰ শিক্ষাগুৰু তথা অন্যান্য ব্যক্তিয়ে অশেষ শাৰীৰিক আৰু মানসিক কষ্টক আওকাণ কৰি বৰঙণি আগবঢ়ালে তেখেতসকললৈ মই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

মোৰ ক্ষুদ্ৰ অভিজ্ঞতাৰে মহাবিদ্যালৰ ক্ৰীড়া বিভাগত, তথা ছাত্ৰ একতা সভাৰ অন্যান্য দিশত আমাৰ কাৰ্যকালত কি কৰিব পাৰিলো বা কি কৰিব নোৱাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য বিষয়।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিছতেই ২০০৭-০৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। মহাবিদ্যালয়ৰ সপ্তাহৰ ক্ৰীড়া বিভাগৰ অন্তৰ্গত সকলো প্ৰতিযোগিতাই অনুষ্ঠিত কৰা হয়।

মোৰ বছৰেকীয়া কাৰ্যকালত সকলো দিশতে উৎসাহ তথা উপদেশ দি সহায় আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপকসকললৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। বিশেষকৈ বিভাগীয় সম্পাদকৰ উপদেষ্টা মহোদয়লৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালত অশেষ কষ্ট কৰি মোক সহযোগিতা আগবঢ়ালে সকলো ভাতৃ, বন্ধু-বান্ধৱী তথা অগ্ৰজনলৈ মোৰ শ্ৰদ্ধা, মৰম, কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত অজানিতে ৰৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰি আৰু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

"জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়"

জয়তু ছাত্ৰ একতা সভা

শঙ্কৰ দত্ত
ক্ৰীড়া বিভাগৰ সম্পাদক



## ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল বীৰ শ্বহীদে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি দেহৰ কেঁচা তেজ ঢালি দেশ তথা জাতিৰ অস্তিত্ব ৰক্ষাৰ অৰ্থে জীৱন উৎসৰ্গা কৰিলে সেইসকলৰ পবিত্ৰ স্মৃতিত সশ্ৰদ্ধ প্ৰণাম জনালোঁ। লগতে ঐতিহ্যমণ্ডিত আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে শিক্ষাগুৰু সকল কৰ্মচাৰীবৃন্দ আৰু মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাত জড়িত ব্যক্তিসকলক আন্তৰিক শ্ৰদ্ধা জনাইছোঁ।

২০০৭-২০০৮ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকা হিচাপে মহাবিদ্যালয়ৰ উন্নতিৰ হকে সেৱা আগবঢ়াবলৈ দিয়া সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱ, দাদা-বাইদেউ সকললৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

২০০৭-২০০৮ বৰ্ষৰ হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকা হিচাবে নিৰ্বাচিত হৈ শপত গ্ৰহণৰ জৰিয়তে কাৰ্যভাৰ গ্ৰহণ কৰিলো। ইয়াৰ কিছুদিনৰ পিছতেই মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহ আৰম্ভ হৈছিল। মোৰ দায়িত্বত থকা কেৰম, ডবা, বেডমিণ্টন, টেবুল টেনিছ প্ৰায়বোৰ খেলেই অনুষ্ঠিত কৰা হৈছিল। খেলসমূহ অনুষ্ঠিত কৰাত বহুতো অসুবিধাৰ সন্মুখীন হৈছিলো যদিও বিভাগীয় উপদেষ্টা শ্ৰীযুক্তা মানসী গগৈ বাইদেউ আৰু বন্ধুবৰ্গৰ সহায় সহযোগ ত খেল সমূহ সুকলমে অনুষ্ঠিত কৰা হয়।

মোৰ চমু কাৰ্যকালত মহাবিদ্যালয়ৰ উন্নতিৰ হকে কিছুমান পদক্ষেপ হাতত লৈছিলো।

কাৰ্যভাৰ চলাই থাকোতে মোৰ অজ্ঞাতে বহুখিনি ভুল-ভ্ৰান্তি হ'ব পাৰে। সদৌ শেষত হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি সকলোলৈকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

ধন্যবাদেৰে-

জয়তু হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
ছাত্ৰ শক্তি এক হওঁক
জয় আই অসম।।

ইতি
মুনমী দিহিঙীয়া
ছাত্ৰী জিৰণি চ'ৰাৰ
সম্পাদিকা

## মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি চ'ৰা ২০০৭-২০০৮ বৰ্ষৰ বাৰ্ষিক ক্ৰীড়াৰ ফলাফল ঃ

**বেডমিণ্টন (চিংগল)**

প্ৰথম- অঞ্জনা শৰ্মা।
দ্বিতীয়- শ্ৰীঋপজ্যোতি খনিকৰ।

**বেডমিণ্টন (ডাবল)**

প্ৰথম- শ্ৰীঅঞ্জনা শৰ্মা।
শ্ৰীঋপজ্যোতি খনিকৰ।
দ্বিতীয়- শ্ৰীতুলিকা চেতিয়া।
শ্ৰীচয়নিকা বড়া।

**কেৰম (চিংগল)**

প্ৰথম- শ্ৰীতুলিকা চেতিয়া।
দ্বিতীয়- শ্ৰীসীমা গগৈ।

**কেৰম (ডাবল)**

প্ৰথম- শ্ৰীপম্পী বেগম।
শ্ৰীপুবালী বৰুৱা।
দ্বিতীয়- শ্ৰীলখিমী গগৈ।
শ্ৰীঋপজ্যোতি খনিকৰ।

**টেবুল টেনিছ**

প্ৰথম- শ্ৰীমুনমী দিহিঙীয়া।
দ্বিতীয়- শ্ৰীআছমা বেগম।



# ইংৰাজী শিতান



# Relevance of Sankardeva's Teachings in the Twenty-First Century

Tarun Gogoi
Lect. in History

**Moreover some of the degenerated cults full of intolerance and fanaticism made the situation more critiical. During this critical moment Sankardev appeared as the man of the hour to rescue the people from the shaky base of social life by bringing unity and inntegrity among them.**

The social history of mediенal Assam was simply remarkable from the point of Bhakti Movements, which could be able to bring a revolution any change in the socio-religious life of Assam.Sankardv,the great saint and religious reformer had played a significant role in the devlopment of social and culteral unity and integrity among the people through his teachings despite the political,economic,social and culteral differences prevalent in North-East India.Being a man of versatile personality Sankardeva was a propagandist of socialisim and Classless society or an unifier of the people of diverse races and religions. After all he was a saviour of humanity.

Assam is a multi-lingual and multireligious state. There are so many small and big tribes that inhahits in this land and the society was broadly divided into two main divisions- the Hisdus and non-Hindus. Though caste distinction is in general invisible, but it was strictly maintained in the society. No equal treatment was given to the lower class people. But it was the great saint Sankardeva who propagated the motto of liberty, equality and universal brotherhood among the people through his "Ek-saran Nama-Dharma". He gave to Assam a new discipline of faith in a single divinity and helped Assam and Assamese people to break away with a past with its complicated esoteric doctrines and unmeaning practices and gave to the people something simple and stright-forward divested of all questionable associations or implications.

At the time of Sankardeva's birth Assam was completely in a state of political turmoil. The frequent conflicts among these powers made this region disorganised and disordered. There was no cohesion and religions tolerance in the society. Moreover some of the degenerated cults full of intolerance and fanaticism made the situation more critiical. During this critical moment Sankardev appeared as the man of the hour to rescue the people from the shaky base of social life by bringing unity and inntegrity among them. This great Saint put utmost importannce on democratic pattern of society. According to him despite any caste and creed everyone may get place in heaven in associating with Krishna devotees. All sections of people were attracted towards his religious philosophy of pure devotion and they accepted him as their 'Guru'. Sankardeve

Preached that--

Kirata Kachari Khasi Garo Miri

Yavana Kanka Gowala

Asama Muluka Rajaka Turaka

Kuvacha Mlechas Chandala.

Ano tata nara Krishna Swakara

Sangate Pabitra haye.

- - 'Bhagavata' 1270/1271

This new faith propagated by Sankardeva became very popular among all classes of people within a very short span of time. Narottame from the Nages, Govinda from the Garos, Jayhari from the Bhutiyas and Chanda Sai from the Muslims were the finest examples of it, who had accepted this new faith with as open heart. Thus Sankardeva became the pioneer of formation of Assamese nation by creating mutual trust among the people of different tribes and communities.

We all know that "Ek Sarana Bhagavati Dharma" is purely based on the teachings of Gita and Bhagavata. People of that Period were illiterate and not familiar with Sanskrit language. Therefore, Sankardeva translated Bhagavata, Gita and other religions scriptures to Assamese language so that people could understand its meaning well. One of the greatest aspects of his religion was that he alwayas mentioned equality among his diciples. To him God lives in every living being of the world. So we should treat them all in a good manner. His message of Ahimsa (non-violence) is expressed in the following lines of Kritana Ghosa :

Kukura, Srigal, Gedhavaru Atmaram

